www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

আপুনি সৃজনশীলতা ব্যৱহাৰ কৰিলে সেয়া শেষ নহয়। অধিক ব্যৱহাৰ কৰিলে অধিক পাব। — মায়া এনজেলু

❐ প্ৰথম বছৰ ❐ সংখ্যা-৩৩৭ ❐ বৃহস্পতিবাৰ ❐ ১৫ অক্টোবৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 337 ❐ Thursday ❐ 15th October, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

মোদী কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত; IDBI পুনৰ্গঠনৰ অনুমোদন

## ১১.৪০ লাখ ৰে'লৱে কৰ্মচাৰীলৈ ৭৮ দিনৰ বোনাচ কেন্দ্ৰৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বুধবাৰে অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন কাৰ্যসূচী, ৰে'লৱে কৰ্মচাৰী, উদ্যোগ প্ৰতিষ্ঠান আৰু ব্যৱসায়ীসকলৰ স্বাৰ্থ জড়িত এই সিদ্ধান্তসমূহৰ বিষয়ে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংবাদিকসকলক অৱগত কৰে। তেওঁ জনায় যে কেবিনেটে প্ৰায় ❐ ৬ পৃষ্ঠাত

মণ্ডপত চিচিটিভি, অগ্নিনিৰ্বাপক ব্যৱস্থা আৰু পুৰুষ-মহিলাৰ বাবে পৃথক প্ৰৱেশ-প্ৰস্থান বাধ্যতামূলক

## নিশা ১০ বজাৰ পিছত লাউডস্পীকাৰ বন্ধ; পূজা কমিটীলৈ নিৰ্দেশনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, উত্তৰ গুৱাহাটী, ১৪ অক্টোবৰ ঃ** আগন্তুক দুৰ্গা পূজালৈ মাত্ৰ এদিন বাকী। ইতিমধ্যে পূজা কমিটীবোৰে ভক্তক আদৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। সমান্তৰালভাৱে পূজাৰ সময়ত শান্তি-শৃংখলা বজাই ৰখা আৰু ৰাইজৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে অসম আৰক্ষীয়ে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। পূজা কমিটীকে ধৰি বিভিন্ন বিভাগৰ সৈতে বৈঠক কৰি আৰক্ষীয়ে নিৰাপত্তাৰ দিশসমূহ পৰ্যালোচনা কৰিছে। ইয়াৰ মাজতে কিছুমান কঠোৰ নীতি-নিৰ্দেশনাও জাৰি কৰা হৈছে। এই সন্দৰ্ভত বুধবাৰে গুৱাহাটীৰ যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে সংবাদ মাধ্যমৰ আগত পূজা কমিটী আৰু জনসাধাৰণে মানি চলিবলগীয়া নিয়মসমূহৰ বিষয়ে অৱগত কৰে। যুটীয়া আৰক্ষী আয়ুক্তগৰাকীয়ে কয়, "যোৱা বছৰ মহানগৰীত ৫০৬খন পূজা অনুষ্ঠিত হৈছিল; এইবাৰ সেই সংখ্যা বৃদ্ধি পাই ❐ ৬ পৃষ্ঠাত



■ অবৈধ প্ৰৱেশ, নিষেধাজ্ঞা উলংঘন আৰু শান্তিভংগৰ অভিযোগ ■

# চিজেপিৰ দুই শীৰ্ষ নেতাক ন্যায়িক জিম্মালৈ ঃ বিৰোধীৰ তীব্ৰ প্ৰতিক্ৰিয়া



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** এছআইআৰ বাতিল আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত থকাৰ মাজতে বুধবাৰে ক'কৰোচ্ছ জনতা পাৰ্টীৰ দুজন নেতাক আদালতে পাঁচ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। জিম্মালৈ প্ৰেৰণ কৰা নেতা দুজন হৈছে সৌৰভ দাস আৰু আশুতোষ ৰাংকা। তেওঁলোকক তিহাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰৰ মতে, নেতা দুজনৰ বিৰুদ্ধে অনাধিকাৰ প্ৰৱেশ, নিষেধাজ্ঞামূলক আদেশ উলংঘন, শান্তিভংগ আৰু এজন ৰাজহুৱা সেৱকক চৰকাৰী কৰ্তব্য পালনত বাধা দিয়াৰ অভিযোগত কেইবাটাও গোচৰ ৰুজু কৰা হৈছে। একে সময়তে, এই ঘটনাৰ সৈতে জড়িত আন এজন নেতা অজিংক্য সিন্দেক মুকলি কৰি দিয়া হয়। চিজেপি নেতাসকলক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ ঘটনাক লৈ ইণ্ডিয়া ব্লকৰ দলসমূহে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। এই ব্যৱস্থাক আৰক্ষী আৰু চৰকাৰৰ দুৰ্বলতা বুলি ❐ ৬ পৃষ্ঠাত

উজনি অসমৰ বান সাহায্য লৈ চৰকাৰৰ সৈতে আলোচনা আগবাঢ়িছে ঃ গগৈ

## মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাৰ অন্তত অখিল গগৈৰ ধৰ্মঘট প্ৰত্যাহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে বৃহস্পতিবাৰে পুৱা ৭ বজাত নিজৰ ধৰ্মঘট তথা সত্যাগ্ৰহ কাৰ্যসূচী ❐ ৬ পৃষ্ঠাত

## ডিব্ৰুগড়ত বিধানসভাৰ দ্বিতীয় চৌহদ পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

গুণগত মান, বিভাগীয় সমন্বয় আৰু সময়সীমা ৰক্ষাৰ নিৰ্দেশ; খনিকৰত ক্ৰীড়া কমপ্লেক্সৰো পৰ্যালোচনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পুৱা ডিব্ৰুগড়ত নিৰ্মীয়মান অসম বিধানসভাৰ দ্বিতীয় চৌহদ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত তেওঁ ❐ ৬ পৃষ্ঠাত

১২৬টা শুনানি আৰু ২২জন সাক্ষীৰ সাক্ষ্যৰ অন্তত মীৰাট আদালতৰ ঐতিহাসিক ৰায়

## সৌৰভ ৰাজপুত হত্যাকাণ্ডত মুস্কান-চাহিললৈ মৃত্যুদণ্ডৰ ৰায়

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** দেশত বিগত সময়ছোৱাত সংঘটিত কেইবাটাও হত্যাকাণ্ডত নীলা ৰঙৰ ড্ৰাম বা ট্ৰলী বেগৰ ব্যৱহাৰে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। কেতিয়াবা নীলা ড্ৰামত মৃতদেহ উদ্ধাৰ হৈছিল, আকৌ কেতিয়াবা হত্যাকাৰীয়ে ট্ৰলী বেগত ভৰাই মৃতদেহ পেলাই দিছিল। এনে বহু ঘটনাৰ সাক্ষী হৈছিল দেশৰ জনসাধাৰণ। বুধবাৰে তেনে এক হত্যাকাণ্ডৰ গোচৰত মীৰাটৰ জিলা আদালতে দুই অভিযুক্তক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰ আদেশ প্ৰদান কৰে। অভিযুক্ত দুজন হৈছে সৌৰভ ৰাজপুতৰ পত্নী মুস্কান ৰাস্তোগী আৰু তাইৰ প্ৰেমিক চাহিল শুক্লা। আদালতৰ তথ্য অনুসৰি, যোৱা ৩০ ছেপ্টেম্বৰত মীৰাটৰ জিলা আদালতে দুয়োগৰাকীক দোষী সাব্যস্ত কৰিছিল। শাস্তিৰ ৰায় ঘোষণাৰ বাবে বুধবাৰৰ দিন ধাৰ্য কৰা হৈছিল। ভাৰ্চুৱেল মাধ্যমত মুস্কান আৰু চাহিলক আদালতত হাজিৰ কৰোৱা হয়। গোচৰীয়া পক্ষৰ অধিবক্তা বিজয় বাহাদুৰ সিঙে আদালতত কয় যে হত্যাৰ ধৰণ অতি ❐ ৬ পৃষ্ঠাত

## মৰাণ-মটক জনগোষ্ঠীৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

জনজাতিকৰণৰ দাবী লৈ আলোচনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** ডিব্ৰুগড় ভ্ৰমণত থকা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে মৰাণ আৰু মটক জনগোষ্ঠীৰ প্ৰতিনিধিসকলৰ সৈতে পৃথক বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ যাত্ৰাত প্ৰতিটো সম্প্ৰদায়ে নিজৰ সুকীয়া পৰিচয়, ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি আগবাঢ়ি ❐ ৬ পৃষ্ঠাত

'দেশৰ হকে, অপশক্তিৰ বিৰুদ্ধে' শ্ল'গানেৰে ষ্টেডিয়ামৰ পৰা চহৰ পথ প্ৰদক্ষিণ

## কংগ্ৰেছক সকীয়নি দি যোৰহাটত বিজেপিৰ জন জাগৰণ সমদল



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** ৰাজ্যজুৰি ভাৰতীয় জনতা পাৰ্টিয়ে মঙলবাৰৰ পৰা আৰম্ভ কৰা 'জন জাগৰণ সমদল' বুধবাৰে যোৰহাটত বিশাল ৰূপত পৰিণত হয়। 'দেশৰ হকে, অপশক্তিৰ বিৰুদ্ধে...' শ্ল'গানৰে যোৰহাট জিলা বিজেপিৰ উদ্যোগত আয়োজিত ❐ ৬ পৃষ্ঠাত

জাতীয়তাবাদ কেৱল এটা শ্ল'গান নহয়; ই অসমৰ আত্মা ঃ ফণীভূষণ চৌধুৰী

## ধেমাজিত অগপৰ ৪২ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** অসম গণ পৰিষদ (অগপ)ৰ ৪২ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস বুধবাৰে ধেমাজিত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হয়। অগপৰ ধেমাজি জিলা সমিতিৰ উদ্যোগত আৰু ধেমাজি, চিচিবৰগাঁও তথা জোনাই সমষ্টি সমিতিৰ আতিথ্যত ধেমাজি কাছাৰী ময়দানৰ দিলিপ কুমাৰ শইকীয়া সমন্বয় ক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। কাৰ্যসূচী ❐ ৬ পৃষ্ঠাত

## ভাৰতক লৈ ৰাজনীতিকৰণ নকৰিবলৈ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগক সকীয়নি

দিল্লীৰ পৰিস্থিতি সন্দৰ্ভত উচ্চায়ুক্তৰ কাৰ্যালয়ৰ মন্তব্যৰ প্ৰতিক্ৰিয়া




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** দিল্লীত উদ্ভৱ হোৱা পৰিস্থিতিক লৈ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগে প্ৰকাশ কৰা মন্তব্যৰ প্ৰতি ভাৰতে তীব্ৰ প্ৰতিক্ৰিয়া জনাইছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৬০তম সংখ্যক অধিৱেশনৰ তৃতীয় দিনা 'মানৱাধিকাৰ আয়োগৰ মন্তব্যৰ সন্দৰ্ভত' আলোচনাৰ সময়ত ভাৰতৰ প্ৰতিনিধিয়ে স্পষ্ট কৰি দিয়ে যে ❐ ৬ পৃষ্ঠাত

ভাৰতত অনুষ্ঠিত ব্ৰিকছ সন্মিলনত বাংলাদেশে নকৰিলে অংশগ্ৰহণ

## ব্ৰিকছ সন্মিলনত বাংলাদেশে অংশগ্ৰহণ নকৰাত ৰাষ্ট্ৰীয় স্বাৰ্থ ক্ষতিগ্ৰস্ত হৈছে ঃ শ্বেখ হাছিনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** ভাৰতত অনুষ্ঠিত ব্ৰিকছ সন্মিলনত বাংলাদেশে অংশগ্ৰহণ নকৰাৰ সিদ্ধান্তই ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। এই সিদ্ধান্তক লৈ দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। তেওঁ বৰ্তমান প্ৰধানমন্ত্ৰী তাৰিক ৰহমানৰ ❐ ৭ পৃষ্ঠাত

অখিল গগৈতকৈ মোৰ TRP বেছি ঃ নীলমণি সেনডেকা

## অখিল গগৈৰ প্ৰতিবাদক 'নাটক' আখ্যা নীলমণি সেনডেকাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** উজনি অসমৰ বানপীড়িত লোকসকলক ক্ষতিপূৰণ আৰু এককালীন সাহায্য প্ৰদানৰ দাবীত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে চলাই থকা প্ৰতিবাদী কাৰ্যসূচীক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সূত্ৰপাত হৈছে। প্ৰাক্তন মন্ত্ৰী তথা জ্যেষ্ঠ ৰাজনীতিবিদ নীলমণি সেনডেকাই এই আন্দোলনক 'নাটক' আখ্যা দি কয় যে অখিল গগৈতকৈ তেওঁৰ TRP বহুত বেছি। প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে যে অখিল গগৈয়ে অনশন বা সত্যাগ্ৰহ নামেৰে যি কাৰ্যসূচী ৰূপায়ণ কৰিছে, সেয়া জনসাধাৰণৰ স্বাৰ্থত ❐ ৬ পৃষ্ঠাত

■ জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত পুনৰ সৰৱ ■

## অপপ্ৰচাৰ আৰু ষড়যন্ত্ৰৰ বিৰুদ্ধে ক্ষোভ গৰিমা শইকীয়া গাৰ্গৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰপ্ৰক্ৰিয়া চলি থকাৰ মাজতে তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত পুনৰ এক পোষ্ট প্ৰকাশ কৰিছে। এই পোষ্টত তেওঁ সমগ্ৰ অসমবাসীক একত্ৰিত হৈ ন্যায়ৰ যুঁজত সহযোগ কৰিবলৈ আহ্বান জনাইছে। লগতে ❐ ৬ পৃষ্ঠাত

## আজি বিতৰণ হ'ব নিযুত মইনা, নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ চেক

গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কেন্দ্ৰীয় অনুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৪ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ চেকসমূহ কাইলৈ বিতৰণ কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ৰৰ বজাত এক কেন্দ্ৰীয় অনুষ্ঠান আয়োজন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ❐ ৬ পৃষ্ঠাত

## ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰতৰ বৰ্ধিত কৌশলগত প্ৰভাৱ

এছিয়ান দেশসমূহৰ সৈতে নিৰাপত্তা আৰু সামৰিক সহযোগিতা বৃদ্ধিৰ প্ৰচেষ্টা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** দক্ষিণ চীন সাগৰত আধিপত্যক লৈ দীৰ্ঘদিনৰ পৰাই এক জটিল আৰু উত্তপ্ত ভূ-ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। বিশেষকৈ এই সামুদ্ৰিক এলেকাটোৰ বিভিন্ন অঞ্চলৰ অধিকাৰক কেন্দ্ৰ কৰি চীনৰ সৈতে মালয়েছিয়া, ফিলিপাইনছ আৰু ❐ ৬ পৃষ্ঠাত

অনুৰ্ধ-২৩ বিশ্ব চেম্পিয়নশ্বিপত অংশগ্ৰহণ অনিশ্চিত

# আমেৰিকাই নাকচ কৰিলে ৯ ভাৰতীয় মল্লযুঁজাৰুৰ ভিছা




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** ক্ৰীড়া আৰু কূটনীতিৰ মাজৰ জটিলতাৰ বাবে এইবাৰ এক গুৰুতৰ সমস্যাৰ সন্মুখীন হৈছে ভাৰতীয় মল্লযুঁজাৰুসকল। আমেৰিকাৰ লাছ ভেগাছত অনুষ্ঠিত অনুৰ্ধ-২৩ বিশ্ব মল্লযুদ্ধ চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ যোৱা ভাৰতৰ ৯ গৰাকী উদীয়মান মল্লযুঁজাৰুৰ ভিছাৰ আবেদন মাৰ্কিন দূতাবাসে পোনপটীয়াকৈ খাৰিজ কৰি দিয়ে। ফলত তেওঁলোকৰ বিশ্ব চেম্পিয়নশ্বিপত খেলাৰ সপোন যেন ভংগ হৈছে। জানিব পৰা মতে, এই ৯ গৰাকী খেলুৱৈৰ ভিতৰত ৫ গৰাকী গ্ৰেকো-ৰোমান মল্লযুঁজাৰু আৰু ৪ গৰাকী মহিলা মল্লযুঁজাৰু আছে। যোৱা ১২ অক্টোবৰৰ পৰা ❐ ৬ পৃষ্ঠাত

অ'এনজিচিৰ কাম-কাজ স্তব্ধ কৰাৰ সকীয়নি

## শিৱসাগৰত ত্ৰিপাক্ষিক বৈঠক বিফল ঃ বানপীড়িতক ২ লাখ টকাৰ ক্ষতিপূৰণৰ দাবীত অটল



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ অক্টোবৰ ঃ** "আলোচনা ব্যৰ্থ হ'লে অ'এনজিচিৰ কাম-কাজ স্তব্ধ কৰি দিয়া হ'ব।" এই সকীয়নি বীৰ লাচিত সেনা অসমৰ কেন্দ্ৰীয় প্ৰশাসনিক সচিব শৃংখল চলিহাই প্ৰদান কৰে। বুধবাৰে শিৱসাগৰত জিলা প্ৰশাসন, অ'এনজিচি আৰু বীৰ লাচিত সেনাৰ মাজত অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকৰ অন্তত তেওঁ এই ঘোষণা কৰে। উল্লেখ্য, উজনি অসমৰ বানত ক্ষতিগ্ৰস্ত লোকসকলক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ দাবীত বীৰ লাচিত ❐ ৬ পৃষ্ঠাত

# গোলাঘাটৰ দেৰৰাজ ৰয় মহাবিদ্যালয়ত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ জিলা পৰ্যায়ৰ সজাগতা আৰু পৰামৰ্শদান কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৪ অক্টোবৰ ঃ** মঙলদৈস্থিত অসম দক্ষতা বিশ্ববিদ্যালয়ে (Assam Skill University) গোলাঘাটৰ দেৰৰাজ ৰয় মহাবিদ্যালয় আৰু SEED Foundationৰ সহযোগত ২০২৬ চনৰ জিলা পৰ্যায়ৰ সজাগতা আৰু পৰামৰ্শদান কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাত গোলাঘাট জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় ২০০ গৰাকী শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। অনুষ্ঠানত বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, গোলাঘাটৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক তথা আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ (IQAC) সমন্বয়ক ড° দেবাভূষণ বৰা, দেৰৰাজ ৰয় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক তথা কলা শাখাৰ ডীন ড° দেৱজিৎ ফুকন, দেৰৰাজ ৰয় মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) প্ৰশাসনিক উপাধ্যক্ষা গায়ত্ৰী শৰ্মা তামোলী, অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উদ্যোগিক সংযোগ আৰু প্ৰসাৰ বিভাগৰ সঞ্চালক অধ্যাপক ড° বিকাশ সিং ভাদোৰীয়া আৰু একেটা বিভাগৰ সহকাৰী সঞ্চালিকা জুলিনা কাশ্যপ উপস্থিত থাকে। এই কৰ্মশালাৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ্থীসকলৰ মাজত দক্ষতাভিত্তিক শিক্ষা, বৃত্তিমূলক প্ৰশিক্ষণ, উদ্যোগমুখী শিক্ষা আৰু উদীয়মান কৰ্মসংস্থাপনৰ সুযোগসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰা। লগতে পৰম্পৰাগত শৈক্ষিক শিক্ষাৰ সৈতে ব্যৱহাৰিক দক্ষতাৰ সমন্বয় সাধনৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত ড° দেবাভূষণ বৰাই ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) ২০২০ৰ ওপৰত এক তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। তেওঁ শিক্ষা নীতিখনত দক্ষতা বিকাশ, বৃত্তিমূলক শিক্ষা আৰু উচ্চ শিক্ষা ব্যৱস্থাত ব্যৱহাৰিক শিক্ষাৰ সংহতিৰ ওপৰত দিয়া গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰে। ভৱিষ্যতে কৰ্মসংস্থাপনৰ সুযোগ লাভৰ বাবে কেৱল শৈক্ষিক অৰ্হতাই যথেষ্ট নহয়, তাৰ সমান্তৰালভাৱে প্ৰাসংগিক দক্ষতা আহৰণ কৰাটোও অত্যন্ত প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উদ্যোগিক সংযোগ আৰু প্ৰসাৰ বিভাগৰ সঞ্চালক অধ্যাপক ড° বিকাশ সিং ভাদোৰীয়াই অসমত দক্ষতাভিত্তিক শিক্ষাৰ গুৰুত্ব আৰু শৈক্ষিক শিক্ষা তথা উদ্যোগসমূহৰ প্ৰয়োজনীয়তাৰ মাজত থকা ব্যৱধান দূৰ কৰাত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ ভূমিকা সম্পৰ্কে বিস্তৃত বক্তব্য আগবঢ়ায়। তেওঁ বিশ্ববিদ্যালয়খনৰ লক্ষ্য, শৈক্ষিক কাৰ্যসূচী, প্ৰশিক্ষণৰ সুবিধা আৰু উদ্যোগমুখী শিক্ষা ব্যৱস্থাৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰে। বিশেষকৈ শিক্ষাৰ্থীসকলৰ নিয়োগযোগ্যতা বৃদ্ধি, নতুন দক্ষতা আহৰণ আৰু পূৰ্বতে আহৰণ কৰা দক্ষতাৰ উন্নীতকৰণৰ বাবে বিশ্ববিদ্যালয়খনে আগবঢ়োৱা হ্ৰস্বম্যাদী দক্ষতা বিকাশৰ পাঠ্যক্ৰমসমূহৰ ওপৰত তেওঁ আলোকপাত কৰে। কৰ্মসংস্থাপন আৰু উদ্যোগশীলতাৰ ক্ষেত্ৰত সফলতা লাভৰ বাবে হাতে-কামে প্ৰশিক্ষণ, উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে সহযোগিতা আৰু ব্যৱহাৰিক অভিজ্ঞতা আহৰণৰ গুৰুত্বৰ বিষয়েও তেওঁ ব্যাখ্যা কৰে। এই কৰ্মশালাই শিক্ষাৰ্থীসকলক বিভিন্ন শৈক্ষিক আৰু কেৰিয়াৰ সম্পৰ্কীয় পথৰ বিষয়ে জানিবলৈ এক উপযুক্ত মঞ্চ প্ৰদান কৰে। বৰ্তমানৰ প্ৰতিযোগিতামূলক কৰ্মসংস্থাপনৰ বজাৰত উদ্যোগসমূহৰ প্ৰয়োজন অনুসৰি দক্ষতা আহৰণৰ ক্ৰমবৰ্ধমান গুৰুত্বৰ বিষয়েও শিক্ষাৰ্থীসকলে অৱগত হোৱাৰ সুযোগ লাভ কৰে। অনুষ্ঠানটো সফলতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা মূল্যৱান সহযোগিতা, সমন্বয় আৰু সমৰ্থনৰ বাবে অসম দক্ষতা বিশ্ববিদ্যালয়ে দেৰৰাজ ৰয় মহাবিদ্যালয় আৰু SEED Foundationক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে উপস্থিত বিশিষ্ট অতিথিসকল, অংশগ্ৰহণকাৰী শিক্ষানুষ্ঠানসমূহ, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলৰ উৎসাহপূৰ্ণ অংশগ্ৰহণৰ বাবেও বিশ্ববিদ্যালয়খনে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে অসমৰ শিক্ষাৰ্থীসকলৰ মাজত দক্ষতাভিত্তিক শিক্ষাৰ প্ৰসাৰ, শিক্ষানুষ্ঠানসমূহৰ সৈতে সংযোগ শক্তিশালীকৰণ আৰু কৰ্মসংস্থাপনমুখী শিক্ষাৰ সুযোগ বৃদ্ধি কৰাৰ লক্ষ্যৰে অসম দক্ষতা বিশ্ববিদ্যালয়ে অব্যাহত ৰখা প্ৰচেষ্টাৰ অংশ হিচাপেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

# নগাঁৱত যোগান মন্ত্ৰী কৌশিক ৰায়ৰ বিভাগীয় কামৰ পৰ্যালোচনা




**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ অক্টোবৰ ঃ** ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ তথা সমবায় বিভাগৰ অধীনত চলি থকা বিভিন্ন জনকল্যাণমূলক কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে বিভাগীয় মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত কালি আবেলি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ, আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু অনাময় ব্যৱস্থাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। ইয়াৰ উপৰিও খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ 'অন্ন সেৱা দিন' কাৰ্যসূচী, অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ বিতৰণ প্ৰক্ৰিয়া আৰু হিতাধিকাৰীসকলে লাভ কৰা খাদ্য সামগ্ৰীৰ শেহতীয়া স্থিতি পৰীক্ষা কৰা হয়। সমান্তৰালভাৱে মন্ত্ৰীগৰাকীয়ে নগাঁও জিলাৰ সমবায় সমিতিৰ অন্তৰ্গত খাদ্য সংৰক্ষণাগাৰসমূহৰ কাৰ্যক্ষমতা, মজুত খাদ্যসামগ্ৰীৰ উপলব্ধতা আৰু বিতৰণ ব্যৱস্থাৰ বুজ লয়। জিলাখনত চৰকাৰী আঁচনি আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সুফল যাতে প্ৰতিগৰাকী হিতাধিকাৰীয়ে নীৰৱচ্ছিন্নভাৱে আৰু সম্পূৰ্ণ স্বচ্ছতাৰে লাভ কৰিব পাৰে, তাৰ বাবে বিষয়াবৰ্গক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰা হয়। এই বৈঠকত ধিং বিধানসভা সমষ্টিৰ বিধায়ক মেহবুব মুক্তাৰ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আয়ুক্ত হেমন্ত ভূএগ, অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ পৰিচালন সঞ্চালিকা পাৰিজাত ভূএগ, পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ সঞ্চালক সুশান্ত দত্ত, 'অম্ৰুত'ৰ (AMRUT) প্ৰকল্প সঞ্চালিকা সম্প্ৰীতি গোস্বামী, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, নগাঁও পৌৰসভাৰ অধ্যক্ষা অম্বিকা মজুমদাৰ, নগাঁও জিলা উন্নয়ন আয়ুক্ত পাৰ্থ প্ৰতিম বৈৰাগী, কলিয়াবৰৰ সহকাৰী আয়ুক্ত তেজস অগ্নিহোত্ৰীৰ লগতে অন্যান্য বিভাগীয় বিষয়াববীয়াসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে জিলাখনত বিভিন্ন স্থানত নিৰ্মাণ কৰা গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ আৰু সমবায় বিভাগৰ কেবাটাও আঁচনিৰ লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধীনৰ সমিতিসমূহ আৰু সুলভ মূল্যৰ দোকান পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লয়।

# গোলাঘাটত চোৰৰ তাণ্ডৱ

## গোলাঘাট চহৰৰ বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ বৈদ্যুতিক তাঁৰ কাটি নিলে চোৰে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ** গোলাঘাট চহৰত দিনক দিনে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। এইবাৰ চোৰে লক্ষ্য কৰি ল'লে শিক্ষানুষ্ঠান। গোলাঘাট টাউন মধ্য ইংৰাজী বিদ্যালয়ত সংঘটিত হৈছে এই চুৰিকাণ্ড। জানিব পৰা মতে, যোৱা নিশাৰ ভিতৰতে চোৰৰ এটা দলে বিদ্যালয়ৰ শ্ৰেণী কোঠাৰ ভিতৰৰ পৰা বৈদ্যুতিক তাঁৰ কাটি লৈ যায়। ৰাতি বিদ্যালয়ত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে এই কাণ্ড সংঘটিত কৰে। আজি পুৱা বিদ্যালয় খোলাৰ সময়তহে ঘটনাটো পোহৰলৈ আহে। শ্ৰেণী কোঠাৰ ভিতৰত তাঁৰ কটা অৱস্থাত পৰি থকা দেখি বিদ্যালয় কৰ্তৃপক্ষই আৰক্ষীক খবৰ দিয়ে। বিদ্যালয়খনৰ প্ৰধান শিক্ষকে সংবাদ মাধ্যমৰ আগত জনোৱা মতে, এয়া প্ৰথমবাৰৰ বাবে হোৱা নাই। ইয়াৰ পূৰ্বেও বিদ্যালয়খনত এনেধৰণৰ চুৰি কাণ্ড সংঘটিত হৈছিল। বিদ্যালয়ৰ নিৰাপত্তাৰ অভাৱৰ বাবে বাৰে বাৰে এনেধৰণৰ ঘটনা ঘটিছে বুলি তেওঁ অভিযোগ কৰে। তেওঁ গোলাঘাট আৰক্ষীক অতি শীঘ্ৰে চোৰক কৰায়ত্ত কৰি উচিত ব্যৱস্থা ল'বলৈ দাবী জনায়। বৰ্তমান গোলাঘাট সদৰ থানাত এই সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে বিদ্যালয় কৰ্তৃপক্ষই। ইতিমধ্যে গোলাঘাট আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। গোলাঘাট চহৰৰ মাজ মজিয়াত থকা এখন বিদ্যালয়তে যদি এনেদৰে চুৰি হয়, তেন্তে সাধাৰণ ৰাইজ কিমান সুৰক্ষিত, এয়া এতিয়া ডাঙৰ প্ৰশ্ন।

# বৰপেটাৰোডত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৪ অক্টোবৰ ঃ** বৰপেটা জিলাৰ বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন ট্ৰাকে এখন মটৰ চাইকেলত খুন্দা মৰাৰ ফলত বাইক আৰোহীজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে বাইক আৰোহীজনৰ এখন ভৰি চিঙি যোৱা বুলি জানিব পৰা গৈছে। এই ভয়ংকৰ দুৰ্ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰীয় ঘাইপথটোত সংঘটিত এনে দুৰ্ঘটনাই পুনৰবাৰ পথ সুৰক্ষাৰ বিষয়টোক লৈ উদ্বেগৰ সৃষ্টি কৰিছে। অৱশ্যে, দুৰ্ঘটনাত আহত বাইক আৰোহীজনৰ পৰিচয়, তেওঁক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা আৰু দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ সম্পৰ্কে এই পৰ্যন্ত বিতং তথ্য জানিব পৰা হোৱা নাই। উল্লেখ্য যে, ৰাষ্ট্ৰীয় ঘাইপথত দ্ৰুতগতিত যান-বাহন চলাচল, অসাৱধানতা আৰু যান-বাহন চলোৱাৰ সময়ত ট্ৰেফিক নিয়ম উলংঘা কৰাটো ভয়ংকৰ দুৰ্ঘটনাৰ অন্যতম কাৰণ হ'ব পাৰে। সেয়েহে, এনে দুৰ্ঘটনা ৰোধ কৰিবলৈ যান-বাহন চালকসকলক অধিক সতৰ্কতা অৱলম্বন কৰাৰ লগতে পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে মানি চলাটো অত্যন্ত জৰুৰী।

## পুনৰ সন্দেহজনক হিৰোইন জব্দ; আটক এজন যুৱক

# মাজুলীত ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ



**অসম বাৰ্তা, উজনী মাজুলী, ১৪ অক্টোবৰ ঃ** মাজুলীত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে আজি মহকিনা তিনিআলিত ৪.৩২ গ্ৰাম সন্দেহজনক হিৰোইনসহ এজন যুৱকক আটক কৰে মাজুলী আৰক্ষীয়ে। আটকাধীন যুৱকজন লক্ষ্মীমপুৰ জিলাৰ বিহপুৰীয়াৰ বিপ্লৱ দেৱনাথ বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, গোপন তথ্যৰ ভিত্তিত মাজুলী আৰক্ষীৰ এটা বিশেষ দলে চলোৱা অভিযানত যুৱকজনক আটক কৰাৰ লগতে তেওঁৰ বেগৰ পৰা সন্দেহজনক হিৰোইনভৰ্তি ১১টা কণ্টেইনাৰ উদ্ধাৰ কৰে। জব্দ কৰা ড্ৰাগছখিনিৰ বজাৰমূল্য প্ৰায় ৮৬ হাজাৰ টকা বুলি জানিব পৰা গৈছে। প্ৰাথমিক তদন্ত অনুসৰি, যুৱকজনে মাজুলীত বিক্ৰীৰ উদ্দেশ্যে ড্ৰাগছখিনি লৈ অহাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। এই সন্দৰ্ভত গড়মূৰ থানাত গোচৰ ৰুজু কৰি আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, মাজুলীত শেহতীয়াকৈ ড্ৰাগছৰ অবৈধ সৰবৰাহৰ কেইবাটাও ঘটনা পোহৰলৈ আহিছে। যোৱা ৮ ছেপ্টেম্বৰত মাজুলী জিলা প্ৰতিষ্ঠা দিৱসৰ দিনা চেলেক-ধূনাগুৰি দলঙত আৰক্ষীয়ে অভিযান চলাই ১.৩২ গ্ৰাম সন্দেহজনক হিৰোইনসহ তিনিজন লোকক আটক কৰিছিল। আনহাতে, যোৱা ২ অক্টোবৰত লোহিত খাবলু ঘাটত নাকা তালাচীৰ সময়ত উত্তৰ লক্ষ্মীমপুৰৰ আহোমনি মিৰি গাঁৱৰ ৰামবিলাস পায়েঙক আটক কৰাৰ লগতে তেওঁৰ পৰা ০.০৮ গ্ৰাম সন্দেহজনক হিৰোইন জব্দ কৰিছিল আৰক্ষীয়ে। মাজুলীত ড্ৰাগছৰ অবৈধ সৰবৰাহ আৰু সেৱনৰ ক্ৰমবৰ্ধমান আশংকাই সচেতন মহলত উদ্বেগৰ সৃষ্টি কৰিছে। যুৱ প্ৰজন্মক ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰাৰ স্বাৰ্থত আৰক্ষীৰ অভিযান অধিক তীব্ৰতৰ কৰাৰ লগতে এই অবৈধ ব্যৱসায়ৰ সৈতে জড়িত চক্ৰসমূহ উৎখাত কৰাৰ দাবী উত্থাপিত হৈছে।

# অসম অৰুণাচল আন্তঃৰাজ্যিক সীমা সন্দৰ্ভত বিশ্বনাথৰ নতুন আৱৰ্ত ভৱনত গুৰুত্বপূৰ্ণ বৈঠক

**অসম বাৰ্তা, জিনজিয়া, ১৪ অক্টোবৰ ঃ** অসম আৰু প্ৰতিবেশী ৰাজ্য অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমা সন্দৰ্ভত আজি বিশ্বনাথৰ নতুন আৱৰ্ত ভৱনৰ সন্মিলন কক্ষত আঞ্চলিক সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত উপস্থিত থাকে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা আঞ্চলিক সমিতিৰ অধ্যক্ষ কেশৱ মহন্ত, কেবিনেট মন্ত্ৰী তথা বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, অৰুণাচল প্ৰদেশৰ কেবিনেট মন্ত্ৰী তথা আঞ্চলিক সমিতিৰ অধ্যক্ষ বালো ৰাজা, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, অৰুণাচল প্ৰদেশৰ ১৪ নং দৈমুখ সমষ্টিৰ বিধায়ক নাবাম বিবেক, বিহপুৰীয়াৰ বিধায়ক ভূপেন কুমাৰ বৰা, ৰঙানদীৰ বিধায়ক ঋষিৰাজ হাজৰিকা, গহপুৰৰ বিধায়ক উৎপল বৰা, বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাস, বিশ্বনাথৰ বিধায়ক পল্লৱলোচন দাস প্ৰমুখ্যে দুয়োখন ৰাজ্যৰ উচ্চ পদস্থ বিষয়া সকল এই বৈঠকত উপস্থিত থাকে। এই আলোচনা যথেষ্ট সৌহাৰ্দ্যমূলক লগতে বিভিন্ন ঠাইত থকা সৰু সৰু সমস্যাবোৰ সোনকালে সমাধান কৰাৰ চেষ্টা কৰা হ'ব বুলি মন্তব্য কৰে মন্ত্ৰী কেশৱ মহন্তই। ইফালে, অৰুণাচল প্ৰদেশৰ কেবিনেট মন্ত্ৰী বালো ৰাজাইও এই আলোচনা খুবেই আন্তৰিকতাপূৰ্ণ বুলি মন্তব্য কৰি অনাগত দিনত দুই ৰাজ্যৰ সীমাত থকা সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় প্ৰচেষ্টা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে।

# গেলেকীত ড্ৰাগছ বিৰোধী সজাগতা সভা




**অসম বাৰ্তা, গেলেকী, ১৪ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ নামতি আৰু গেলেকী আৰক্ষী থানা তথা স্থানীয় গাঁৱৰক্ষী বাহিনীৰ সহযোগত যুৱ সমাজক ড্ৰাগছ আৰু অন্যান্য নিচাজাতীয় সামগ্ৰীৰ কবলৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে গেলেকীৰ বগীচাপৰিস্থিত প্ৰাণবাৰী প্ৰাথমিক বিদ্যালয়ত 'নিচামুক্ত ভাৰত অভিযান'ৰ অধীনত এখন সজাগতা সভা অনুষ্ঠিত হয়। অঞ্চলটোৰ সচেতক নাগৰিকৰ উপস্থিতিত অনুষ্ঠিত এই সভাই স্থানীয় সমাজলৈ এক ধনাত্মক বাৰ্তা কঢ়িয়াই আনে। থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সভাপতি হেম গগৈয়ে সভাপতিত্ব কৰা এই সজাগতামূলক সভাত উপস্থিত থাকে গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰদীপ শইকীয়া, উপ-পৰিদৰ্শক প্ৰিন্স বৰগোহাঁই, নৱ চাংমাই আৰু নামতি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভৰেন জ্যোতি গগৈ। এই সভাখনত যুৱ প্ৰজন্মক নিচাজাতীয় সামগ্ৰীৰ ব্যৱহাৰৰ পৰা দূৰত ৰখাৰ উপায় সম্পৰ্কে গভীৰভাৱে চিন্তা-চৰ্চা কৰা হয়। লগতে সমাজত বৃদ্ধি পোৱা অন্যান্য বহু অপৰাধজনিত বিষয়ৰ ওপৰতো আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে গেলেকী বগীচাপৰি গাঁৱৰক্ষী বাহিনীৰ সভাপতি নফিজুদ্দিন আহমেদে। তেওঁ বৰ্তমান সময়ত যুৱ সমাজৰ মাজত ড্ৰাগছৰ আসক্তি বৃদ্ধি পোৱাৰ বিষয়টোক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু ইয়াক প্ৰতিৰোধ কৰিবলৈ সমাজৰ সকলো স্তৰৰ লোকৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শতাধিক সাধাৰণ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই সভাত গেলেকী আৰু নামতি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে চক্ৰ সংগঠকেও বক্তব্য দাঙি ধৰে। বক্তাসকলে বৰ্তমান গেলেকী অঞ্চলত নিচাযুক্ত সামগ্ৰীৰ লগতে অন্যান্য অপৰাধমূলক কাৰ্য বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে দল-মত নিৰ্বিশেষে সকলোকে সজাগ হ'বলৈ আৰু নিৰ্মূলৰ বাবে প্ৰশাসনক সহযোগিতা কৰিবলৈ আহ্বান জনায়। সভাত বগীচাপৰি গাঁৱৰক্ষী বাহিনীৰ সদস্যসকলৰ লগতে কলগাঁও, জ্যোতিনগৰ আৰু হাতীপটি গাঁৱৰক্ষী বাহিনীৰ সভাপতি-সম্পাদক আৰু সমাজকৰ্মী নিৰণ গগৈ তথা ভূপেন মাউৎ উপস্থিত থাকে।

# শিৱসাগৰত জিলা পৰ্যায়ৰ কুইজ, চিত্ৰাংকন আৰু বক্তৃতা প্ৰতিযোগিতা সফলতাৰে সম্পন্ন

**অসম বাৰ্তা, শিৱসাগৰ, ১৩ অক্টোবৰ ঃ** শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত তথা শিক্ষা বিভাগ আৰু সমগ্ৰ শিক্ষা, শিৱসাগৰৰ যৌথ সৌজন্যত 'সেৱা সংকল্প অভিযান'ৰ অধীনত যোৱা ৯ অক্টোবৰত জিলা পৰ্যায়ৰ কুইজ, চিত্ৰাংকন আৰু বক্তৃতা প্ৰতিযোগিতা সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। শিৱসাগৰৰ যুৱ'দল আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই প্ৰতিযোগিতাখনি শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল য়াদৱে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানসমূহৰ পৰা অহা বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিপুল উৎসাহ-উদ্দীপনাৰে এই প্ৰতিযোগিতাসমূহত নিজৰ মেধা আৰু প্ৰতিভা প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাসমূহৰ সফলতাৰে সামৰণি পৰাৰ পিছত অনুষ্ঠিত হয় বঁটা বিতৰণী সভা। এই সভাত নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিজয়ী প্ৰতিযোগীসকলক আনুষ্ঠানিকভাৱে বঁটা আৰু প্ৰশংসাপত্ৰ প্ৰদান কৰে। উক্ত অনুষ্ঠানত শিৱসাগৰ জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত তথা শাখা বিষয়া (শিক্ষা), বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা তথ্য-প্ৰযুক্তি বিষয়া, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকল আৰু জিলা প্ৰশাসন তথা শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। উপস্থিত বিশিষ্ট অতিথিসকলে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ তথা বুদ্ধিবৃত্তিক বিকাশৰ দিশত এনে অনুষ্ঠানৰ ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে, জিলা পৰ্যায়ৰ এই প্ৰতিযোগিতাত বিজয়ী হোৱা প্ৰতিযোগীসকলে পৰৱৰ্তী পৰ্যায়ত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত শিৱসাগৰ জিলাক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ অৰ্জন কৰিব।

# আকাশলংঘী মূল্যবৃদ্ধিয়ে অৰ্থনৈতিকভাৱে জুৰুলা কৰি পেলাইছে ৰাইজক

**অসম বাৰ্তা, মন্দিয়া, ১৪ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰে কোটি কোটি টকা ব্যয় সাপেক্ষে কৃষি বিভাগৰ উন্নয়নৰ বাবে বিভিন্ন ধৰণৰ অভিলাষী আঁচনি প্ৰস্তুত কৰিছে আৰু ৰাজ্যখনৰ প্ৰতিখন জিলাৰ কৃষিভূমিত উন্নতমানৰ খেতি কৰিবলৈ কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীৰ লগতে কৃষি উন্নয়ন বিষয়াসকলে দিনে-নিশাই কাম কৰি আহিছে। কিন্তু বৰপেটা জিলাৰ বিভিন্ন স্থানৰ লগতে বৃহত্তৰ কৃষিপ্ৰধান মন্দিয়া, চেঙাৰ প্ৰায় ৯০ শতাংশ লোকে কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। সৰ্বাধিক দৰিদ্ৰ কৃষক পৰিয়ালে বাস কৰি থকা বৰপেটা মহকুমাৰ খেতিয়কসকল পিচ পৰি আছে। তাৰ ফলত অতি প্ৰয়োজনীয় আলু, পিঁয়াজ, নহৰু, বিলাহী, কচু, আদা, কুঁহিয়াৰ, সৰিয়হ আদি শস্যৰ খেতি কৰিব নোৱাৰাত ব্যৱসায়ীসকলে চুবুৰীয়া ৰাজ্য পশ্চিমবংগ আৰু মেঘালয়ৰ পৰা লৈ অহা বিভিন্ন ধৰণৰ শাক-পাচলি অধিক মূল্যত ক্ৰয় কৰিব লগীয়া হৈছে। উল্লেখযোগ্য যে, অইন অইন বছৰৰ দৰে এই বাৰো জিলাখনৰ বৃহত্তৰ কৃষিপ্ৰধান অঞ্চলত দৰিদ্ৰ কৃষক ৰাইজে নিজৰ গাঁঠিৰ ধন খৰচ কৰি অধিক পৰিমাণৰ কুঁহিয়াৰৰ খেতি কৰিছে। কৃষি বিভাগৰ পয়ালগা অৱস্থা আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ চৰম হেমাহি আৰু গাফিলতিৰ বাবে কৃষকসকলৰ প্ৰাপ্য সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। ফলত দৰিদ্ৰ কৃষক ৰাইজে অধিক মূলতে বিভিন্ন ধৰণৰ উদ্যান শস্যৰ আৰু শাক-পাচলি ক্ৰয় কৰি আহিছে বুলি অভিযোগ উত্থাপন হৈছে। জিলাখনৰ বিভিন্ন স্থানত অৱস্থিত বজাৰসমূহত প্ৰতি কিলোগ্ৰাম আলুৰ মূল্য ৩০ টকাৰ পৰা ৪০ টকালৈ আছে, প্ৰতি কিলোগ্ৰাম পিঁয়াজৰ মূল্য ৬০ টকাৰ পৰা ৭০ টকালৈ আছে, প্ৰতি কিলোগ্ৰাম চেনিৰ মূল্য ৬০ টকা, মিঠাতেলৰ মূল্য প্ৰতি লিটাৰত ২১০ টকাকৈ লৈছে। প্ৰতি কিলোগ্ৰাম নহৰুৰ মূল্য ১৫০ টকা, প্ৰতি কিলোগ্ৰাম আদাৰ মূল্য ২০০ টকালৈ আছে। এই ক্ষেত্ৰত বৰপেটা জিলা কৃষি বিভাগ, বিপণন নিগম আৰু নিয়ন্ত্ৰিত বজাৰ সমিতিয়ে চকুমুদা কুলিৰ ভাও জুৰি আছে বুলি ৰাইজে অভিযোগ তুলিছে। মূল্য বৃদ্ধি ৰোধ কৰিবলৈ বিভিন্ন দল-সংগঠনৰ লগতে মন্দিয়া আঞ্চলিক কৃষক সভাই চৰকাৰৰ ওচৰত দাবী জনাইছে।

# অৰুণাচলৰ জয়ৰামপুৰত ৪২৯.২২ গ্ৰাম হেৰ'ইনসহ দুজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ১৪ অক্টোবৰ ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ জয়ৰামপুৰ আৰক্ষীয়ে কালি এক চোৰাংচোৱা ভিত্তিক অভিযান চলাই ৪২৯.২২ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন জব্দ কৰা লগতে দুজন যুৱকক গ্ৰেপ্তাৰ কৰে। চাংলাঙৰ আৰক্ষী অধীক্ষক কিৰ্লি পাডুৰ তত্ত্বাৱধানত জয়ৰামপুৰৰ পি এছ অ' চি পৰিদৰ্শক বিনম পাৰ্টিনৰ নেতৃত্বত চাংলাং জিলা আৰক্ষীৰ এটা দলে জয়ৰামপুৰৰ বেথেল গীৰ্জা ঘৰৰ সমীপত চলোৱা এই অভিযানত আৰক্ষীয়ে এ আৰ ১১বি ৮৪০৩ পঞ্জীয়ন নম্বৰৰ এখন মাৰুতি চুজুকি ফ্ৰন' বাহনো জব্দ কৰে। তালাচীৰ সময়ত দলটোৱে বাহনখনৰ পৰা সন্দেহযুক্ত হেৰ'ইন থকা ২৯টা চাবোনৰ কেচ উদ্ধাৰ কৰে, যাৰ মুঠ ওজন ৪২৯.২২ গ্ৰাম। যুৱকদ্বয়ে বাহনখনৰ স্পেয়াৰ টায়াৰৰ ভিতৰত নিষিদ্ধ সামগ্ৰীখিনি লুকুৱাই ৰাখিছিল। গ্ৰেপ্তাৰ হোৱা যুৱক দুজন হৈছে - বিষ্ণু দহোতীয়া (৩৬) আৰু অৰূপ মৰাণ (৩৫)। দুয়োজনেই কাকপথাৰ অঞ্চলৰ বুলি জানিব পৰা গৈছে। ঘটনাৰ সন্দৰ্ভত মাদক দ্ৰব্য আৰু মনোৰোগ সৃষ্টিকাৰী পদাৰ্থ (এন ডি পি এছ) আইনৰ প্ৰাসংগিক বিধানৰ অধীনত এটা গোচৰ ৰুজু কৰা লগতে জব্দ কৰা নিষিদ্ধ সামগ্ৰীৰ উৎস আৰু গন্তব্যস্থান নিৰ্ণয় কৰাৰ লগতে নেটৱৰ্কৰ সৈতে জড়িত আন ব্যক্তিক চিনাক্ত কৰাৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

সদৌ অসম ভিত্তিত নৃত্য, গীত, চিত্ৰাংকন আৰু সংলাপ প্ৰতিযোগিতাৰ আয়োজন

# ১৭ অক্টোবৰৰ পৰা দুলীয়াজানত ‘কঠীয়া মাইম এণ্ড ড্ৰামা একাডেমী’ৰ ২৬ সংখ্যক বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, দুলীয়াজান, ১৪ অক্টোবৰ ঃ** অসমীয়া কলা-সংস্কৃতিৰ অন্যতম ধ্বজাবাহক তথা উজনি অসমৰ তৈলনগৰী দুলীয়াজানৰ অগ্ৰণী আৰ্থ-সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান ‘কঠীয়া মাইম এণ্ড ড্ৰামা একাডেমী’য়ে গৌৰৱোজ্জ্বল ৩১টা বৰ্ষ সফলতাৰে অতিক্ৰম কৰি বৰ্তমান বত্ৰিশতম বৰ্ষত ভৰি দিছে। জন্মলগ্নৰে পৰা বহু ঘাত-প্ৰতিঘাত আৰু প্ৰতিকূল পৰিৱেশ নেওচি এই অনুষ্ঠানটিয়ে অসম ভিত্তিত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহাৰ লগতে নাট-সমাৰোহ, বাটৰ নাট, নাট-কৰ্মশালা আদিৰ জৰিয়তে প্ৰচুৰ সম্ভাৱনাময় ন-পুৰণি শিল্পীক সমাজত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এই সুদীৰ্ঘ সাংস্কৃতিক যাত্ৰাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি একাডেমীৰ ‘২৬ সংখ্যক’ (ষষ্ঠবিংশতিতম) বাৰ্ষিক অধিৱেশনখনি অহা ১৭, ২৪, ২৫ আৰু ২৬ অক্টোবৰ তাৰিখে দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে বুলি এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে উদ্যোক্তাসকলে জানিবলৈ দিছে। অধিৱেশনৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি অহা ১৭ অক্টোবৰ, শনিবাৰে প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হ’ব। উক্ত দিনা পুৱা ১১:০০ বজাত মধ্য জালনী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ‘ডিম্বেশ্বৰ খনিকৰ আৰু পুণ্যপ্ৰভা খনিকৰ সোঁৱৰণী সদৌ অসম ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা’ অনুষ্ঠিত হ’ব। ইয়াৰ পিছতে ২৪ অক্টোবৰ, শনিবাৰে পুৱা ৯:৪৫ বজাত দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত ‘দেৱকান্ত দেৱগোস্বামী সোঁৱৰণী সদৌ অসম ভিত্তিত সত্ৰীয়া নৃত্য প্ৰতিযোগিতা’ আয়োজন কৰা হৈছে। একেদিনাই বিয়লি ৩:০০ বজাত ‘আনন্দ চন্দ্ৰ গোহাঁই, তাৰিণীকান্ত ডেকা, প্ৰদীপ বৰা আৰু কুসুমলতা বৰা সোঁৱৰণী সদৌ অসম ভিত্তিত একক সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতা’ অনুষ্ঠিত হ’ব। এই নৃত্য প্ৰতিযোগিতাৰ শাখাত পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকলৰ মাজৰ পৰা বিশেষভাৱে নিৰ্বাচিত এজনক ‘নীল কমল শৰ্মা সোঁৱৰণী শ্ৰেষ্ঠ নৃত্যশিল্পী-২০২৬’ বঁটাৰে সন্মানিত কৰা হ’ব বুলি জানিব পৰা গৈছে। আনহাতে, ২৫ অক্টোবৰ, দেওবাৰে পুৱা ৯:৩০ বজাত ‘প্ৰদীপ কুমাৰ বৰুৱা আৰু লাৱণ্যপ্ৰভা নাথ সোঁৱৰণী সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা’ আৰু বিয়লি ৪:০০ বজাত ‘ৰঞ্জন গগৈ আৰু মিনাক্ষী বৰুৱা (জানী) সোঁৱৰণী জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা’ অনুষ্ঠিত হ’ব। এই দুয়োটা গীতৰ প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা প্ৰতিযোগীসকলৰ মাজৰ পৰা শ্ৰেষ্ঠজনক ‘ইস্কান্দাৰ মিৰ্জা ৰহমান সোঁৱৰণী শ্ৰেষ্ঠ কণ্ঠশিল্পী -২০২৬’ বঁটা প্ৰদান কৰা হ’ব। অধিৱেশনৰ অন্তিমটো দিন অৰ্থাৎ ২৬ অক্টোবৰ, সোমবাৰে বিয়লি ২:০০ বজাত ‘সোণেশ্বৰ দত্ত সোঁৱৰণী সদৌ অসম ভিত্তিত সংলাপ প্ৰতিযোগিতা’ অনুষ্ঠিত হোৱাৰ পিছত সন্ধিয়া ৬:০০ বজাত বঁটা বিতৰণী অনুষ্ঠান আৰু বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰা হ’ব। এই বঁটা বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠানতে ‘কঠীয়া’ পৰিয়ালৰ তৰফৰ পৰা অঞ্চলটোৰ বিশিষ্ট প্ৰবীণ শিল্পী জিতু বৰঠাকুৰদেৱক এক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ’ব। ইয়াৰ পিছতেই স্থানীয় আৰু আমন্ত্ৰিত শিল্পীসকলৰ আকৰ্ষণীয় সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশনৰ জৰিয়তে চাৰিদিনীয়া অধিৱেশনৰ সামৰণি পৰিব। এই সমগ্ৰ অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ ‘কঠীয়া মাইম এণ্ড ড্ৰামা একাডেমী’ৰ মুখ্য উপদেষ্টা সংলাপ নাহৰডেকা, সভাপতি ড° বসন্ত খনিকৰ, উপ-সভাপতি দেৱজিৎ সেনাপতি, কাৰ্যকৰী সভাপতি পংকজ বৰা আৰু সাধাৰণ সম্পাদক দিপনজীৎ পাঁচনীয়ে দুলীয়াজান তথা ৰাজ্যৰ সকলো সংস্কৃতিপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।

যিকোনো সংকটকালীন পৰিস্থিতিত ফ্ৰণ্টলাইন কৰ্মী হিচাপে সেৱা আগবঢ়োৱা আশা কৰ্মী আৰু আশা চুপাৰভাইজাৰসকলক প্ৰেৰণা যোগাব ঃ মন্ত্ৰী অজন্তা নেওগ

# গোলাঘাট সমষ্টিত আশা আৰু আশা ছুপাৰভাইজাৰ সকলক একঁকালীন প্ৰেৰণাদায়ক মাননি আৰু প্ৰশংসা পত্ৰৰে সন্মানিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ১৪ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অধীনত আজি গোলাঘাট বিধান সভা সমষ্টিৰ অধীনত আশা আৰু আশা ছুপাৰভাইজাৰসকলক একঁকালীন প্ৰেৰণাদায়ক মাননি আৰু প্ৰশংসাৰ প্ৰমাণ পত্ৰৰে সন্মানিত কৰা হয়। গোলাঘাট নগৰস্থিত মুকলি মঞ্চত জিলা প্ৰশাসনৰ তত্ত্বাৱধানত গোলাঘাট স্বাস্থ্য বিভাগে আজি ২১৯ গৰাকী আশা কৰ্মী আৰু ১৯ গৰাকী আশা ছুপাৰভাইজাৰক তেওঁলোকৰ নিষ্ঠা আৰু অমূল্য অৱদানৰ স্বীকৃতি স্বৰূপে এই মাননি প্ৰদান কৰে। আজি অনুষ্ঠিত আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীত অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকি যিকোনো সংকটকালীন পৰিস্থিতিত ফ্ৰণ্টলাইন কৰ্মী হিচাপে সেৱা আগবঢ়োৱা আশা কৰ্মী আৰু শিশুৰ পৰিপুষ্টি নিশ্চিত কৰাৰ দিশত কাম কৰি থকা কৰ্মীসকলক এই সাহায্যই যথেষ্ট অনুপ্ৰেৰণা যোগাব বুলি মন্তব্য কৰে। সভাত তৃণমূল পৰ্যায়ত অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰ সকলে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাক স্বীকাৰ কৰি স্বাস্থ্য ব্যৱস্থা আৰু সমাজৰ মাজত এক গুৰুত্বপূৰ্ণ সংযোগী হিচাপে কাম কৰি অহা এইসকল স্বাস্থ্যকৰ্মীয়ে মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা, নিয়মীয়া প্ৰতিষেধক প্ৰদান, প্ৰতিষ্ঠানিক প্ৰসৱ, পৰিয়াল পৰিকল্পনা, ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত ল’বলগীয়া বিধান, স্বাস্থ্য সজাগতা আৰু বিভিন্ন চৰকাৰী স্বাস্থ্য কাৰ্যসূচীৰ বাবে হিতাধিকাৰী সকলক সংগঠিত কৰাত সহায় কৰাৰ বাবে অভিনন্দন জনোৱা হয়। আশা আৰু আশা ছুপাৰভাইজাৰ সকলক চেক আৰু প্ৰশংসা পত্ৰ বিতৰণ অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, গোলাঘাট পৌৰসভাৰ সভানেত্ৰী,



দুলুমনি বৰবৰা, জিলা আয়ুক্ত, বিশ্বজিৎ ফুকন, অতিৰিক্ত আয়ুক্ত, মণিকা বৰা, অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য) জিণ্টু বৰা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, ডাঃ ৰাজীৱ ৰঞ্জন গগৈ, জিলা সমাজ কল্যাণ বিষয়া, দুদু দত্ত, মহকুমা স্বাস্থ্য বিষয়া, ডাঃ ৰঞ্জিত হাজৰিকা, কমাৰবন্ধা আলী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া, ডাঃ ৰঞ্জন কাকতি, সহকাৰী আয়ুক্ত, অভিলাষ দাস, জিলা তথ্য আৰু জনসংযোগ বিষয়া, হেমাংগ কাশ্যপ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আৰু খণ্ড পৰ্যায়ৰ আঁচনি প্ৰবন্ধক গোটৰ বিষয়া সকল উপস্থিত থাকে। আজিৰ অনুষ্ঠানৰ জৰিয়তে একঁকালীন মাননি আৰু প্ৰশংসাপত্ৰ বিতৰণৰ দ্বাৰা অসম চৰকাৰে জনস্বাস্থ্যৰ প্ৰসাৰৰ ক্ষেত্ৰত আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰ সকলৰ দায়বদ্ধতা, নিষ্ঠা আৰু অক্লান্ত প্ৰচেষ্টাক স্বীকৃতি প্ৰদান কৰিছে।

# সেৱা সংকল্প অভিযানৰ অধীনত দৰঙত আশা-আশা ছুপাৰভাইজাৰসকলক একঁকালীন মাননি-প্ৰশংসা পত্ৰ বিতৰণ



**অসম বাৰ্তা, মঙলদৈ, ১৪ অক্টোবৰ ঃ** তৃণমূল পৰ্যায়ত স্বাস্থ্যসেৱা শক্তিশালী কৰাৰ ক্ষেত্ৰত আশা আৰু আশা ছুপাৰভাইজাৰসকলে আগবঢ়োৱা গুৰুত্বপূৰ্ণ ভূমিকাক আনুষ্ঠানিক স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে ‘সেৱা সংকল্প অভিযান’ৰ অধীনত অসম চৰকাৰ নিৰ্দেশমৰ্মে প্ৰতিখন জিলাত একঁকালীন মাননি আৰু প্ৰশংসা-পত্ৰ বিতৰণ অনুষ্ঠান আয়োজন কৰা হৈছে। সেই অনুসৰি কালি দৰং জিলাতো আয়োজিত হয় তিনিটাকৈ অনুষ্ঠানৰ। মঙলদৈ, ছিপাঝাৰ আৰু দলগাঁও বিধানসভা সমষ্টিত সুকীয়া সুকীয়াকৈ আয়োজিত হয় এই কাৰ্যসূচী। এই অনুষ্ঠানত আশা আৰু আশা ছুপাৰভাইজাৰসকলক তেওঁলোকৰ নিষ্ঠা আৰু অৱদানৰ স্বীকৃতিস্বৰূপে ১, ০০০টকাকৈ একঁকালীন প্ৰেৰণামূলক মাননি আৰু মুখ্যমন্ত্ৰীৰ স্বাক্ষৰিত মান-পত্ৰ প্ৰদান কৰা হয়। তদুপলক্ষে মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ সামূহিক ভৱনত অনুষ্ঠিত অনুষ্ঠানত অসম চৰকাৰৰপশুপালন আৰু পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী তথা মঙলদৈ সমষ্টিৰ বিধায়িকা নীলিমা দেবীয়ে প্ৰশংসাপত্ৰ বিতৰণ কৰে। প্ৰশংসাপত্ৰ বিতৰণ কৰি মন্ত্ৰীগৰাকীয়ে আশা আৰু আশা ছুপাৰভাইজাৰসকলৰ কামক ভূয়সী প্ৰশংসা কৰে। তেওঁ লগতে তেওঁলোকৰ স্বাস্থ্যৰ যতন লবলৈকো আহ্বান জনায়। আনহাতে ছিপাঝাৰ বিধানসভা সমষ্টিৰ অধীনত শ্বহীদ ভৱনত অনুষ্ঠিত অনুষ্ঠানত সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰশংসাপত্ৰ বিতৰণ কৰে। একেদৰে দলগাঁও সমষ্টিৰ বাবে খাৰুপেটীয়াৰ আছাম ক্লাবত অনুষ্ঠিত অনুষ্ঠানটোত বিধায়ক মজিবুৰ ৰহমানে প্ৰশংসাপত্ৰ বিতৰণ কৰে। এই পদক্ষেপৰ জৰিয়তে জিলাখনৰ ১০০৮ গৰাকী আশা আৰু ৭১ গৰাকী আশা ছুপাৰভাইজাৰক চেক আৰু প্ৰশংসাপত্ৰ প্ৰদান কৰা হয়।

বাধ্যতামূলক হ’ব চিচি কেমেৰা, নৈশ স্বেচ্ছাসেৱক

# নগাঁও জিলাৰ পূজা সমিতিলৈ জিলা প্ৰশাসনৰ নিয়মাৱলী

**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ অক্টোবৰ ঃ** নগাঁও জিলাৰ পূজা সমিতি সমূহে চিচি টিভি কেমেৰা স্থাপন কৰিটো বাধ্যতামূলক কৰিছে জিলা প্ৰশাসনে। অলপতে জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত পূজা সমিতি সমূহৰ সৈতে অনুষ্ঠিত এখন সভাত এই কথা সকলোকে স্পষ্ট কৰি দিয়া হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাখনত সমিতি সমূহক অতি শীঘ্ৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজনৰ যাৱতীয় অনুমতিৰ বাবে আবেদন দাখিল কৰিবলৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভিভি ৰাকেশ ৰেড্ডীয়ে আহ্বান জনায়। সমিতিসমূহে পূজাৰ আয়োজনৰ বাবে স্থানীয় চক্ৰ বিষয়া, আৰক্ষী থানা, অসম শক্তি বিতৰণ প্ৰতিষ্ঠান আৰু অগ্নিনিৰ্বাপক বাহিনীৰ পৰা আপত্তি বিহীন প্ৰমাণ পত্ৰ ল’ব লাগিব। তদুপৰি ব্যক্তিগত ভূমিত পূজাৰ আয়োজন কৰিলে ভূমিৰ গৰাকীৰ পৰাও আপত্তিবিহীন পত্ৰ ল’ব লাগিব বুলিও জানিবলৈ দিয়ে অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মাই। তেওঁ সমিতি সমূহৰ কৰণীয় দায়িত্ব আৰু কৰ্তব্যৰ এখন দীঘলীয়া তালিকাৰ বিষয়ে সদৰি কৰি তাৰ ব্যাখ্যাও দাঙি ধৰে। প্ৰতিখন পূজা মণ্ডপত সকলো সময়তে পৰ্যাপ্ত স্বেচ্ছাসেৱক থাকিব লাগিব। বিশেষকৈ নিশাৰ ভাগত কৰ্তব্যত নিয়োজিত স্বেচ্ছাসেৱক সকল মাদকসেৱনকাৰী যাতে নহয় সেই দিশটো লক্ষ্য ৰাখিবলৈ অনুৰোধ জনোৱা হয়। স্বেচ্ছাসেৱক সকলৰ নামৰ তালিকা সংশ্লিষ্ট থানাত দাখিল কৰিবলৈকো কোৱা হৈছে আৰু তেওঁলোকক সমিতিৰ ফালৰ পৰা পৰিচয় পত্ৰৰ প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। এই সম্পৰ্কত পৰৱৰ্তী পৰ্যায়ত চক্ৰ বিষয়াসকলৰ পৰ্যায়তো একোখনকৈ বৈঠক অনুষ্ঠিত হ’ব বুলি জিলা আয়ুক্তই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, নগাঁও জিলাত প্ৰায় ৪১৭খন শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হয়। এই তথ্য সদৰি কৰি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে যে, এই পূজাৰ আয়োজন যাতে শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণ হয় সেই উদ্দেশ্যেই জিলা প্ৰশাসনে সমিতি সমূহৰ সৈতে আজি আলোচনাত মিলিত হয়।

# দৰঙৰ খাটনিয়াপাৰাত সন্দেহযুক্ত নিচাজাতীয় সামগ্ৰীসহ আটক এজনক

**অসম বাৰ্তা, মঙলদৈ, ১৪ অক্টোবৰ ঃ** গোপন খবৰৰ ভিত্তিত দৰং জিলাৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত খাটনিয়াপাৰা গাঁৱত SNৰ DSP বিক্ৰম বৰুৱাৰ নেতৃত্বত আৰু ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তনুজ মাইবংছা, উপ পৰিদৰ্শক প্ৰসন্ন ডেকা সহ আৰক্ষীৰ দল এটাই লোক এজনৰ ঘৰত অভিযান তথা তালাচী চলাই। খটনিয়াপাৰা গাঁৱৰ ইদজাহাৰ আলি ওৰফে বিট্টুৰ বাসগৃহত ধূলা আৰক্ষীয়ে তালাচী অভিযান চলায়। অভিযানকালত বাসগৃহটোৰ পৰা সন্দেহযুক্ত হেৰ’ইন, গাঞ্জা, নিচাজাতীয় ঔষধ আৰু অন্যান্য সামগ্ৰী উদ্ধাৰ কৰি জব্দ কৰে আৰক্ষীয়ে। অভিযানত ১৫টা পুষ্টিকৰ ভায়েলত ২০.১২ গ্ৰাম সন্দেহযুক্ত হেৰইন আৰু এটা চাবোনৰ বাকচত ৭০.০৮ গ্ৰাম সন্দেহযুক্ত হেৰ ইন উদ্ধাৰ কৰা হয়। ইয়াৰ উপৰি ৬০.৮৭ গ্ৰাম সন্দেহযুক্ত গাঞ্জা, Nitcor টেবলেটৰ ৪টা ষ্ট্ৰিপত মুঠ ৪০টা টেবলেট আৰু সন্দেহযুক্ত কডিনযুক্ত কাহৰ ছিৰাপৰ দুটা বটল উদ্ধাৰ কৰা হয়। তালাচীৰ সময়ত নগদ ৫, ০০০ টকা, ১০০টা খালী ভায়েল, দুটা ম’বাইল হেণ্ডছেট, এখন পাছপৰ্ট, এখন PAN কাৰ্ড, এখন ATM কাৰ্ড, এখন বেংকৰ কাৰ্ড, এখন ডাঙৰ খুকুৰী আৰু এটা ছিৰিঞ্জো উদ্ধাৰ কৰা হয় বুলি জানিব পৰা যায়। আৰক্ষীয়ে সকলো সামগ্ৰী সাক্ষীৰ উপস্থিতিত NDPS আইনৰ বিধি অনুসৰি জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে বিটক আটক কৰি আজি মঙলদৈ জেললৈ প্ৰেৰণ কৰে।

# হাউলীৰ দাবালিয়াপাৰাত ৬০০টা ইয়াবা টেবলেটসহ সৰবৰাহকাৰী আটক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৪ অক্টোবৰ ঃ** বৰপেটা জিলাৰ হাউলীৰ দাবালিয়াপাৰাত নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে চলোৱা অভিযানত ৬০০টা ইয়াবা টেবলেটসহ মুনছেৰ আলী শিকদাৰ নামৰ এজন লোকক আটক কৰা হৈছে। আটকাধীন লোকজনৰ ঘৰ হাউলীৰ বৰবাৰীঝাৰ গাঁৱত বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, দাবালিয়াপাৰাত নিচাজাতীয় সামগ্ৰীসহ লোকজনক আটক কৰা হয়। উদ্ধাৰ হোৱা ইয়াবা টেবলেটকেইটাৰ সৈতে জড়িত ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অৱশ্যে, এই পৰ্যন্ত অভিযানৰ সবিশেষ, আটকাধীন লোকজনৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰ আৰু পৰৱৰ্তী আইনী ব্যৱস্থা সম্পৰ্কে বিতং তথ্য জানিব পৰা হোৱা নাই। উল্লেখ্য যে যুৱপ্ৰজন্মক নিচাজাতীয় সামগ্ৰীৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ এনে সামগ্ৰীৰ সৰবৰাহ আৰু ব্যৱহাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়ৰ চিৰিংচাপৰিত “শাৰদী সন্ধিয়া”ত দুৰ্গাপূজাৰ গীত উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ১৪ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ অন্যতম সাংস্কৃতিক গোষ্ঠী ‘সুৰ মন্দিৰ’ৰ প্ৰাঙ্গণত সুমধুৰ গীতমাতেৰে “শাৰদী সন্ধিয়া” উদ্‌যাপন কৰা যায়। অনুষ্ঠানত “উদুলি মুদুলি” শীৰ্ষক দুৰ্গা পূজাৰ গীত এটি উন্মোচন কৰা হয়। ৰঞ্জিতা বৰদলৈৰ কথা আৰু প্ৰশান্ত বৰদলৈয়ে সুৰাৰোপিত কৰা গীতটিত কণ্ঠদান কৰিছে অৰ্পণা অন্বেষা, পুষ্পাঞ্জলি শৰ্মা(ৰিংকি) আৰু প্ৰশান্ত বৰদলৈয়ে। গীতৰ সংগীত সুৰজিত বৰুৱাৰ (ববী)। গীতটি উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° শৰৎ শৰ্মাই কয় যে শ্ৰীশ্ৰী দুৰ্গামাৰ বন্দনাৰে আৰম্ভণি কৰি বিজয়া দশমীত দুৰ্গা মাৰ বিদায়ৰ শোকাকুল নিস্তব্ধ সন্ধিয়ালৈকে গীতটিৰ বৰ্ণনা অপূৰ্বভাৱে হৈছে। কণ্ঠশিল্পী তিনিগৰাকীয়ে সুমধুৰ কণ্ঠ নিগৰাই গীতটি মনপৰশা কৰি তুলিছে। অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটীৰ বিশিষ্ট তবলাবাদক তথা অভিযন্তা ৰক্তিম দত্তৰ লগতে অভিযন্তা তথা জ্ঞান দায়িনী মন্দিৰৰ সচিব প্ৰশান্ত শৰ্মাইও তেওঁলোকৰ অনুভৱক সুন্দৰকৈ ব্যক্ত কৰে। ‘সুৰ মন্দিৰ’ৰ হৈ আৰম্ভণিতে ৰঞ্জিতা বৰদলৈয়ে ‘শাৰদী সন্ধিয়া’লৈ সকলোকে আদৰণি জনাই ধন্যবাদ সূচক মন্তব্য আগবঢ়ায়। “শাৰদী কোমল জোনাক মায়াৰে”- গীতটিৰ সুৰ সমলয়েৰে আৰম্ভ কৰা অনুষ্ঠানটিত অংশগ্ৰহণ কৰে সংগীতশিল্পী ক্ৰমে দেবজিত গগৈ (মইনা), পদুম গোহাঁই, দেবজিত গগৈ (গীটাৰ) আৰু চান্তু কাকতিয়ে। লগতে অনুষ্ঠানটিত বাদ্যযন্ত্ৰত সহযোগ কৰে সংগীত শিল্পী স্বাক্ষৰ শৰ্মা, ৰক্তিম দত্ত, বকুল দাস, শান্তনু বৰঠাকুৰ আৰু পলাশ কাঞ্চনে। বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈৰ বক্তব্যৰ লগতে দৰ্শকৰ অনুৰোধত দুটি গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। সাংস্কৃতিক কৰ্মী আৰু সুৰ মন্দিৰৰ অন্যতম সমন্বয়ক মনোজ কুমাৰ বৰুৱাইআঁত ধৰা ‘শাৰদী সন্ধিয়া’ৰ অন্যতম আকৰ্ষণ আছিল অনাতাঁৰ কণ্ঠশিল্পী জুপিতৰা বৰঠাকুৰ, দোলেন দত্ত, অৰ্পণা অন্বেষা, সম্ভাবী শৰ্মা লগতে পুষ্পাঞ্জলি শৰ্মা (ৰিংকি) আৰু সমীৰণ শৰ্মা।

# গোলাঘাটত তিনি শতাধিক ছাত্ৰীৰ অংশগ্ৰহণেৰে চিপিআৰ আৰু অসামৰিক প্ৰতিৰক্ষা কৌশলৰ প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ১৪ অক্টোবৰ ঃ** আকস্মিক হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱা অৱস্থাত জীৱন ৰক্ষাৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক দক্ষতা প্ৰদানৰ উদ্দেশ্যে ৰটাৰী ক্লাব অৱ গোলাঘাটৰ উদ্যোগত ১২ অক্টোবৰ তাৰিখে গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী গাৰ্লছ মহাবিদ্যালয়ত চিপিআৰ (Cardio pulmonary Resuscitation) প্ৰদৰ্শন আৰু অসামৰিক প্ৰতিৰক্ষা কৌশলৰ এক ব্যৱহাৰিক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। গোলাঘাটৰ অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ (IQAC)ৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত ৩০০ৰো অধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰটাৰী জিলা ৩২৪০ৰ জ’ন ১২ৰ সহকাৰী গৱৰ্ণৰ (AG) ৰটাৰিয়ান ড° মিনুআৰা বেগমে কাৰ্যসূচী উদ্বোধন কৰে। গোলাঘাটৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক (কনিষ্ঠ) দিব্যজ্যোতি বৰা আৰু অৰূপ ভূঞাই প্ৰশিক্ষণ প্ৰদান কৰে। তেওঁলোকে চিপিআৰৰ বিভিন্ন পদ্ধতি সহজ আৰু বোধগম্যভাৱে বুজাই দিয়াৰ লগতে ব্যৱহাৰিক প্ৰদৰ্শন কৰে। অংশগ্ৰহণকাৰী ছাত্ৰীসকলকো হাতে-কামে অনুশীলনৰ সুযোগ দিয়া হয়, যাতে আকস্মিক হৃদযন্ত্ৰৰ জৰুৰীকালীন পৰিস্থিতিত তেওঁলোকে তাৎক্ষণিকভাৱে সঠিক পদক্ষেপ গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱকসকলে অগ্নিকাণ্ড, ভূমিকম্প, বানপানী আৰু বিভিন্ন দুৰ্ঘটনাৰ সময়ত গ্ৰহণ কৰিবলগীয়া সুৰক্ষামূলক ব্যৱস্থাসমূহৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে ব্যৱহাৰিক প্ৰদৰ্শন কৰে। এই কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জীৱন ৰক্ষাকাৰী কৌশলৰ প্ৰসাৰ, দুৰ্যোগৰ সময়ত সজাগতা আৰু জৰুৰীকালীন পৰিস্থিতিৰ মোকাবিলা কৰাৰ সক্ষমতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লগতে, প্ৰতিৰোধমূলক স্বাস্থ্যসেৱা, জনসজাগতা আৰু জৰুৰীকালীন প্ৰস্তুতিৰ ক্ষেত্ৰত ৰটাৰী ক্লাব অৱ গোলাঘাটৰ অব্যাহত সামাজিক দায়বদ্ধতাৰো প্ৰতিফলন ঘটায়। হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ পলাশ সন্দিকৈয়ে আত ধৰা অনুষ্ঠানটিত কলেজখনৰ অধ্যাপক-অধ্যাপিকা সকলৰ লগতে অধ্যক্ষা ডঃ বুলবুলি বৰুৱাই সমগ্ৰ কাৰ্যসূচীটো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় দুৰ্যোগজনিত বিপদাশংকা হ্ৰাস দিৱস পালন

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৪ অক্টোবৰ ঃ** বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত ১৩ অক্টোবৰ তাৰিখে স্বায়ত্তশাসিত মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় দুৰ্যোগজনিত বিপদাশংকা হ্ৰাস দিৱস উপলক্ষে দুৰ্যোগ ব্যৱস্থাপনা আৰু জৰুৰীকালীন সঁহাৰি সম্পৰ্কীয় সজাগতা কাৰ্যসূচী তথা ব্যৱহাৰিক প্ৰশিক্ষণৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত ২০০ৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ My Bharat, বৰপেটাৰ উদ্যোগত, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, বৰপেটা, মাধৱ চৌধুৰী মহাবিদ্যালয় স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ ভূগোল বিভাগ আৰু আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ (IQAC) সহযোগত এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। “নিৰাপদ ভৱিষ্যতৰ বাবে দুৰ্যোগ-সহনশীল সমাজ গঢ়ি তোলা” শীৰ্ষক বিষয়বস্তুৰ আধাৰত অনুষ্ঠিত এই কাৰ্যসূচীত দুৰ্যোগৰ আগতীয়া প্ৰস্তুতি, বিপদাশংকা হ্ৰাস আৰু জৰুৰীকালীন পৰিস্থিতিত ফলপ্ৰসূভাৱে সঁহাৰি জনোৱাৰ ক্ষেত্ৰত সমাজৰ সামূহিক ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (NDRF), অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা বিভাগ তথা বৰপেটাৰ জিলা দুৰ্যোগ সঁহাৰি বাহিনীৰ (DDRF) কৰ্মীসকলে অনুসন্ধান আৰু উদ্ধাৰ অভিযান, জৰুৰীকালীন স্থানান্তৰ, আহত ব্যক্তিৰ প্ৰাথমিক ব্যৱস্থাপনা আৰু ভূমিকম্পৰ সময়ত গ্ৰহণ কৰিবলগীয়া সুৰক্ষামূলক ব্যৱস্থাৰ ওপৰত ব্যৱহাৰিক প্ৰদৰ্শন আগবঢ়ায়। লগতে, আহত ব্যক্তিক সুৰক্ষিতভাৱে উঠোৱা আৰু কঢ়িয়াই নিয়াৰ কৌশল তথা উপযুক্ত উদ্ধাৰ সঁজুলি উপলব্ধ নোহোৱা অৱস্থাত আহত লোকক স্থানান্তৰ কৰাৰ পদ্ধতিৰ বিষয়েও অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ দিয়া হয়। ভূমিকম্পৰ সময়ত সুৰক্ষিত থকাৰ সন্দৰ্ভত অনুষ্ঠিত অধিৱেশনত “Drop, Cover and Hold On” পদ্ধতিৰ বিষয়ে বিতংভাৱে প্ৰদৰ্শন কৰা হয়। এই পদ্ধতিৰ জৰিয়তে ভূমিকম্পৰ সময়ত তললৈ বহি পৰা, মজবুত আশ্ৰয়ৰ তলত সোমাই মূৰ আৰু ডিঙি সুৰক্ষিত কৰা আৰু আশ্ৰয়টো ধৰি ৰখাৰ গুৰুত্ব বুজোৱা হয়। এনে ব্যৱহাৰিক প্ৰশিক্ষণে অংশ গ্ৰহণকাৰীসকলক দুৰ্যোগৰ সময়ত প্ৰয়োজনীয় মৌলিক সুৰক্ষা ব্যৱস্থা আৰু জৰুৰীকালীন সঁহাৰিৰ কৌশলৰ বিষয়ে জ্ঞান প্ৰদান কৰে। কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী, শিক্ষানুষ্ঠান আৰু সমাজৰ স্বেচ্ছাসেৱকসকলৰ দুৰ্যোগ সম্পৰ্কীয় সজাগতা বৃদ্ধি, জনসাধাৰণৰ মাজত প্ৰস্তুতিৰ মানসিকতা গঢ়ি তোলা আৰু দুৰ্যোগ-সহনশীল সমাজ নিৰ্মাণৰ ক্ষেত্ৰত থকা গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰতো আলোকপাত কৰা হয়। বৰপেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই কাৰ্যসূচীটো উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত বৰপেটাৰ জিলা যুৱ বিষয়া, এম চি কলেজ স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ লগতে NDRF আৰু DDRF, বৰপেটাৰ প্ৰতিনিধিসকল উপস্থিত থাকে। এই কাৰ্যসূচীয়ে দুৰ্যোগ সম্পৰ্কীয় সজাগতা বৃদ্ধি, জৰুৰীকালীন পৰিস্থিতিৰ বাবে প্ৰস্তুতি শক্তিশালী কৰা আৰু এখন সুৰক্ষিত তথা দুৰ্যোগ-সহনশীল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত সামূহিক দায়বদ্ধতা বৃদ্ধিৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হয়।

# উৎসৱৰ বতৰৰ পৰিপ্ৰেক্ষিতত বৰপেটা জিলা প্ৰশাসনৰ পথ সুৰক্ষা ব্যৱস্থাৰ ওপৰত পৰ্যালোচনা বৈঠক

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৪ অক্টোবৰ ঃ** বৰপেটা জিলাৰ আয়ুক্ত নবদ্বীপ পাঠকৰ পৌৰোহিত্যত আৰু বৰপেটা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বুধবাৰে জিলা পথ সুৰক্ষা সমিতি (DRSC)ৰ ছেপ্টেম্বৰ মাহৰ এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলাখনত পথ দুৰ্ঘটনা ৰোধ আৰু পথ সুৰক্ষা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে যোৱা মাহত গ্ৰহণ কৰা সংস্কাৰমূলক পদক্ষেপসমূহ এই সভাত পৰ্যালোচনা কৰা হয়। অ’ৈবৰ মাহৰ পৰা ডিচেম্বৰ মাহলৈ চলিবলগীয়া আগন্তুক উৎসৱৰ বতৰত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জিলা আয়ুক্তগৰাকীয়ে দুৰ্গাপূজাৰ পূৰ্বেই ৰূপায়ণ কৰিবলগীয়া আৱশ্যেকীয় পথ সংস্কাৰ আৰু বাকী থকা কাম-কাজসমূহ দ্ৰুতগতিত সম্পূৰ্ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও পথ দুৰ্ঘটনা ৰোধ আৰু যাতায়াত সুৰক্ষিত কৰাৰ বাবে পথৰ ফলক (signages), ব্লিংকাৰ (blinkers), ৰিফ্লেক্টৰ (reflectors) আৰু অন্যান্য সজাগতামূলক ব্যৱস্থা ক্ষিপ্ৰতাৰে সংস্থাপন কৰাত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। বিশেষকৈ উৎসৱৰ সময়ছোৱাত পথচাৰী তথা যাত্ৰীসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰিবলৈ আৰু পথ সুৰক্ষাৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে সংশি-ষ্ট বিভাগসমূহৰ মাজত সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উক্ত সভাত বৰপেটা জিলাৰ অতিৰিক্ত জিলা আয়ুক্তসকল, চক্ৰ বিষয়া সকল, অতিৰিক্ত আৰক্ষী অধীক্ষক, জিলা পৰিবহণ বিষয়া, সহকাৰী আয়ুক্তসকল, ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণ (NHAI)ৰ প্ৰতিনিধি আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

## সম্পাদকীয়

# ক্ৰীড়া, কূটনীতি আৰু সংগ্ৰামী খেলুৱৈৰ সপোন

**ভা**ৰতীয় উদীয়মান ৯ গৰাকী মল্লযুঁজাৰুৰ আমেৰিকাৰ ভিছা নাকচ হোৱা সংবাদটোৱে কেৱল আমাৰ ক্ৰীড়াজগতেই নহয়, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া কূটনীতিৰ প্ৰেক্ষাপটতো এক গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। লাছ ভেগাছত আয়োজিত অনুৰ্ধ-২৩ বিশ্ব মল্লযুদ্ধ চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ সাজু হোৱা ৫ গৰাকী গ্ৰেকো-ৰোমান আৰু ৪ গৰাকী মহিলা মল্লযুঁজাৰুৰ সপোন প্ৰশাসনিক বিসংগতিৰ বাবে ধূলিসাৎ হ'ল। মাৰ্কিন দূতাবাসে খেলুৱৈসকলৰ বয়স ২০ বছৰতকৈ কম আৰু স্থায়ী উপাৰ্জনৰ উৎস বা চাকৰি নাই বুলি যি যুক্তিৰে ভিছা খাৰিজ কৰিলে, সেয়া কোনো কাৰণতে গ্ৰহণযোগ্য বা যুক্তিযুক্ত হ'ব নোৱাৰে।

অনুৰ্ধ-২৩ পৰ্যায়ৰ এক প্ৰতিযোগিতাত খেলুৱৈসকলৰ বয়স ২০ বা তাতকৈ কম হোৱাটো অত্যন্ত স্বাভাৱিক। এই বয়সৰ খেলুৱৈসকল সাধাৰণতে শিক্ষাৰ্থী বা কেৰিয়াৰৰ প্ৰাৰম্ভিক পৰ্যায়ত থাকে, যাৰ বাবে তেওঁলোকৰ নামত কোনো স্থায়ী চাকৰি বা বৃহৎ আৰ্থিক পুঁজি থকাটো সম্ভৱ নহয়। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত খেলুৱৈসকলক পৰিচয় দিয়ে তেওঁলোকৰ ক্ৰীড়া প্ৰতিভা, ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাৰ অনুমোদন আৰু চৰকাৰী প্ৰতিনিধিত্বই— ব্যক্তিৰ ব্যক্তিগত বিত্তীয় স্থিতিয়ে নহয়। এনে অসংগত যুক্তিৰে খেলুৱৈসকলক সুযোগৰ পৰা বঞ্চিত কৰাটো ক্ৰীড়া জগতৰ মূল ভাৱনাৰ সম্পূৰ্ণ পৰিপন্থী।

ঘটনাটোৰ পিছতে ভাৰতীয় মল্লযুদ্ধ ফেডাৰেচনৰ (WFI) সভাপতি সঞ্জয় সিঙে মাৰ্কিন কনছুলেটৰ এই অনমনীয় মনোভাৱক তীব্ৰ ভাষাৰে গৰিহণা দিছে। ফেডাৰেচনে শেষ মুহূৰ্তলৈকে প্ৰচেষ্টা চলোৱা বুলি দাবী কৰিছে যদিও ইয়াত প্ৰশাসনিক তদাৰক আৰু কূটনৈতিক যোগাযোগৰ নাটনি প্ৰকাশ পাইছে। এটা ডাঙৰ বিশ্ব চেম্পিয়নশ্বিপৰ বাবে ভিছা আবেদনৰ প্ৰক্ৰিয়া বহু পূৰ্বৰ পৰাই আৰম্ভ হয়। এনে সম্ভাব্য সমস্যা পূৰ্বানুমান কৰি আগতীয়াকৈ দুয়োখন দেশৰ কূটনৈতিক পৰ্যায়ত কাৰ্যকৰী পদক্ষেপ নললো কিয়— সিয়ো এক গুৰুত্বপূৰ্ণ প্ৰশ্ন।

বাৰম্বাৰ আমেৰিকা বা ইউৰোপৰ বিভিন্ন দেশত অনুষ্ঠিত প্ৰতিযোগিতাত এছিয়া আৰু আফ্ৰিকাৰ উন্নয়নশীল দেশসমূহৰ খেলুৱৈসকলে ভিছা সংক্ৰান্তিয় জটিলতাৰ সন্মুখীন হৈ আহিছে। বিশ্ব মল্লযুদ্ধ সংস্থাই (United World Wrestling) এনে বৃহৎ সন্মিলন আয়োজনৰ বাবে স্থান নিৰ্বাচন কৰোঁতে আয়োজক দেশখনে সকলো প্ৰতিযোগী দেশৰ ক্ৰীড়াবিদক সৰল আৰু নিশ্চিত ভিছা প্ৰদান কৰিবনে নাই— সেয়া আগতীয়াকৈ চৰ্ত হিচাপে বান্ধি দিয়া উচিত। অন্যথা যোগ্য খেলুৱৈসকলৰ বছৰ বছৰ ধৰি কৰা কষ্ট আৰু সপোন প্ৰশাসনিক জটিলতাৰ বাবে নষ্ট হ'ব।

এই ঘটনাই ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বাবে এক ডাঙৰ শিক্ষা। কেৱল খবৰ প্ৰকাশৰ পিছত ক্ষোভ প্ৰকাশ কৰাতেই দায়িত্ব শেষ নহয়। ভৱিষ্যতে যাতে কোনো প্ৰতিভাবান ক্ৰীড়াবিদ এনে প্ৰশাসনিক বৈষম্যৰ চিকাৰ হ'বলগীয়া নহয়, তাৰ বাবে বিদেশত হোৱা বিশ্বপৰ্যায়ৰ মেচসমূহৰ ক্ষেত্ৰত আগতীয়াকৈ 'ফাষ্ট ট্ৰেক' ভিছা ব্যৱস্থাৰ বাবে কূটনৈতিক মেৰপাক ভাঙি এক সুনিৰ্দিষ্ট নীতি প্ৰস্তুত কৰাটো সময়ৰ আহ্বান। ক্ৰীড়াক ৰাজনীতি আৰু আমোলাতান্ত্ৰিক মেৰপেছৰ পৰা মুক্ত ৰাখি উদীয়মান খেলুৱৈসকলৰ অধিকাৰ সুৰক্ষিত কৰাটো সকলো পক্ষৰে দায়িত্ব।

# ড্ৰাগছ বিৰোধী সংগ্ৰামত নতুন নীতিৰ প্ৰয়োজনীয়তা



**অ**সমৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য, বিস্তীৰ্ণ চাহ বাগিচা আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশিৰ মাজত বৰ্তমান এক গভীৰ আৰু নীৰৱ ধুমুহাই গা কৰি উঠিছে, যিয়ে আমাৰ সমাজ জীৱনৰ বৰ্ণিল গাঁথনিটো থানবান কৰি পেলোৱাৰ উপক্ৰম কৰিছে। শেহতীয়া কেইটামান বছৰত ভৌগোলিকভাৱে গুৰুত্বপূৰ্ণ আৰু সাংস্কৃতিকভাৱে চহকী এই ৰাজ্যখন ক্ৰমান্বয়ে ভাৰতবৰ্ষৰ অবৈধ নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চলি থকা সংগ্ৰামৰ এক প্ৰধান যুদ্ধক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে। প্ৰতিদিনে বাতৰি কাকতৰ পৃষ্ঠাত আৰু টেলিভিছনৰ পৰ্দাত নিচাজাতীয় সামগ্ৰী জব্দ হোৱাৰ খবৰে শিৰোনাম দখল কৰা দেখা গৈছে। আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে প্ৰায় প্ৰতি সপ্তাহতেই কোটি কোটি টকাৰ মূল্যৰ অবৈধ নিচাজাতীয় দ্ৰব্য জব্দ কৰিবলৈ সক্ষম হৈছে। যদিও প্ৰশাসনৰ এই কঠোৰ পদক্ষেপসমূহ নিশ্চিতভাৱে প্ৰশংসনীয় আৰু ই চৰকাৰৰ এক দৃঢ় ৰাজনৈতিক সদিচ্ছাৰ প্ৰমাণ দিয়ে, তথাপিও ই আমাৰ সমাজৰ এক অতিশয় উদ্বেগজনক আৰু অন্ধকাৰ দিশো উন্মোচিত কৰিছে। এই বাস্তৱতাই প্ৰমাণ কৰে যে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰে আমাৰ ৰাজ্যৰ যুৱপ্ৰজন্মৰ অপৰিসীম সম্ভাৱনাক নীৰৱে গ্ৰাস কৰি পেলাইছে। নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চলি থকা এই সংগ্ৰামখনৰ এক গভীৰ আৰু সমালোচনাত্মক বিশ্লেষণে এই কথা স্পষ্ট কৰি দিয়ে যে কেৱল মাত্ৰ শাস্তিমূলক ব্যৱস্থা, গ্ৰেপ্তাৰ আৰু কাৰাদণ্ডৰ ওপৰত নিৰ্ভৰ কৰিলে এই সমস্যাৰ স্থায়ী সমাধান সম্ভৱ নহয়। এখন প্ৰকৃত নিচামুক্ত অসম গঢ়িবলৈ হ'লে আমি অপৰাধ আৰু শাস্তিৰ পৰিসৰৰ পৰা বাহিৰলৈ ওলাই আহি এক মানৱীয় আৰু সহানুভূতিশীল পুনৰ্সংস্থাপন তথা সমাজ-পৰিচালিত প্ৰতিৰোধ ব্যৱস্থাৰ দিশত অগ্ৰসৰ হোৱাটো অত্যন্ত জৰুৰী হৈ পৰিছে।

অসমৰ ভৌগোলিক অৱস্থিতি এই সমস্যাৰ অন্যতম এক প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে। ম্যানমাৰৰ সীমান্তৱৰ্তী 'স্বৰ্ণ ত্ৰিভুজ' বা গোল্ডেন ট্ৰায়ংগলৰ পৰা উৎপত্তি হোৱা অবৈধ সৰবৰাহৰ নেটৱৰ্কসমূহে চুবুৰীয়া ৰাজ্য মিজোৰাম, মণিপুৰ আৰু নাগালেণ্ডৰ মাজেৰে অসমত প্ৰৱেশ কৰে। অসমৰ কাছাৰ, কাৰ্বি আংলং আদি জিলাসমূহ এই সৰবৰাহৰ প্ৰধান ট্ৰেনজিট ৰুট বা সৰবৰাহৰ পথ হিচাপে দীৰ্ঘদিন ধৰি ব্যৱহাৰ হৈ আহিছে। পৰৱৰ্তী সময়ত অসমৰ সুচল যাতায়াত ব্যৱস্থা আৰু ঘাইপথসমূহৰ সুযোগ লৈ এই নিচাযুক্ত দ্ৰব্যসমূহ সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰা হয়। শেহতীয়াকৈ জব্দ হোৱা সামগ্ৰীসমূহৰ প্ৰকৃতি বিশ্লেষণ কৰিলে দেখা যায় যে হেৰোইনৰ দৰে পৰম্পৰাগত নিচাজাতীয় দ্ৰব্যৰ উপৰিও বৰ্তমান ৰাজ্যখনত কৃত্ৰিম চাইকোট্ৰপিক টেবলেট, বিশেষকৈ মেথামফেটামিন আৰু য়াবা টেবলেটৰ প্ৰচলন ভয়ানকভাৱে বৃদ্ধি পাইছে। এই কৃত্ৰিম দ্ৰব্যসমূহৰ মূল্য তুলনামূলকভাৱে কম, কঢ়িয়াই নিবলৈ সহজ আৰু ইয়াৰ আসক্তিৰ মাত্ৰা অত্যন্ত বেছি। যাৰ ফলত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু কম বয়সীয়া যুৱক-যুৱতীসকল অতি সহজেই ইয়াৰ কৱলত পৰা দেখা গৈছে। এনে পৰিস্থিতিত কৰ্তৃপক্ষই নিচাযুক্ত দ্ৰব্যৰ এই ৰাসায়নিক নিৰ্ভৰশীলতাৰ সংকটটোক কেনেদৰে মোকাবিলা কৰিব, তাৰ এক মৌলিক আৰু বিজ্ঞানসন্মত পুনৰ্মূল্যায়নৰ প্ৰয়োজন হৈ পৰিছে।

*আৰক্ষীৰ এই শূন্য-সহনশীলতা নীতিয়ে নিশ্চিতভাৱে ড্ৰাগছ মাফিয়া আৰু সৰবৰাহকাৰীসকলৰ মাজত এক সন্ত্ৰাসৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। কিন্তু একে সময়তে বিধানসভাৰ মজিয়াত আৰু সুশীল সমাজৰ সচেতন অংশই এক অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। যদিহে ইমান বৃহৎ সংখ্যক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু কোটি কোটি টকাৰ ড্ৰাগছ নিৰন্তৰভাৱে জব্দ কৰা হৈছে, তেন্তে তৃণমূল পৰ্যায়ত এই ভয়ানক দ্ৰব্যসমূহৰ ব্যৱহাৰ আৰু চাহিদা কিয় আশানুৰূপভাৱে হ্ৰাস পোৱা নাই? ঠিক এইখিনিতেই কেৱল মাত্ৰ শাস্তিমূলক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীলতাৰ সীমাবদ্ধতাসমূহ জলজল-পটপটকৈ স্পষ্ট হৈ পৰে। এজন সাধাৰণ পেডলাৰ বা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিলে যোগান শৃংখলত হয়তো সাময়িকভাৱে কিছু ব্যাঘাত জন্মে, কিন্তু ই ড্ৰাগছৰ প্ৰতি থকা ব্যক্তিসকলৰ মানসিক আৰু শাৰীৰিক চাহিদাক কেতিয়াও একেবাৰে নিৰ্মূল কৰিব নোৱাৰে। অবৈধ ড্ৰাগছৰ ব্যৱসায় ইমানেই লাভজনক আৰু বহুলভাৱে বিস্তৃত যে এজন সৰবৰাহকাৰী জে'ললৈ গ'লে তাৰ স্থান পূৰণ কৰিবলৈ মুহূৰ্তৰ ভিতৰতে আন এজন দুৰ্বৃত্ত সাজু হৈ থাকে।*

ৰাজ্য চৰকাৰ আৰু অসম আৰক্ষীয়ে গ্ৰহণ কৰা শেহতীয়া পৰিসংখ্যা আৰু পদক্ষেপসমূহে এই সংকটৰ ভয়াৱহতা আৰু প্ৰশাসনৰ কঠোৰতা দুয়োটাকে স্পষ্টভাৱে প্ৰতিফলিত কৰে। চৰকাৰী তথ্য অনুসৰি, ২০২১ চনৰ পৰা বৰ্তমানলৈকে অসম আৰক্ষীয়ে এন ডি পি এছ (NDPS) আইনৰ অধীনত ২৫, ৮০০ ৰো অধিক অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এই সময়ছোৱাত ৰাজ্যখনত প্ৰায় ৩, ২৫৩ কোটি টকাৰো অধিক মূল্যৰ অবৈধ নিচাজাতীয় দ্ৰব্য জব্দ কৰা হৈছে। কোটি কোটি য়াবা টেবলেট, লক্ষ লক্ষ বটল নিষিদ্ধ কাহৰ চিৰাপ আৰু বৃহৎ পৰিমাণৰ হেৰোইন জব্দ হোৱাৰ ঘটনাই প্ৰমাণ কৰে যে অসমত ড্ৰাগছৰ এখন বিশাল অবৈধ বজাৰ অতি সক্ৰিয় হৈ আছে। শেহতীয়াকৈ গুৱাহাটীৰ খানাপাৰাকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত অসম আৰক্ষীয়ে চলোৱা ধাৰাবাহিক আৰু নিৰন্তৰ অভিযানসমূহ সঁচাকৈয়ে প্ৰশংসনীয়। আৰক্ষীৰ এই শূন্য-সহনশীলতা নীতিয়ে নিশ্চিতভাৱে ড্ৰাগছ মাফিয়া আৰু সৰবৰাহকাৰীসকলৰ মাজত এক সন্ত্ৰাসৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। কিন্তু একে সময়তে বিধানসভাৰ মজিয়াত আৰু সুশীল সমাজৰ সচেতন অংশই এক অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। যদিহে ইমান বৃহৎ সংখ্যক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু কোটি কোটি টকাৰ ড্ৰাগছ নিৰন্তৰভাৱে জব্দ কৰা হৈছে, তেন্তে তৃণমূল পৰ্যায়ত এই ভয়ানক দ্ৰব্যসমূহৰ ব্যৱহাৰ আৰু চাহিদা কিয় আশানুৰূপভাৱে হ্ৰাস পোৱা নাই? ঠিক এইখিনিতেই কেৱল মাত্ৰ শাস্তিমূলক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীলতাৰ সীমাবদ্ধতাসমূহ জলজল-পটপটকৈ স্পষ্ট হৈ পৰে। এজন সাধাৰণ পেডলাৰ বা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিলে যোগান শৃংখলত হয়তো সাময়িকভাৱে কিছু ব্যাঘাত জন্মে, কিন্তু ই ড্ৰাগছৰ প্ৰতি থকা ব্যক্তিসকলৰ মানসিক আৰু শাৰীৰিক চাহিদাক কেতিয়াও একেবাৰে নিৰ্মূল কৰিব নোৱাৰে। অবৈধ ড্ৰাগছৰ ব্যৱসায় ইমানেই লাভজনক আৰু বহুলভাৱে বিস্তৃত যে এজন সৰবৰাহকাৰী জে'ললৈ গ'লে তাৰ স্থান পূৰণ কৰিবলৈ মুহূৰ্তৰ ভিতৰতে আন এজন দুৰ্বৃত্ত সাজু হৈ থাকে। তদুপৰি, ড্ৰাগছ আসক্ত ব্যক্তিসকলক কেৱল অপৰাধী হিচাপে গণ্য কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ ফলত আমাৰ কাৰাগাৰসমূহত ভিৰ অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। যেতিয়া এজন ড্ৰাগছৰ কৱলত পৰা যুৱকক সাধাৰণ অপৰাধীৰ দৰে কাৰাগাৰত ৰখা হয়, তেতিয়া তেওঁ কাৰাগাৰৰ ভিতৰত থকা দুৰ্ধৰ্ষ অপৰাধীৰ সংস্পৰ্শলৈ অহাৰ সম্ভাৱনা বৃদ্ধি পায়। ফলস্বৰূপে, জে'লৰ পৰা ওলাই অহাৰ পিছত তেওঁ সমাজৰ পৰা অৱহেলিত হয় আৰু পুনৰ অপৰাধ জগতৰ সৈতে জড়িত হৈ পৰাৰ আশংকা প্ৰবল হৈ পৰে। ইয়াৰ দ্বাৰা ব্যক্তিজনৰ জীৱন চিৰদিনৰ বাবে ধ্বংসৰ গৰাহলৈ গুচি যায়। সেয়েহে, ড্ৰাগছ আসক্তিক কেৱল এক নৈতিক স্খলন বা সাধাৰণ আইন-শৃংখলাৰ সমস্যা হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে ইয়াক এক গভীৰ মানসিক আৰু শাৰীৰিক ব্যাধি হিচাপে গ্ৰহণ কৰাৰ সময় আজি সমাগত।



চন্দন কুমাৰ নাথ

চিকিৎসা বিজ্ঞানৰ মতে ড্ৰাগছ আসক্তি হৈছে এক দীৰ্ঘম্যাদী আৰু পুনৰাবৃত্তি ঘটিব পৰা মগজুৰ ৰোগ। ইয়াৰ আঁৰত কেৱল মাত্ৰ কৌতূহল বা বেয়া সংগই নাথাকে, বৰঞ্চ বহু সময়ত গভীৰ মানসিক আঘাত, পাৰিবাৰিক অশান্তি, নিবনুৱা সমস্যা, আৰ্থ-সামাজিক হতাশা আৰু সমনীয়াৰ হেঁচাই মুখ্য ভূমিকা পালন কৰে। এগৰাকী ড্ৰাগছ আসক্ত ব্যক্তিক কেৱল অপৰাধী সজাই শাস্তি প্ৰদান কৰিলে তেওঁৰ মানসিক যন্ত্ৰণা কেতিয়াও লাঘৱ নহয়। তাৰ পৰিৱৰ্তে তেওঁক প্ৰয়োজন হয় উপযুক্ত চিকিৎসা, মৰম আৰু সহানুভূতিৰ। ৰাজ্যখনত ড্ৰাগছ নিৰ্মূল অভিযানক প্ৰকৃত অৰ্থত সফল কৰিবলৈ হ'লে চৰকাৰৰ নীতিসমূহ কেৱল প্ৰতিশোধমূলক নহৈ ই সংস্কাৰমুখী আৰু সহানুভূতিশীল হোৱা উচিত। আমি বুজিব লাগিব যে ড্ৰাগছ ব্যৱসায়ীজন অপৰাধী হ'লেও, ড্ৰাগছ ব্যৱহাৰকাৰী যুৱকজন প্ৰকৃততে এজন ৰোগী, যাক সুস্থ কৰি তোলাটো আমাৰ সমাজৰ সামূহিক দায়িত্ব।

এই দিশত এক সহানুভূতিশীল আৰু বিজ্ঞানসন্মত পুনৰ্সংস্থাপন প্ৰক্ৰিয়াই আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। শেহতীয়াকৈ গুৱাহাটীৰ খানাপাৰাত চলা এক ড্ৰাগছ বিৰোধী অভিযানৰ সময়ত অসম আৰক্ষীয়ে চাৰিজন পেডলাৰক গ্ৰেপ্তাৰ কৰাৰ সমান্তৰালকৈ ১১জন ড্ৰাগছ আসক্ত ব্যক্তিক উদ্ধাৰ কৰি কাৰাগাৰলৈ পঠিওৱাৰ পৰিৱৰ্তে পুনৰ্সংস্থাপন কেন্দ্ৰলৈ প্ৰেৰণ কৰাৰ যি এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া সঁচাকৈয়ে আশাৰ বতৰা কঢ়িয়াই আনিছে। এনে পদক্ষেপে প্ৰমাণ কৰে যে প্ৰশাসনে লাহে-লাহে সমস্যাটোৰ মানৱীয় দিশটোকো অনুধাৱন কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু কেৱল মাত্ৰ ব্যক্তিগত খণ্ডৰ দ্বাৰা পৰিচালিত, নিয়ন্ত্ৰণহীন ড্ৰাগছ নিচামুক্তি কেন্দ্ৰ স্থাপন কৰিলেই এই সমস্যাৰ সমাধান নহয়। এক প্ৰকৃত পুনৰ্সংস্থাপন কেন্দ্ৰত অভিজ্ঞ মনোৰোগ বিশেষজ্ঞ, ক্লিনিকেল চাইক'লজিষ্ট আৰু প্ৰশিক্ষিত সমাজকৰ্মীৰ অহৰহ উপস্থিতি অপৰিহাৰ্য। অসমে ইতিমধ্যে গুৱাহাটী, শিলচৰ, ডিব্ৰুগড় আৰু নগাঁও আদি প্ৰধান চহৰসমূহত অ'পিঅ'ইড চাবষ্টিটিউচন থেৰাপী (OST) কেন্দ্ৰ স্থাপন কৰি এক ইতিবাচক আৰম্ভণি কৰিছে। এই কেন্দ্ৰসমূহে ৰোগীসকলক ড্ৰাগছ প্ৰত্যাহাৰৰ কষ্টকৰ লক্ষণসমূহ নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দিষ্ট ঔষধ প্ৰদান কৰে। তথাপিও, ৰাজ্যখনত চলি থকা ড্ৰাগছ মহামাৰীৰ বিশালতাৰ তুলনাত বৰ্তমানৰ এই আন্তঃগাঁথনি একেবাৰেই পৰ্যাপ্ত নহয়। ৰাজ্য চৰকাৰে এই অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা আন্তঃগাঁথনিৰ দ্ৰুত সম্প্ৰসাৰণ কৰাটো অত্যন্ত জৰুৰী, যাতে উন্নত মানৰ চিকিৎসা সেৱা আৰু বিজ্ঞানসন্মত পুনৰ্সংস্থাপনৰ সুবিধা অসমৰ একেবাৰে ভিতৰুৱা আৰু গ্ৰাম্যাঞ্চলসমূহতো অতি সহজে উপলব্ধ হয়। আনহাতে, এজন ৰোগীৰ শৰীৰৰ পৰা বিষাক্ত পদাৰ্থসমূহ নিৰ্গত হোৱাৰ লগে লগেই পুনৰ্সংস্থাপনৰ প্ৰক্ৰিয়া কেতিয়াও সম্পূৰ্ণৰূপে সমাপ্ত নহয়। সঠিক পৰৱৰ্তী যত্ন বা প'ষ্ট-ৰিহেবিলিটেচন (Post-rehabilitation) ফ'ল'-আপ কাৰ্যসূচীৰ অবিহনে এজন সুস্থ হৈ অহা ব্যক্তি পুনৰ ড্ৰাগছৰ কৱলত পৰাৰ সম্ভাৱনা প্ৰবল হৈ থাকে। সেয়েহে, তেওঁলোকক ধাৰাবাহিক মানসিক পৰামৰ্শ, দক্ষতা বিকাশৰ প্ৰশিক্ষণ আৰু কৰ্মসংস্থাপনৰ উপযুক্ত সুযোগ প্ৰদান কৰিব লাগিব যাতে তেওঁলোকে সমাজত সসন্মানে মূৰ দাঙি থিয় হ'ব পাৰে আৰু নিজৰ হেৰোৱা অৰ্থনৈতিক স্বাধীনতা পুনৰ ঘূৰাই পাব পাৰে। পুনৰ্সংস্থাপন আন্তঃগাঁথনি গঢ়ি তোলাৰ সমান্তৰালকৈ ড্ৰাগছ আসক্তিৰ সৈতে জড়িত হৈ থকা সামাজিক কলংক বা লজ্জাক সমাজৰ পৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰাটো আন এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। আমাৰ বহুতো ৰক্ষণশীল সমাজ ব্যৱস্থাত পৰিয়ালৰ কোনো সদস্য ড্ৰাগছৰ কৱলত পৰিলে সামাজিক বদনাম আৰু এঘৰীয়া হোৱাৰ ভয়ত সেই কথা গোপনে ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰা হয়। এই নীৰৱতাৰ সংস্কৃতি অতিশয় বিপজ্জনক, কিয়নো ই প্ৰাৰম্ভিক অৱস্থাত চিকিৎসা গ্ৰহণ কৰাত বাধা প্ৰদান কৰে আৰু আসক্ত ব্যক্তিজনক মানসিকভাৱে অধিক অকলশৰীয়া কৰি তোলে। চৰকাৰী আৰু বেচৰকাৰী সজাগতা অভিযানসমূহে কেৱল মাত্ৰ ভয় প্ৰদৰ্শন কৰাৰ পৰিৱৰ্তে সমাজত সহানুভূতি আৰু সজাগতা সৃষ্টিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। নিচামুক্ত হোৱাৰ পথত অগ্ৰসৰ হোৱা ব্যক্তিসকলক সমাজে ঘৃণাৰ দৃষ্টিৰে চোৱাৰ পৰিৱৰ্তে তেওঁলোকক মৰম আৰু সন্মানৰ দৃষ্টিৰে গ্ৰহণ কৰিবলৈ শিকিব লাগিব। সমাজৰ এই দৃষ্টিভংগীৰ পৰিৱৰ্তনেহে এজন নিচাসক্ত ব্যক্তিক সুস্থ জীৱনলৈ ঘূৰি আহিবলৈ সাহস প্ৰদান কৰিব পাৰে। শাস্তিমূলক ব্যৱস্থা আৰু চিকিৎসালয়ৰ পুনৰ্সংস্থাপনৰ পাছত নিচামুক্ত অসম গঢ়াৰ আটাইতকৈ শক্তিশালী অস্ত্ৰপাত হৈছে সমাজ-পৰিচালিত বা সম্প্ৰদায়-ভিত্তিক প্ৰতিৰোধ ব্যৱস্থা। আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে হয়তো সীমান্তত ড্ৰাগছৰ সৰবৰাহ সাময়িকভাৱে বন্ধ কৰিব পাৰে, কিন্তু তৃণমূল পৰ্যায়ত এই ভয়াবহ দ্ৰব্যসমূহৰ প্ৰতি থকা মানসিক চাহিদা নিৰ্মূল কৰাৰ মূল দায়িত্ব কেৱলমাত্ৰ সমাজৰ। এখন প্ৰকৃত নিচামুক্ত অসম কেৱল চৰকাৰী কাৰ্যালয় বা বিধানসভাৰ মজিয়াত বহি নিৰ্মাণ কৰিব নোৱাৰি; ইয়াৰ ভেটি আমাৰ প্ৰতিখন বিদ্যালয়, প্ৰতিটো চুবুৰী আৰু প্ৰতিখন ঘৰত অতি সুদৃঢ়ভাৱে গঢ়ি উঠিব লাগিব। গাঁও পঞ্চায়ত, ছাত্ৰ সন্থা, মহিলা সমিতি আৰু স্থানীয় বেচৰকাৰী সংস্থাসমূহে একত্ৰিতভাৱে সজাগতা সৃষ্টিৰ কাম হাতত ল'ব লাগিব। যুৱপ্ৰজন্মক নিচাজাতীয় দ্ৰব্যৰ পৰা সদায় আঁতৰাই ৰাখিবলৈ তেওঁলোকক ক্ৰীড়া, সাংস্কৃতিক অনুষ্ঠান, গঠনমূলক কৰ্মশালা আৰু মানসিক স্বাস্থ্য পৰামৰ্শৰ দৰে ইতিবাচক কামত নিয়োজিত কৰাৰ এক সুস্থ পৰিৱেশ সৃষ্টি কৰিব লাগিব। শিক্ষা ব্যৱস্থাৰ ভিতৰতো ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে সজাগতামূলক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাটো বৰ্তমান সময়ৰ এক অন্যতম প্ৰধান দাবী।

নিচামুক্ত অসমৰ সপোন বাস্তৱায়িত কৰিবলৈ হ'লে আমাক এক সুসংহত, বহুমুখী আৰু মানৱীয় দৃষ্টিভংগীৰ অতি প্ৰয়োজন। আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক ড্ৰাগছ চক্ৰসমূহক সমূলি উৎখাত কৰিবলৈ অসম আৰক্ষীৰ কঠোৰ অভিযানসমূহ অবিৰাম গতিত চলি থকাটো যিদৰে প্ৰয়োজনীয়, ঠিক একেদৰে ড্ৰাগছৰ মেৰপাকত আৱদ্ধ হৈ পৰা হেজাৰ হেজাৰ যুৱক-যুৱতীক সুস্থ জীৱনলৈ ঘূৰাই আনিবলৈ সহানুভূতিশীল চিকিৎসা আৰু সমাজৰ পূৰ্ণ সমৰ্থন সমানেই অপৰিহাৰ্য। ৰাজ্য চৰকাৰৰ ড্ৰাগছ বিৰোধী সংগ্ৰামখনে কেৱল অপৰাধীক শাস্তি দিয়াতেই আৱদ্ধ নাথাকি, ই প্ৰতিগৰাকী আসক্ত ব্যক্তিক আৰোগ্যৰ পথলৈ লৈ যোৱাৰ এখন বহল আৰু নিৰাপদ মঞ্চ হৈ উঠিব লাগিব। অপৰাধৰ বিৰুদ্ধে কঠোৰতা আৰু ভুক্তভোগীৰ প্ৰতি অসীম মমতা, এই দুয়োটা নীতিৰ সফল সংমিশ্ৰণেহে অসমক সঁচাকৈয়ে ড্ৰাগছৰ কৰাল গ্ৰাসৰ পৰা চিৰদিনৰ বাবে উদ্ধাৰ কৰি এক সোণালী আৰু সুস্থিৰ ভৱিষ্যতৰ দিশে অগ্ৰসৰ কৰাব পাৰিব।

# মদ্যপান ঃ সমাজৰ এক অভিশাপ

**মা**নুহৰ জীৱন অতি মূল্যৱান। সুখ-দুখ, আশা-নিৰাশা, হাঁহি-কান্দোনেৰে গঢ় লৈ উঠে মানুহৰ জীৱন। জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজতো মানুহে আগবাঢ়ি যাবলৈ চেষ্টা কৰে। কিন্তু কেতিয়াবা কিছুমান বেয়া অভ্যাসে মানুহৰ জীৱনলৈ অন্ধকাৰ নমাই আনে। তেনে এক ভয়ংকৰ অভ্যাস হৈছে মদ্যপান। বৰ্তমান সময়ত মদ্যপান কেৱল ব্যক্তিগত অভ্যাস হৈ থকা নাই; ই পৰিয়াল আৰু সমাজৰ বাবেও এক গুৰুতৰ সমস্যাৰ ৰূপ লৈছে। বহুতে আনন্দৰ মুহূৰ্তত, বন্ধুৰ প্ৰৰোচনাত অথবা জীৱনৰ দুখ-কষ্ট পাহৰি থাকিবলৈ মদ্যপান আৰম্ভ কৰে। প্ৰথমতে হয়তো তেওঁ ভাবে—'অলপ খালে কি হ'ব?' কিন্তু এই 'অলপ'টোৱেই কেতিয়াবা লাহে লাহে অভ্যাসত পৰিণত হয়। অভ্যাসৰ পৰা আসক্তি আৰু আসক্তিৰ পৰা জীৱনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাৰ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। যি মানুহে এদিন নিজৰ জীৱনৰ সপোন দেখিছিল, পৰিয়ালৰ বাবে সুখৰ ঘৰ এখন গঢ়াৰ আশা কৰিছিল, সেই মানুহজনেই কেতিয়াবা মদৰ আসক্তিৰ বাবে নিজৰ লক্ষ্যৰ পৰা আঁতৰি যায়।

মদ্যপানৰ প্ৰথম আৰু প্ৰধান কু-প্ৰভাৱ পৰে মানুহৰ শৰীৰত। নিয়মিত মদ্যপান কৰিলে যকৃত, হৃদযন্ত্ৰ আৰু মগজুৰ ওপৰত বেয়া প্ৰভাৱ পৰিব পাৰে। স্মৃতিশক্তি দুৰ্বল হোৱা, শৰীৰ দুৰ্বল হোৱা আৰু বিভিন্ন স্বাস্থ্যজনিত সমস্যাই মানুহক জুৰুলা কৰিব পাৰে। দীৰ্ঘদিন ধৰি মদ্যপান কৰি থাকিলে বহু লোক গুৰুতৰ ৰোগত আক্ৰান্ত হয় আৰু চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হয়।

চিকিৎসালয়ৰ বিছনাত পৰি থকা এজন মদাসক্ত ব্যক্তিৰ লগতে তেওঁৰ পৰিয়ালেও যন্ত্ৰণা ভোগ কৰে। চিকিৎসাৰ বাবে ধন লাগে, সময় লাগে আৰু মানসিক শক্তিৰ প্ৰয়োজন হয়। বহু সময়ত পৰিয়ালৰ উপাৰ্জনৰ এটা ডাঙৰ অংশ চিকিৎসাৰ নামত ব্যয় হয়। সেয়েহে মদ্যপানৰ ক্ষতি কেৱল স্বাস্থ্যৰ মাজতে সীমাবদ্ধ নাথাকে; ই পৰিয়ালৰ অৰ্থনৈতিক অৱস্থাতো গভীৰ প্ৰভাৱ পেলায়।

এখন সুখী পৰিয়ালত হাঁহি আৰু শান্তিৰ পৰিৱেশ থকাটো সকলোৱে কামনা কৰে। কিন্তু পৰিয়ালৰ কোনো এজন সদস্য মদৰ আসক্ত হ'লে সেই শান্তিৰ পৰিৱেশ লাহে লাহে নোহোৱা হ'ব পাৰে। সৰু কথাতে কাজিয়া, ভুল বুজাবুজি আৰু অশান্তিৰ সৃষ্টি হয়। স্বামী-স্ত্ৰীৰ সম্পৰ্কত দূৰত্ব বাঢ়ে আৰু পৰিয়ালৰ সদস্যসকলৰ মাজত বিশ্বাস কমি যাব পাৰে। বিশেষকৈ শিশুসকলৰ ওপৰত ইয়াৰ প্ৰভাৱ গভীৰ। ঘৰত সদায় কাজিয়া আৰু অশান্তি দেখিলে শিশুৰ মনত ভয় আৰু দুখৰ সৃষ্টি হয়। তেওঁলোকৰ পঢ়া-শুনাত মনোযোগ কমিব পাৰে আৰু মানসিকভাৱে তেওঁলোক অসুবিধাৰ সন্মুখীন হ'ব পাৰে। অৰ্থাৎ, এজন ব্যক্তিৰ বেয়া অভ্যাসে কেতিয়াবা এটা সম্পূৰ্ণ পৰিয়ালৰ সুখ কাঢ়ি নিব পাৰে।

মদ্যপানৰ আন এটা ডাঙৰ কু-প্ৰভাৱ হৈছে অৰ্থনৈতিক সমস্যা। উপাৰ্জন কৰা ধন যদি মদ কিনাত ব্যয় হয়, তেন্তে পৰিয়ালৰ খাদ্য, শিক্ষা, চিকিৎসা আৰু অন্যান্য প্ৰয়োজনীয় কামৰ বাবে ধনৰ অভাৱ হ'ব পাৰে। সঞ্চয় কমি যায়, ঋণৰ বোজা বৃদ্ধি পায় আৰু লাহে-লাহে পৰিয়ালটো আৰ্থিক সংকটত পৰে। এজন উপাৰ্জনক্ষম ব্যক্তিৰ মদ্যপানৰ অভ্যাসে কেতিয়াবা সন্তানৰ শিক্ষা আৰু পৰিয়ালৰ ভৱিষ্যৎ পৰিকল্পনাতো বাধা সৃষ্টি কৰে। যি ধনেৰে এটি শিশুৰ পঢ়াৰ খৰচ বহন কৰিব পৰা গ'লহেঁতেন, সেই ধন যদি মদ্যপানত খৰচ হয়, তেন্তে তাৰ প্ৰভাৱ কেৱল আজিৰ দিনটোতে নহয়, ভৱিষ্যততো পৰে। মদ্যপানৰ কু-প্ৰভাৱ সমাজতো স্পষ্টভাৱে দেখা যায়। মদ্যপ অৱস্থাত বাহন চলোৱাৰ ফলত পথ দুৰ্ঘটনাৰ আশংকা বৃদ্ধি পায়। কেতিয়াবা মদৰ প্ৰভাৱত মানুহে নিজৰ আচৰণৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই কাজিয়া-বিবাদ বা আন সামাজিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। ফলত এজন ব্যক্তিৰ ভুলে আন বহুজনৰ জীৱনলৈও বিপদ কঢ়িয়াই আনিব পাৰে।

এখন সুস্থ সমাজৰ বাবে সুস্থ, সচেতন আৰু দায়িত্বশীল নাগৰিকৰ প্ৰয়োজন। কিন্তু যেতিয়া বহু লোক মদৰ আসক্তিৰ কবলত পৰে, তেতিয়া সমাজৰ উৎপাদনশীলতা আৰু শান্তিপূৰ্ণ পৰিৱেশ দুয়োটাই ক্ষতিগ্ৰস্ত হয়।

মদ্যপানৰ সমস্যাৰ বাবে মানুহৰ মাজত সজাগতা সৃষ্টি কৰাটোও অতি প্ৰয়োজনীয়। বিদ্যালয়, মহাবিদ্যালয়, সামাজিক সংগঠন, অভিভাৱক আৰু যুৱ সমাজে একেলগে এই ক্ষেত্ৰত কাম কৰিব লাগিব। যুৱ প্ৰজন্মক খেল-ধেমালি, সাহিত্য, সংস্কৃতি, সংগীত আৰু বিভিন্ন সৃষ্টিশীল কামৰ সৈতে জড়িত কৰি তুলিব লাগে।

**লক্ষীৰাম কুৰ্মী**
**শাওঁতলী গোলাঘাট**

# বিশ্ববৰণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ গীতৰ অনন্য বৈশিষ্ট্য আৰু কালজয়ী দিশ

**অ**সমীয়া সমাজ, সংস্কৃতি আৰু সাহিত্যৰ ইতিহাসত ড° ভূপেন হাজৰিকা এক মহীৰুহ। তেখেতৰ গীতসমূহ কেৱল সংগীতৰ একো একোটা পৃষ্ঠা নহয়, বৰঞ্চ অসমৰ জাতীয় জীৱনৰ দাপোণ। ভূপেনদাৰ কালজয়ী সৃষ্টিৰাজি অধ্যয়ন কৰিলে কেইটামান বিশেষ দিশ উজ্জ্বল হৈ পৰে।

ভূপেনদাৰ গীতৰ মূল সুৰেই হৈছে মানৱতা, ভৌগোলিক, সামাজিক বা জাতিগত সীমা অতিক্ৰম কৰি সমগ্ৰ মানৱ সমাজক একসূত্ৰে বান্ধি ৰখাৰ আহ্বান তেখেতৰ গীতত প্ৰতিফলিত হয়। তেখেতৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' ইয়াৰ অন্যতম শ্ৰেষ্ঠ উদাহৰণ। মহাবাহু ব্ৰহ্মপুত্ৰ আছিল ভূপেনদাৰ গীত সৃষ্টিৰ প্ৰধান প্ৰেৰণা। লুইতৰ দুয়োপাৰৰ মানুহৰ জীৱন, সংস্কৃতি আৰু আৱেগ-অনুভূতি তেখেতৰ গীতত জীৱন্ত হৈ উঠিছে। 'মহাবাহু ব্ৰহ্মপুত্ৰ মহা মিলনৰ তীৰ্থ' গীতটোত যদি নদীৰ মোহনীয় ৰূপ প্ৰকাশ পাইছে তাৰ বিপৰীতে জয়ন্ত হাজৰিকাই কণ্ঠদান কৰা 'ব্ৰহ্মপুত্ৰৰ বলিয়া বান' গীতটিত নদীৰ ভয়াবহতাক প্ৰতিফলিত কৰিছে। বিস্তীৰ্ণ পাৰৰে সহসৃজনৰে গীতটিয়ে নদী আৰু মানুহৰ অস্তিত্বৰ ভয়াবহ অথচ নিবিড় ছবিখন সুন্দৰভাৱে অংকিত কৰিছে।

ভূপেনদাৰ সামাজিক দায়বদ্ধতা আৰু তেখেতৰ প্ৰতিবাদী কণ্ঠ বহুতো গীতত প্ৰতিফলিত হৈছে। সমাজৰ দৰিদ্ৰ বিশেষকৈ শোষিত, বঞ্চিত আৰু খাটি-খোৱা মানুহৰ অধিকাৰৰ বাবে তেওঁ গীতৰ জৰিয়তে মাত মাতিছিল। সমাজৰ অন্যায় আৰু বিষমতাৰ বিৰুদ্ধে তেখেতৰ গীত আছিল এক শক্তিশালী প্ৰতিবাদী কণ্ঠ। উদাহৰণ স্বৰূপে আমি ৰাইজ আজি ভাৱৰীয়া, চেনেহীৰ ৰঙা ৰিহা গীতদুটি আঙুলিয়াই দিব পাৰি। লোকসংগীত আৰু আধুনিক সংগীতৰ অপূৰ্ব সংমিশ্ৰণ ভূপেন দাৰ গীতৰ আন এক বৈশিষ্ট্য। অসমৰ থলুৱা লোকসংগীত (বিহু, গোৱালপৰীয়া, কামৰূপী) আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় সুৰৰ সৈতে পাশ্চাত্য আৰু ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ এক সুন্দৰ সমন্বয় তেখেতৰ গীতৰ মাজত দেখিবলৈ পোৱা যায়। ভূপেনদা আৰু জয়ন্ত হাজৰিকা কণ্ঠত প্ৰাণ পোৱা 'চিলিঙৰে মনালিছা লিংদৌ' গীতটিও এটি উৎকৃষ্ট উদাহৰণ। ভূপেনদাৰ একোটা গীত মানেই একোখন পূৰ্ণাঙ্গ উপন্যাস বা নাটকৰ কাহিনী। সৰল শব্দচয়ন আৰু গভীৰ দৰ্শনেৰে তেখেতে এটি কাহিনীৰ সৃষ্টি কৰিব পাৰিছিল। কাহিনী কথন আৰু সাৱলীল কাব্যিকতা ৰ বাবেই এটি এটি গীত কালজয়ী গীতহৈ পৰিছিল 'পৰহি পুৱাতে ৰংমন মাছলৈ গ'ল', ফুটগধুলিতে আদি গীতসমূহে একোটা দৃশ্য শ্ৰোতাৰ মানসপটত স্পষ্টকৈ আঁকি দিয়ে।

আড়ম্বৰপূৰ্ণ বাদ্যযন্ত্ৰৰ পৰিৱৰ্তে কেৱল হাৰম'নিয়াম, বাঁহী আৰু তবলাৰ সৈতে তেখেতৰ গভীৰ, গম্ভীৰ আৰু নাট্যধৰ্মী কণ্ঠই সমগ্ৰ প্ৰেক্ষাগৃহ মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল। ইয়াৰ উপৰিও, প্ৰকৃতি আৰু মানৱীয় প্ৰেমক তেখেতৰ গীতৰ জৰিয়তে এক সুকীয়া উচ্চতালৈ লৈ গৈছিল। ভূপেনদাৰ গীতসমূহ অসমীয়া জাতিৰ এক কালজয়ী সম্পদ, যিয়ে যুগে যুগে আমাক মানৱতা আৰু সমন্বয়ৰ পথ দেখুৱাই থাকিব।

***ধ্ৰুৱজ্যোতি বৰা***
***টটয়া গাঁও, মাজুলী***
***দূৰভাষ ঃ ৬০০১৬৬০৫০১***

কৃতি শিক্ষকৰ বঁটা বা যুৱ লেখকৰ বঁটা কি কি নিয়মৰ ভিত্তিত তাড়নাত গ্ৰহণ কৰিছোঁ। এইক্ষেত্ৰত মোৰ উপাই নাই, কাৰণ মোৰ

**ছাত্ৰ একতা সভাৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত ৯ গৰাকী প্ৰতিনিধিৰ তৃণমূল ছাত্ৰ পৰিষদত যোগদান**

# জনপ্ৰিয় চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ ৰাজনীতিত নতুন মোৰ

**অসম বাৰ্তা, জনীয়া, ১৪ অক্টোবৰ ঃ** বৰপেটাৰ বানিয়াৰাপাৰাৰ ঐতিহ্যমণ্ডিত জনপ্ৰিয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ একতা সভাৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত ৯ গৰাকী প্ৰতিনিধিয়ে তৃণমূল কংগ্ৰেছৰ ছাত্ৰ সংগঠন তৃণমূল ছাত্ৰ পৰিষদ (TMCP)-ত আনুষ্ঠানিকভাৱে যোগদান কৰে। জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ এম নেৰাজুল হকৰ সভাপতিত্বত অনুষ্ঠিত এই যোগদান কাৰ্যসূচীত উপস্থিত থাকে বৰপেটা জিলা তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন উপসভাপতি পাশাণ আলী আৰু বৰপেটা জিলা তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন সাধাৰণ সম্পাদক আজিজুৰ ৰহমানৰ লগতে বানিয়াৰাপাৰাৰ সক্ৰিয় তৃণমূল কংগ্ৰেছ কৰ্মী হবিবৰ ৰহমান। সভাত জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি মহিদুল ইছলাম, সাধাৰণ সম্পাদক ৰাকিবুল হুছেইন, আলোচনী সম্পাদক মাইদুল ইছলাম, খেল আৰু ক্ৰীড়া সম্পাদক ছাকিদুল ইছলাম, সংগীত আৰু সাংস্কৃতিক সম্পাদক শ্বাহিল খান, সমাজ সেৱক সম্পাদক ইনাৰুল হক, তৰ্ক আৰু আলোচনা সম্পাদক জাবেদুল ইছলাম, ছোৱালীৰ কমন ৰুমৰ সম্পাদিকা ৰাছিমা আহম্মেদ আৰু শ্ৰেণী প্ৰতিনিধি ক্ৰমে মঞ্জুৱাৰা খাতুন আৰু নুৰজামাল হকে আনুষ্ঠানিক ভাৱে তৃণমূল ছাত্ৰ পৰিষদত যোগাযোগ কৰে। জানিবলৈ দিয়া মতে তৃণমূল কংগ্ৰেছৰ কাম-কাজ আৰু নীতি, আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ জনপ্ৰিয় চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ একতা সভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা ৯ গৰাকী প্ৰতিনিধিয়ে তৃণমূল ছাত্ৰ পৰিষদত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই যোগদানৰ জৰিয়তে ছাত্ৰ প্ৰতিনিধিসকলে সংগঠনটোৰ সৈতে জড়িত হৈ আগন্তুক দিনত ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা আৰু শিক্ষানুষ্ঠানৰ সৈতে জড়িত বিষয়সমূহত ভূমিকা গ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে শিক্ষানুষ্ঠানত ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা উত্থাপন কৰা, তেওঁলোকৰ অধিকাৰ আৰু স্বাৰ্থৰ হকে মাত মতা তথা শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ ক্ষেত্ৰত ভূমিকা পালন কৰে। এনে পৰিপ্ৰেক্ষিতত ছাত্ৰ একতা সভাৰ ৯ গৰাকী প্ৰতিনিধিৰ তৃণমূল ছাত্ৰ পৰিষদত যোগদানক কেন্দ্ৰ কৰি আগন্তুক দিনত ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধান কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ ৰাজনীতিত কি ধৰণৰ পৰিৱৰ্তন পৰিলক্ষিত হয়, সেয়া সময়ত লক্ষণীয় হ'ব।

**'কংগ্ৰেছৰ শাসনকালত অসম চুক্তিৰ কাম লেহেমীয়া কৰাৰ বাবেই কাৰ্যকৰী হোৱা নাই'**

# জন্ম স্থান গোলাঘাটত অসম গণ পৰিষদৰ ৪২ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

*'আগন্তুক পাঁচ বছৰৰ ভিতৰত খিলঞ্জীয়া সকলো লোকে ৰক্ষা কৱচ লাভ কৰিব' ঃ জিলা সভাপতি ড° নৃপেন বৰুৱা*




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৪ অক্টোবৰ ঃ** ১৯৮৫ চনৰ ১৪ অক্টোবৰ। বহু প্ৰতীক্ষাৰ অন্তত সংগ্ৰাম আৰু আস্থাৰ এক নতুন অধ্যায় আৰম্ভ হৈছিল গোলাঘাটত। ৮৫৫জন শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত দীঘলীয়া সংগ্ৰামৰ অন্তত সেই দিনা গোলাঘাট নগৰত জাতীয়তাবাদী আদৰ্শেৰে আত্মপ্ৰকাশ ঘটিছিল আঞ্চলিকতাবাদী ৰাজনৈতিক দল 'অসম গণ পৰিষদ'ৰ। আঞ্চলিকতাবাদৰ ধ্বজা উৰুৱাই ১৯৮৫ চনত গোলাঘাটতেই জন্ম লাভ কৰা সুদীৰ্ঘ পৰিক্ৰমাৰ অন্তত বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে অসম গণ পৰিষদ চমুকৈ অগপ দলে আজি ৪১ বছৰ অতিক্ৰম কৰি ভৰি দিলে ৪২টা বসন্তত। আঞ্চলিকতাবাদী ৰাজনীতিৰ সৈতে ঐতিহাসিকভাৱে জড়িত গোলাঘাটত আজি অসম গণ পৰিষদৰ ৪২ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে গোলাঘাটস্থিত অগপৰ মুখ্য কাৰ্যালয়ত পুৱা দলীয় পতাকা উত্তোলন কৰে অগপৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ড° নৃপেন বৰুৱাই। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ আৰু শ্বহীদসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে সম্পাদক আছিকুৰ ৰহমান আৰু দলীয় বিষয়ববীয়াসকলে। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাৰ্যালয়ত এখন সভাৰো আয়োজন কৰা হয়। সভাত আঞ্চলিকতাবাদী আন্দোলনৰ সৈতে জড়িত শ্বহীদ পৰিয়ালৰ সদস্যসকলৰ লগতে দলৰ জ্যেষ্ঠ আৰু নিষ্ঠাৱান সদস্য তথা শুভাকাংক্ষীসকল আৰু বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জয়ী হোৱা অসম জাতীয় যুৱ পৰিষদ সমৰ্থিত প্ৰাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। সভাত শ্বহীদসকলৰ ত্যাগ আৰু আঞ্চলিকতাবাদী আদৰ্শৰ প্ৰতি তেওঁলোকৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে দলৰ কৰ্মীসকলে। উল্লেখযোগ্য যে, অসম গণ পৰিষদৰ জন্মস্থান গোলাঘাটত প্ৰতিষ্ঠা দিৱসৰ আয়োজনক লৈ দলটোৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ মাজত বিশেষ উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। দলৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে আঞ্চলিকতাবাদৰ আদৰ্শক আগুৱাই লৈ যোৱাৰ সংকল্প গ্ৰহণ কৰা হয়। এই সম্পৰ্কে জিলা সভাপতি ড° নৃপেন বৰুৱাই কয় অসম গণ পৰিষদ দলৰ জন্ম গোলাঘাটত হৈছিল। আজি ৪২ বছৰত ভৰি দিছে। এই দীঘলীয়া সময়ছোৱাত অসমৰ ১২৬টা বিধানসভা সমষ্টিত যিসকল তৃণমূল পৰ্যায়ৰ কৰ্মীয়ে দলীয় পতাকা উৰুৱাই আমাক এই স্থানত উপনীত কৰালে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ। যিসকলে যি উদ্দেশ্য লৈ প্ৰাণ আহুতি দিছিল তেওঁলোকৰ লক্ষ্য পূৰণ নোহোৱা পৰ্যন্ত অসম গণ পৰিষদ সদায় সংকল্পবদ্ধ হৈ থাকিব। আগন্তুক দিনত নতুন প্ৰজন্মক লগত লৈ প্ৰযুক্তিগত জ্ঞানেৰে ইতিবাচক নীতিৰে অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰা আৰু কেশৱ মহন্তৰ নেতৃত্বত দলটো আগুৱাই যাব। অসম চুক্তিৰ বেছিভাগ দফা কাৰ্যকৰী হ'ল। ইয়াৰ ছয় নং দফা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰ দায়বদ্ধ। বিগত কংগ্ৰেছ দলৰ শাসনকালত লেহেমীয়া কৰাৰ বাবে অসমৰ ৰাইজৰ সন্দেহ হৈছিল যে অসম চুক্তি ৰূপায়ণ হ'ব নে নাই, কিন্তু বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ নেতৃবৃন্দই এই ক্ষেত্ৰত ইতিবাচক দৃষ্টিভংগীৰে আগুৱাই লৈ গৈছে আৰু অলপ কাম কৰিবলগীয়া আছে। আগন্তুক পাঁচ বছৰৰ ভিতৰত খিলঞ্জীয়া লোকসকলে ৰক্ষা কৱচ পাব। আনহাতে এই সম্পৰ্কে অসম গণ পৰিষদ দলৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক আছিকুৰ ৰহমানে কয় আজি অসম গণ পৰিষদ দলৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ এই পবিত্ৰ মুহূৰ্তত অসম আন্দোলনৰ শ্বহীদ, '৮৫ৰ পৰা আজিলৈকে যিসকল জ্যেষ্ঠ দলীয় সতীৰ্থই ইহ সংসাৰ ত্যাগ কৰিলে তেওঁলোকক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। ইয়াৰ উপৰিও যিসকল নিৰ্যাতিত ব্যক্তি আজিও জীয়াই আছে তেওঁলোকলৈ সম্বৰ্ধনা জনাইছোঁ। ছয় বছৰীয়া ঐতিহাসিক অসম আন্দোলনৰ পাছত ১৯৮৫ চনৰ আজিৰ দিনটোতে অসম গণ পৰিষদ দলৰ জন্ম হৈছিল আৰু আজি ৪২ বছৰ বয়সত ভৰি দিলে। আমি গোলাঘাট জিলা সমিতিয়ে কেন্দ্ৰীয় সমিতিয়ে নিৰ্দিষ্ট কৰি দিয়া কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, শ্বহীদ পৰিয়ালক সম্বৰ্ধনা, জেষ্ঠ নেতাকৰ্মী সম্বৰ্ধনা আৰু বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জয়ী হোৱা জয়ী হোৱা সকলক সম্বৰ্ধনা জনোৱা হয় বুলি তেওঁ জানিবলৈ দিয়ে।

# হাজোত অগপৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, হাজো, ১৪ অক্টোবৰ ঃ** হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অসম গণ পৰিষদ সমিতিয়ে আজি হাজোৰ-পতনিস্থিত অগপৰ মুখ্য কাৰ্যালয় পঞ্চতীৰ্থ ভৱনত অসম গণ পৰিষদ দলৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। দিনজোৰা কাৰ্যসূচীৰে আয়োজিত এই অনুষ্ঠানৰ পুৱাৰ ভাগত দলীয় পতাকা উত্তোলন কৰে হাজো-শুৱালকুছি বিধানসভা সমষ্টি সমিতিৰ সভাপতি বলী কলিতাই। ইয়াৰ পিছতে জাতীয় সংগ্ৰামৰ বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধা জনাই শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণৰ অন্তত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে হাজো-শুৱালকুছি সমষ্টিৰ অগপ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস। বিধায়ক গৰাকীয়ে ভাষণ প্ৰসংগত অগপ দলৰ প্ৰাসংগিকতা আৰু জাতীয় সংগ্ৰামৰ শ্বহীদসকলৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰে। ভাষণত তেওঁ অগপ-বিজেপি মিত্ৰজোঁট চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিশদ ব্যাখ্যা দাঙি ধৰে। আনহাতে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি বিধায়ক দাসে দলটোক এটা 'ভ্ৰষ্টাচাৰী দল' বুলি অভিহিত কৰে। সভাত অগপ দলৰ প্ৰতিষ্ঠা কালৰ পৰাই দলৰ লগত ওত: প্ৰোতভাৱে জড়িত হৈ থকা কেইবাগৰাকীও জ্যেষ্ঠ ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানত দলৰ বহুসংখ্যক পৰিষদীয় বিষয়ববীয়া আৰু দলীয় কৰ্মী উপস্থিত থাকে।

*সনাতন ধৰ্মসভাত মঙলদৈ সাহিত্য চ'ৰাৰ ২৫৫ সংখ্যক বৈঠক সম্পন্ন*

# সাহিত্যৰ সুবাসেৰে জীপাল মঙলদৈত শৰতৰ আবেলি

**অসম বাৰ্তা, মঙলদৈ, ১৪ অক্টোবৰ ঃ** বৰ্ষাৰ বিদায়ৰ লগে লগে ধৰালৈ নামি আহিল শৰৎ। শৰৎ মানেই সাহিত্য। শৰতৰ নীলা আকাশ, শুভ্ৰ মেঘৰ লুকাভাকু আৰু আমোলমোল শেৱালিৰ সুবাসৰ নিয়ৰ সিক্ত মনোমোহা আবেলি জীপাল হৈ পৰিল মঙলদৈ। ভুটান পাহাৰৰ পৰা বৈ অহা ঐতিহ্যমণ্ডিত মঙলদৈ নদীৰ তীৰৰ যেন বিয়পিছে সাহিত্যৰ সুবাস। মঙলদৈ সনাতন ধৰ্মসভা প্ৰাংগণত আজি অনুষ্ঠিত হ'ল মঙলদৈ সাহিত্য চ'ৰাৰ ২৫৫ সংখ্যক বৈঠক। সাহিত্য চ'ৰাৰ সভাপতি ভবেন্দ্ৰ চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠক খনি শুভাৰম্ভ কৰে বিশিষ্ট সাহিত্যিক তৰুণ চন্দ্ৰ শৰ্মাৰ হৃদয়স্পৰ্শী মঙ্গলাচৰণেৰে। সম্পাদক মুকুট ৰাজ শৰ্মাৰ বিগত বৈঠকৰ কাৰ্য্যবিৱৰণী পাঠ কৰাৰ পিছতে আৰম্ভ হয় লিখনি পাঠ। যত নবীন প্ৰবীন সাহিত্যিক সকলে নিজ নিজ সৃষ্টিৰ হৃদয়ৰ অনুভৱক শব্দৰ ৰূপ দিয়ে। কবিতাৰ শিতানত অৱসৰপ্ৰাপ্ত দূৰসংযোগ বিষয়া পূৰন্দৰ ডেকাই তেওঁৰ 'সৰা পাতৰ বিননি' কবিতাৰে জীৱনৰ বিষাদ আৰু দৰ্শনিক ফুটাই তুলিলে। অৱসৰী বেংক বিষয়া দেৱ কুমাৰ বৰাৰ কবিতাই শ্ৰোতাৰ মন চুলে। কৃষি বিষয়া ৰমাকান্ত নাথৰ 'যাযাবৰৰ শেষ ঠিকনা', মানৱ অধিকাৰ কৰ্মী ৰামেশ্বৰ শৰ্মাৰ 'সময়ৰ আহ্বান' আৰু জ্যেষ্ঠ নাগৰিক অৰুণ বৰুৱাৰ 'মই কবিতা তোমাৰ চকুত' কবিতাই শৰতৰ আবেলিটোক কাব্যিক কৰি তুলিলে। অনুষ্ঠানত গল্প পাঠৰ মায়াজালেও সকলোকে আৱদ্ধ কৰি ৰাখিলে। বিশিষ্ট সাহিত্যিক লক্ষ্মী শৰ্মাই সামাজিক জীৱনৰ বাস্তৱ ছবি দাঙি ধৰা 'নিৰ্লোভ' গল্প, প্ৰবীণ গল্পকাৰ পবিত্ৰ কুমাৰ শৰ্মাই জীৱনৰ আশা-নিৰাশাৰ কাহিনীৰে 'নজলা চাকিৰ ইতিকথা', যুৱ লেখিকা পপি চহৰীয়াই কল্পনাৰ ৰহণ সনা 'জোনাকী পৰুৱাৰ গোপন বাগিচা' আৰু সাংবাদিক-সাহিত্যিক মুকুট ৰাজ শৰ্মাই সামাজিক জীৱনৰ গোন্ধ থকা 'ভেবাৰঘাটত বৰষুণ' গল্প পাঠ কৰে। আনহাতে কলাইগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা শাশ্বতী শৰ্মাই অসমীয়া সমাজ জীৱনৰ প্ৰাণস্বৰূপ ফকৰা-যোজনা সমূহ সুললিত কণ্ঠে পাঠ কৰি উপস্থিত সকলোকে আপ্লুত কৰে। ফকৰা-যোজনাৰ মাজেৰে তেওঁ আমাৰ আইতাৰ মুখৰ ভাষাৰ মাধুৰ্য আকৌ এবাৰ সোঁৱৰাই দিলে। বৈঠকত বিশিষ্ট সাহিত্যিক পবিত্ৰ কুমাৰ শৰ্মা, পুৰন্দৰ ডেকা, মলয় বৰুৱা, মামণি গোস্বামী, ৰামেশ্বৰ শৰ্মা, অৰুণ বৰুৱা আদি বিশিষ্ট ব্যক্তি সকলে সাহিত্য চৰ্চাৰ প্ৰয়োজনীয়তাৰ ওপৰত সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে অহা ৯ নৱেম্বৰ তাৰিখে মঙলদৈ সাহিত্য চ'ৰাই গৌৰৱোজ্জ্বল ৫০ বছৰত ভৰি দিব। সেই ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱসটি এক বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰাৰ সিদ্ধান্ত বৈঠকত গ্ৰহণ কৰি বৈঠকৰ সামৰণি পৰে।

# বানক্ষতিগ্ৰস্ত চাহ বাগিচাৰ চিকিৎসা আৰু পুনৰুদ্ধাৰ সন্দৰ্ভত আলোচনা; তিনিশৰো অধিক খেতিয়কৰ মাজত ঔষধ বিতৰণ

# গেলেকীত চাহ বৰ্ডৰ উদ্যোগত সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ১৪ অক্টোবৰ ঃ** ভাৰতীয় চাহ বৰ্ডৰ শিৱসাগৰ সং মণ্ডলৰ উদ্যোগত আৰু সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সহযোগত গেলেকীৰ নপাম বাৰুৱতী দেওপানী গোহাঁই নাট্যমন্দিৰত এখন গুৰুত্বপূৰ্ণ সজাগতা সভা সফলতাৰে অনুষ্ঠিত হৈ যায়। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিষ্ণু মহন্তৰ সভাপতিত্বত অনুষ্ঠিত এই সজাগতা সভাত অঞ্চলটোৰ তিনিশৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰে। সভাত মুখ্য অতিথি তথা বিশেষজ্ঞ হিচাপে টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ বিশিষ্ট বিজ্ঞানী ড° আজিজুৰ ৰহমান, চাহ বৰ্ডৰ শিৱসাগৰ জিলা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক শৰবৰী চৌধুৰী গোহাঁই আৰু জিলা উন্নয়ন বিষয়া দেৱজিত বৰা উপস্থিত থাকে। উল্লেখ্য যে, যোৱা ১৯ জুলাইত অঞ্চলটোত হোৱা প্ৰলয়ংকাৰী বানৰ ফলত প্ৰচুৰ ক্ষতিৰ মুখত পৰা চাহ বাগিচাসমূহৰ ৰোগ প্ৰতিৰোধ তথা চিকিৎসা সন্দৰ্ভত আমন্ত্ৰিত বিশেষজ্ঞসকলে খেতিয়কসকলক বিতংভাৱে বুজাই দিয়ে। বানৰ পৰৱৰ্তী সময়ত চাহ গছত দেখা দিয়া বিভিন্ন ৰোগ, কীট-পতংগৰ আক্ৰমণ প্ৰতিৰোধ আৰু উৎপাদন প্ৰক্ৰিয়া পুনৰ স্বাভাৱিক কৰি তোলাৰ উপায় সম্পৰ্কে খেতিয়কসকলক দিহা-পৰামৰ্শ প্ৰদান কৰা হয়। অনুষ্ঠানৰ শেষত উপস্থিত ত্ৰিশতাধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ মাজত চাহ বাগিচাৰ উপযোগীকৈ বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়।

# ইছলাম বস্তিত পথ অৱৰোধেৰে ৰাইজৰ প্ৰতিবাদ

## ডালমিয়া কোম্পানীৰ ট্ৰাকৰ খুন্দাত মাতৃৰ মৃত্যু; পুত্ৰ আহত

**অসম বাৰ্তা, লংকা, ১৩ অক্টোবৰ ঃ** লংকাৰ ইছলাম বস্তিত সোমবাৰে সন্ধিয়া সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ডালমিয়া চিমেণ্ট কোম্পানীৰ এখন ট্ৰাকে এখন বাইক মহতিয়াই নিয়াৰ ফলত বাইকখনত অহা এগৰাকী মাতৃৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে তেওঁৰ পুত্ৰ গুৰুতৰভাৱে আহত হয়। আহত পুত্ৰক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নিহত মহিলাগৰাকীক আচমা বেগম বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, লংকা-উমৰাংছু পথ সংযোগী ইছলাম বস্তিত সংঘটিত হয় এই শোকাৱহ দুৰ্ঘটনাটো। দুৰ্ঘটনাটোৰ পাছতে অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। পৰৱৰ্তী সময়ত ক্ষুব্ধ ৰাইজে ৰোগী কঢ়িওৱা এম্বুলেঞ্চত নিহত মহিলাগৰাকীৰ মৃতদেহ লৈ দুৰ্ঘটনাস্থলীৰ সমীপতে পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ডালমিয়া চিমেণ্ট কোম্পানীৰ গধুৰ যান-বাহনৰ চলাচলক কেন্দ্ৰ কৰি ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি প্ৰকাশ পোৱা পৰিলক্ষিত হয়। ঘটনাৰ খবৰ লাভ কৰি হোজাই জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ লগতে লংকা আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে প্ৰতিবাদকাৰী ৰাইজৰ সৈতে কথা পাতি পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ চেষ্টা চলায়। এই শোকাৱহ দুৰ্ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলোৱাৰ লগতে পথ সুৰক্ষা আৰু গধুৰ যান-বাহনৰ চলাচলক লৈ পুনৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে। অৱশ্যে, দুৰ্ঘটনাটোৰ প্ৰকৃত কাৰণ আৰু এই সন্দৰ্ভত আৰক্ষীৰ পৰৱৰ্তী ব্যৱস্থা সম্পৰ্কে এতিয়ালৈকে সবিশেষ জানিব পৰা হোৱা নাই।

# বৰপেটা চহৰত চলন্ত চৰকাৰী পশু চিকিৎসাৰ বাহনত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৪ অক্টোবৰ ঃ** বৰপেটা চহৰৰ বৰপেটা-হাউলী পথত এখন চলন্ত চৰকাৰী পশু চিকিৎসাৰ ভ্ৰাম্যমাণ বাহনত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। পথটোৰ অসম পেট্ৰ'ল পাম্পৰ সমীপত সংঘটিত এই অগ্নিকাণ্ডত বাহনখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। প্ৰাপ্ত তথ্য অনুসৰি, চলন্ত অৱস্থাতে চৰকাৰী পশু চিকিৎসাৰ ভ্ৰাম্যমাণ বাহনখনত হঠাতে জুইৰ সূত্ৰপাত ঘটে। প্ৰাৰম্ভিকভাৱে যান্ত্ৰিক বিজুতিৰ ফলতে অগ্নিকাণ্ডটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। ঘটনাটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে জুই নিৰ্বাপনৰ বাবে তৎপৰতা অৱলম্বন কৰে। পৰৱৰ্তী সময়ত অগ্নিনিৰ্বাপক বাহিনীৰ লোকো ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। অৱশ্যে, জুই নিৰ্বাপন কৰাৰ পূৰ্বেই বাহনখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। উল্লেখ্য যে, ব্যস্ত পথটোৰ কাষত সংঘটিত এই অগ্নিকাণ্ডই কিছু সময়ৰ বাবে অঞ্চলটোত আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰে।

# নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতা সম্পৰ্কে বিদ্যালয়ৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত সজাগতা অভিযান

**"নিচাৰ পৰা আঁতৰি থাকোঁ, নিজৰ ভৱিষ্যৎ সুৰক্ষিত কৰোঁ- নিচামুক্ত মাজুলী গঢ়ি তোলোঁ"**

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ অক্টোবৰ ঃ** নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতা সম্পৰ্কে শিক্ষাৰ্থীসকলৰ মাজত সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে মহিলা আৰু শিশু বিকাশ বিভাগ, মাজুলীৰ উদ্যোগত মাজুলী জিলা প্ৰশাসন আৰু মাজুলী আৰক্ষী প্ৰশাসনৰ সহযোগত ১২, ১৩ আৰু ১৪ অক্টোবৰ, ২০২৬ ত মাজুলী জিলাৰ নিচাসক্তিৰ প্ৰৱণতা থকা অঞ্চলৰ ৯খন বিদ্যালয়ত বিশেষ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। বিদ্যালয়সমূহৰ নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলক লক্ষ্য কৰি আয়োজন কৰা এই কাৰ্যসূচীত জিলা সমন্বয়ক মনজ্যোতি গোস্বামী আৰু জিলা সহায়ক ৰিবলি ভূঞাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি নিচাযুক্ত দ্ৰব্য সেৱনৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে শিক্ষাৰ্থীসকলক সজাগ কৰে। সজাগতা সভাসমূহত নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত মগজু, হৃদযন্ত্ৰ, হাওঁফাওঁ আৰু শৰীৰৰ অন্যান্য অংগ-প্ৰত্যংগৰ ওপৰত পৰা বিৰূপ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হয়। বিশেষকৈ কিশোৰ-কিশোৰীসকলৰ শাৰীৰিক আৰু মানসিক বিকাশ, স্মৃতিশক্তি, মনোযোগ, সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু শৈক্ষিক জীৱনৰ ওপৰত নিচাসক্তিয়ে পেলাব পৰা নেতিবাচক প্ৰভাৱৰ বিষয়ে আলোকপাত কৰা হয়। বক্তাসকলে শিক্ষাৰ্থীসকলক কু-সংগ, সমনীয়াৰ হেঁচা আৰু নিচাযুক্ত দ্ৰব্যৰ প্ৰলোভনৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। লগতে নিচাযুক্ত দ্ৰব্য সেৱনৰ বিৰুদ্ধে সচেতন সিদ্ধান্ত গ্ৰহণ, সুস্থ জীৱনশৈলী অৱলম্বন, খেল-ধেমালি আৰু সৃষ্টিশীল কাৰ্যকলাপত অংশগ্ৰহণ তথা প্ৰয়োজনৰ সময়ত অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু উপযুক্ত সহায়কাৰী সেৱাৰ সহায় লোৱাৰ গুৰুত্বৰ বিষয়েও অৱগত কৰা হয়। এই অভিযানৰ জৰিয়তে বিদ্যালয় পৰ্যায়তে নিচাসক্তিৰ বিৰুদ্ধে প্ৰতিৰোধমূলক সজাগতা গঢ়ি তোলা, কিশোৰ-কিশোৰীসকলক নিচাযুক্ত দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে সঠিক তথ্য প্ৰদান কৰা আৰু যুৱ প্ৰজন্মক সুস্থ, সুৰক্ষিত তথা দায়িত্বশীল জীৱন যাপনৰ বাবে উৎসাহিত কৰাত গুৰুত্ব আৰোপ কৰা হয়। মহিলা আৰু শিশু বিকাশ বিভাগ, মাজুলীয়ে জিলা প্ৰশাসন আৰু মাজুলী আৰক্ষী প্ৰশাসনৰ সহযোগত ৰূপায়ণ কৰা এই পদক্ষেপে নিচামুক্ত সমাজ গঢ়াৰ দিশত বিদ্যালয়, পৰিয়াল আৰু সমাজৰ সামূহিক দায়বদ্ধতাৰ বাৰ্তা প্ৰচাৰ কৰে।

# ডিব্ৰুগড়ত সাংস্কৃতিক মহাসভা অসমৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**শিল্পীক সম্বৰ্দ্ধনা লগতে দুটা শাখাত হ'ব চিত্ৰাংকন প্ৰতিযোগিতা**

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ অক্টোবৰ ঃ** অসমৰ ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ প্ৰসাৰ আৰু ঐতিহ্য সংৰক্ষণৰ লক্ষ্যৰে আগবঢ়া সাংস্কৃতিক মহাসভা, অসমৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হ'ব। ডিব্ৰুগড়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত ১ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত জিলা খনৰ কেইবাগৰাকীও শিল্পীক সম্বৰ্ধনা জনোৱা হ'ব। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন আৰু সাংস্কৃতিক মহাসভা অসমৰ প্ৰতিষ্ঠাপক সভাপতি শঙ্কৰ দাস, প্ৰতিষ্ঠাপক সম্পাদক প্ৰধান বদন শৰ্মা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, সঙ্গীত সূৰ্য জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি তৰ্পণৰ পিছতে শিশুসকলৰ সৃজনশীল প্ৰতিভা বিকাশৰ উদ্দেশ্যে জিলা ভিত্তিত এখনি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জিলা ভিত্তিত আয়োজিত এই প্ৰতিযোগিতাখন দুটা শাখাত বিভক্ত কৰা হৈছে। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ 'ক' শাখা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ 'খ' শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখাৰ প্ৰতিযোগীসকলে নিজৰ প্ৰিয় এপাহ ফুল আৰু 'খ' শাখাৰ প্ৰতিযোগীসকলে সাংস্কৃতিক মহাসভা, অসমৰ প্ৰতীক চিহ্ন অংকন কৰিব লাগিব। ইয়াৰ পিছতে মুকলি সভা আৰু নিশালৈ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। অনুষ্ঠিত মুকলি সভাতে বিজয়ী প্ৰতিযোগী সকলক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে অংশগ্ৰহণ কৰা প্ৰতিগৰাকীকে একোখন মানপত্ৰ প্ৰদান কৰা হ'ব। এই অনুষ্ঠানৰ জৰিয়তে সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু নৱপ্ৰজন্মৰ মাজত সাংস্কৃতিক চেতনা জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হ'ব বুলি জানিবলৈ দিছে জিলা সমিতিৰ প্ৰচাৰ সম্পাদক আৰিফা বেগমে।

# বুঢ়াদৈ চপৰা, কেন্দুগুৰিত গাঞ্জা জব্দ; মহিলাসহ গ্ৰেপ্তাৰ ২

**অসম বাৰ্তা, পাথৰিঘাট, ১৪ অক্টোবৰ ঃ** ছিপাঝাৰ সমষ্টিৰ পশ্চিম দৰঙৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত বুঢ়াদৈ চপৰা আৰু কেন্দুগুৰি গাঁৱত গাঞ্জাসহ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে দুজন ব্যক্তিক। ছিপাঝাৰ আৰক্ষীৰ অভিযানত জালত পৰে অবৈধ গাঞ্জা বেপাৰী দুজন। ছিপাঝাৰ থানা, বুঢ়া আৰু পাথৰিঘাট আৰক্ষী চকীয়ে যুটীয়াভাৱে চলাইছিল নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান। বুঢ়াদৈ চপৰাৰ আজিৰ ৰহমানৰ ঘৰৰ পৰা প্ৰায় ৬ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিছে অভিযানকাৰী আৰক্ষীয়ে। আজিৰ ৰহমানে দীৰ্ঘদিনৰ পৰা গাঞ্জাৰ বেপাৰ কৰি অহাৰ অভিযোগ উঠিছে। উদ্ধাৰ হোৱা গাঞ্জাখিনিৰ বজাৰ মূল্য আনুমানিক প্ৰায় ৩ লাখ টকা। আনহাতে কেন্দুগুৰিতো গাঞ্জাসহ আটক এগৰাকী মহিলাক। যশোদা কলিতা নামৰ মহিলাগৰাকীৰ ঘৰৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে প্ৰায় ২ কিলোগ্ৰাম গাঞ্জা। গাঞ্জাখিনিৰ বজাৰ মূল্য আনুমানিক প্ৰায় ১ লাখ টকা হ'ব বুলি অনুমান কৰিছে।

## চিজেপিৰ দুজন নেতা ন্যায়িক

অভিহিত কৰি বিৰোধী দল-সংগঠনসমূহে প্ৰতিবাদ সাব্যস্ত কৰিছে। কংগ্ৰেছে আৰক্ষীৰ কাৰ্যক তীব্ৰ সমালোচনা কৰাৰ লগতে ইয়াক গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰাৰ চেষ্টা বুলি মন্তব্য কৰিছে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে এই গ্ৰেপ্তাৰক লৈ চৰকাৰক সমালোচনা কৰে। তেওঁ কয়, "শান্তিপূৰ্ণ প্ৰতিবাদত যন্তৰ-মন্তৰত ৰাষ্ট্ৰীয় পতাকা উৰুৱাটো অপৰাধ নহয়। ইয়াৰ বাবে যুৱকসকলক জে'লত ভৰোৱাটো কাপুৰুষৰ কাম।" তেওঁ লগতে উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, সাংবাদিক আৰু ইণ্ডিয়া ব্লকৰ বিভিন্ন বেনাৰৰ লোক একে কাৰণতে একত্ৰিত হৈছে। প্ৰতিজন নাগৰিকে নিজৰ সাংবিধানিক অধিকাৰৰ দাবী জনাইছে বুলি কৈ ৰাহুলে কয়, "যন্তৰ-মন্তৰ ভাৰতৰ জনসাধাৰণৰ। আমি ইয়াক পুনৰ উদ্ধাৰ কৰিম।" ৰাহুল গান্ধীয়ে আৰক্ষী কৰ্মীসকলৰ প্ৰতিও মন্তব্য কৰি কয়, "মই আৰক্ষী কৰ্মীসকলক মৰমেৰে ক'ব বিচাৰিছো-ছাত্ৰ-ছাত্ৰীসকলে যাতে ভিডিঅ' ৰেকৰ্ডিং কৰি প্ৰমাণ ৰাখে। সেই ভিডিঅ' আমালৈ প্ৰেৰণ কৰক। এই সমগ্ৰ বিষয়ৰ অন্তত আমি প্ৰমাণ ব্যৱহাৰ কৰিম আৰু যিসকলক শাস্তি দিয়াৰ প্ৰয়োজন, তেওঁলোকক শাস্তি দিয়া হ'ব।" চিজেপি নেতাসকলৰ সমৰ্থনত ডিএমকেৰ মুৰব্বী এম কে ষ্টেলিনে চৰকাৰক সকীয়নি দিয়ে। তেওঁ কয় যে যিমানেই প্ৰতিবাদকাৰীক আটক কৰা হ'ব, সিমানেই সাধাৰণ নাগৰিক ৰাজপথলৈ ওলাই আহি ৰাইজৰ প্ৰকৃত শক্তি দেখুৱাব। এক্সত দিয়া পোষ্টত ষ্টেলিনে লিখে, "এই চৰকাৰে কিমান প্ৰতিবাদকাৰীক আটক কৰিব ? কিমান যুৱসমাজৰ কণ্ঠৰুদ্ধ কৰিব ? যিমানেই যুৱক-যুৱতীক জে'লত ভৰাই দিয়া হ'ব, সিমানেই অৰাজনৈতিক লোক ৰাজপথলৈ ওলাই আহিব।" তেওঁ আশুতোষ ৰাংকা আৰু সৌৰভ দাসক ডিএমকেৰ পৰা প্ৰয়োজনীয় আইনী সহায় আৰু সমৰ্থন প্ৰদানৰ আশ্বাস দিয়ে। আম আদমি পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালেও চিজেপি নেতাসকলক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰাৰ ঘটনাক লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰে। এক্সত তেওঁ লিখে, "নিজৰ দেশত নিজৰ ৰাষ্ট্ৰীয় পতাকা উৰুওৱা অপৰাধ নেকি ? এয়া একেবাৰে হাস্যকৰ।" এই ঘটনাৰ প্ৰতি প্ৰতিক্ৰিয়া জনাই অভিজিৎ দীপকেও চৰকাৰৰ সমালোচনা কৰে। তেওঁ কয় যে যদি চৰকাৰে মতানৈক্যক চেপি ধৰিবলৈ ইমানেই দৃঢ়প্ৰতিজ্ঞ, তেন্তে কাপুৰুষ কৌশলৰ আঁৰত লুকাই নাথাকি আনুষ্ঠানিকভাৱে জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ সাহস দেখুওৱা উচিত। ইপিনে, চিজেপি নেতা অজিংক্য সিন্দেয় অভিযোগ কৰে যে একনায়কত্ববাদী মোদী-শ্বাহ চৰকাৰে নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি দেশৰ জনসাধাৰণৰ মৌলিক অধিকাৰ খৰ্ব কৰিবলৈ আৰম্ভ কৰিছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয়, "আশুতোষ, সৌৰভ দাস আৰু মই চিজেপিৰ স্বেচ্ছাসেৱকসকলৰ সৈতে যন্তৰ-মন্তৰলৈ গৈছিলো। আমি কেৱল ভাৰতৰ জাতীয় পতাকা লৈ 'ভাৰত মাতা কি জয়' শ্ল'গান দিছিলো। ইয়াৰ বাবেই একনায়কত্ববাদী চৰকাৰে সৌৰভ আৰু আশুতোষক পাঁচ দিনৰ বাবে জে'ললৈ প্ৰেৰণ কৰিছে।" তেওঁ লগতে কয়, "আজি আশুতোষৰ জন্মদিন আছিল। জন্মদিনত 'ভাৰত মাতা কি জয়' শ্ল'গান দি জাতীয় পতাকা উৰুওৱাৰ বাবেই তেওঁক জে'ললৈ পঠিওৱা হৈছে। এই চৰকাৰে ক্ষমতাৰ অপব্যৱহাৰ কৰি জনসাধাৰণৰ মৌলিক অধিকাৰ খৰ্ব কৰিছে।" সেয়ে তেওঁ সকলোকে এই একনায়কত্ববাদী চৰকাৰৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ আহ্বান জনায়। চৰকাৰে যদি ভাবে যে দুজন নেতাক পাঁচ দিনৰ বাবে জে'ললৈ পঠিয়াই দিলে তেওঁলোকে ভয় খাব, তেন্তে সেয়া সম্পূৰ্ণ ভুল বুলি অজিংক্য সিন্দেয় মন্তব্য কৰে।

## নিশা ১০ বজাৰ পিছত লাউডস্পীকাৰ বন্ধ

প্ৰায় ৬০০খন হ'ব। এই বিশাল উৎসৱৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। উৎসৱৰ দিনকেইটাত নিশা ১০ বজাৰ পিছত কোনো পূজা মণ্ডপতে উচ্চপ্ৰাবল্যৰ মাইক বা ছাউণ্ড চিষ্টেম বজাব নোৱাৰিব। ইয়াৰ উপৰি প্ৰতিটো পূজা মণ্ডপত চিচিটিভি আৰু অগ্নিনিৰ্বাপক ব্যৱস্থা থকাটো বাধ্যতামূলক কৰা হৈছে। মণ্ডপত ভিৰ নিয়ন্ত্ৰণৰ বাবে পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ-প্ৰস্থানৰ পৃথক পথ ৰাখিব লাগিব আৰু ৰাতিলৈকে পূজা কমিটীয়ে পৰ্যাপ্ত স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব।" উৎসৱৰ সময়ত হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি ৰোধ কৰিবলৈ মণ্ডপসমূহত সাধাৰণ পোছাকত আৰক্ষী নিয়োজিত থাকিব বুলিও আৰক্ষী বিষয়াগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে মহানগৰীৰ অলি-গলিত নিশা আৰক্ষীৰ বিশেষ বাইক পাৰ্টি আৰু পাপা পাৰ্টিৰ টহলৰ ব্যৱস্থা থাকিব। যানজঁট নিয়ন্ত্ৰণৰ বাবে প্ৰতিটো পইণ্টত যান-বাহন আৰক্ষী মোতায়েন কৰা হ'ব বুলি তেওঁ জনায়। আনহাতে সুৰাপায়ী চালকৰ বিৰুদ্ধে আৰক্ষী এইবাৰ কঠোৰ হ'ব বুলিও যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে উল্লেখ কৰে। একেদৰে সকলোকে যান-বাহন আইন মানি চলিবলৈ আহ্বান জনাই তেওঁ কয় যে বাইক চালক আৰু আৰোহীয়ে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক। ইফালে প্ৰতিমা বিসৰ্জনৰ সন্দৰ্ভত যুটীয়া আৰক্ষী আয়ুক্তজনে কয় যে এইবাৰ পাণ্ডু আৰু লাচিত ঘাটত প্ৰতিমা বিসৰ্জনৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চুণচালি ঘাটতো বিসৰ্জনৰ ব্যৱস্থা কৰাৰ সন্দৰ্ভত প্ৰশাসনে আলোচনা চলাই আছে। বিসৰ্জনৰ সময় ৰাহি কৰিবলৈ এইবাৰ ব্ৰহ্মপুত্ৰৰ ঘাটত বিশেষ ৰেলিং পদ্ধতি ব্যৱহাৰ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইতিমধ্যে আৰক্ষী প্ৰশাসনে সমগ্ৰ প্ৰক্ৰিয়াটো সুকলমে পৰিচালনা কৰিবলৈ অগ্নিনিৰ্বাপক বাহিনী আৰু শক্তি বিভাগৰ সৈতেও প্ৰয়োজনীয় বৈঠক সম্পন্ন কৰিছে।

## সৌৰভ ৰাজপুত হত্যাকাণ্ডত

নিষ্ঠুৰ আছিল। এই কাণ্ড হঠাতে সংঘটিত হোৱা নাছিল; বৰঞ্চ ই পূৰ্বপৰিকল্পিতভাৱে কৰা অপৰাধ আছিল। ৰায় প্ৰদান কৰি ন্যায়াধীশে মহাভাৰত আৰু গীতাৰ প্ৰসংগ টানি ৰাজধৰ্মৰ কথা উল্লেখ কৰে। প্ৰতিপক্ষই অভিযুক্তসকলক ৰক্ষা কৰিবলৈ যথেষ্ট চেষ্টা চলাইছিল যদিও অপৰাধৰ গুৰুত্বলৈ লক্ষ্য কৰি ন্যায়ালয়ে ৰাজধৰ্ম পালন কৰে। হত্যাকাণ্ডৰ পিছত মৃতদেহৰ অংগবোৰ বিচ্ছিন্ন কৰা হৈছিল। অভিযুক্ত চাহিলে মৃত সৌৰভৰ মূৰ নিজৰ ঘৰলৈও লৈ গৈছিল। অপৰাধৰ ধৰণ-কৰণলৈ চাই শাস্তি মৃত্যুদণ্ড হোৱা উচিত বুলি ন্যায়াধীশে মত প্ৰকাশ কৰে। উচ্চতম ন্যায়ালয়ৰ গোচৰৰ উদ্ধৃতি দি অধিবক্তা বিজয় বাহাদুৰে এই গোচৰত মৃত্যুদণ্ডৰ দাবী জনাইছিল। ৰায় ঘোষণাৰ সময়ত মৃত সৌৰভৰ মাতৃ ৰেণু আৰু ভাতৃ বাবলু আদালতত উপস্থিত আছিল। জিলা ন্যায়াধীশ অৰবিন্দ কুমাৰ মিশ্ৰৰ আদালতে সৌৰভ ৰাজপুতৰ পত্নী মুস্কান ৰাস্তোগী আৰু তাইৰ প্ৰেমিক চাহিল শুক্লাক দোষী সাব্যস্ত কৰে। আদালতে এই ঘটনাক অতি নৃশংস বুলি অভিহিত কৰি কয় যে এনে অপৰাধে সমাজত গভীৰ আৰু নেতিবাচক প্ৰভাৱ পেলায়। আদালতে স্পষ্ট কৰি দিয়ে যে অভিযুক্ত দুজনে কৰা অপৰাধ ক্ষমা কৰিব নোৱাৰি; দোষীক কঠোৰ তথা দৃষ্টান্তমূলক শাস্তি দিব লাগে। এই চাঞ্চল্যকৰ গোচৰ প্ৰায় ৱৰ পৰা ৰছ মাহ ধৰি চলিছিল। ইয়াত মুঠ ১২৬টা শুনানি অনুষ্ঠিত হৈছিল। বিচাৰ বিভাগে ২২জন মূল সাক্ষীক উপস্থাপন কৰিছিল, যাৰ সাক্ষ্যই অভিযুক্তৰ দোষ প্ৰমাণ কৰিছিল। হত্যাৰ লগতে প্ৰমাণ ধ্বংস আৰু লুকুৱাই ৰখাৰ অপৰাধতো আদালতে দুয়োকে দোষী সাব্যস্ত কৰে। ৰায়ৰ পিছত সৌৰভৰ মাতৃ ৰেণু দেৱীয়ে কয়, "আজি মনত শান্তি পাইছোঁ। দুয়োকে মৃত্যুদণ্ড দিয়াত আমি অতি সন্তুষ্ট। আমি ন্যায় পাইছোঁ। আমি আমাৰ অধিবক্তা, সহকৰ্মী আৰু কৰ্মচাৰীসকলৰ প্ৰতি কৃতজ্ঞ আৰু তেওঁলোকৰ ওচৰত ঋণী হৈ থাকিম।" উল্লেখ্য, ২০২৫ চনৰ মাৰ্চ মাহত মীৰাটৰ ব্ৰহ্মপুৰী আৰক্ষী থানাৰ অন্তৰ্গত এটা অঞ্চলত প্ৰেমিক চাহিল শুক্লাৰ সৈতে মিলি মুস্কান ৰাস্তোগীয়ে স্বামী সৌৰভ ৰাজপুতক নিৰ্মমভাৱে হত্যা কৰে। পিছত সৌৰভৰ মৃতদেহ টুকুৰা-টুকুৰ কৰি নীলা ৰঙৰ ড্ৰামত ভৰাই চিমেণ্টেৰে পুতি ৰাখিছিল। হত্যাকাণ্ডৰ পিছত ঘৰত তলা লগাই মুস্কানে প্ৰায় দহদিন ধৰি প্ৰেমিক চাহিল শুক্লাৰ সৈতে হিমাচলত কটায়। কিন্তু শেষত চাহিল আৰু মুস্কান ধৰা পৰে।

## ১১.৪০ লাখ ৰে'লৱে কৰ্মচাৰীলৈ ৭৮ দিনৰ

১১,৪০,৭৭০ গৰাকী ৰে'লৱে কৰ্মচাৰীক ৭৮ দিনৰ কৰ্মক্ষমতা-ভিত্তিক বোনাচ প্ৰদানৰ অনুমোদন দিছে। উৎসৱৰ সময়তো দিনে-নিশাই কৰ্তব্যৰত থকা কৰ্মচাৰীসকললৈ এই বোনাচ আগবঢ়োৱা হৈছে। এই বাবদ মুঠ প্ৰায় ২,০০৯ কোটি টকা ব্যয় হ'ব। ৰে'লৱে বিভাগত চলি থকা নিযুক্তি প্ৰক্ৰিয়াৰ বিষয়েও মন্ত্ৰী বৈষ্ণৱে উল্লেখ কৰে যে বৃহৎ পৰিসৰত নিযুক্তি চলিছে। প্ৰায় ১,৬৫, ০০০ খালী পদৰ কথা ঘোষণা কৰা হৈছে আৰু সেই পদসমূহৰ বাবে পৰীক্ষাসমূহো চলি আছে। কেবিনেট বৈঠকত গ্ৰামোন্নয়ন বিভাগৰ ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী অব্যাহত ৰখাৰ সিদ্ধান্তও লোৱা হয়। এই কাৰ্যসূচী ২০২৬-২৭ৰ পৰা ২০৩০-৩১লৈকে অৰ্থাৎ আগন্তুক পাঁচ বছৰৰ বাবে চলিব। ইয়াৰ বাবে মুঠ ৫৩, ৪২৮ কোটি টকা ব্যয় কৰা হ'ব। এই আঁচনিৰ জৰিয়তে দেশৰ ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৩.২০ কোটি হিতাধিকাৰীয়ে লাভান্বিত হ'ব। ধনখিনি প্ৰধানমন্ত্ৰী সামাজিক সাহায্য যোজনা, প্ৰধানমন্ত্ৰী বৃদ্ধাৱস্থা পেঞ্চন যোজনা, প্ৰধানমন্ত্ৰী বিধৱা পেঞ্চন যোজনা, প্ৰধানমন্ত্ৰী দিব্যাংগজন পেঞ্চন যোজনা আৰু প্ৰধানমন্ত্ৰী পৰিয়াল লাভ যোজনাত ব্যয় কৰা হ'ব। ক্ষুদ্ৰ, মজলীয়া আৰু নতুন উদ্যোগৰ বাবে পুঁজিৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰি কেবিনেটে ঔদ্যোগিক বিকাশ বেংক অৰ্থাৎ ঢড্ডটুটৰ কৌশলগত পুনৰ্গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰী বৈষ্ণৱে কয় যে MSME খণ্ডক শক্তিশালী কৰিবলৈ ঢড্ডটুটত কৌশলগত অংশীদাৰ বাছনি কৰা হৈছে। এই অংশীদাৰিত্বৰ জৰিয়তে নতুন পুঁজিৰ সঞ্চাৰ হ'ব আৰু ভাৰতৰ বিত্তীয় সেৱা খণ্ডলৈ আটাইতকৈ ডাঙৰ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ পথ মুকলি হ'ব। তেওঁ লগতে জনায় যে পুনৰ্গঠিত প্ৰতিষ্ঠানত ভাৰত চৰকাৰ আৰু এলআইচিৰ যুটীয়াভাৱে ৩৪ শতাংশ অংশীদাৰিত্ব থাকিব। এই অংশীদাৰিত্ব ধৰি ৰখাৰ ফলত দুয়োৰে হাতত থকা শ্বেয়াৰৰ মূল্য যথেষ্ট বৃদ্ধি পাব। IDBI আৰু বিত্তীয় সেৱা খণ্ডলৈ নতুন পুঁজি অহাৰ লগতে ক্ষুদ্ৰ উদ্যোগ, নতুন উদ্যোক্তা, সেৱা খণ্ডত প্ৰৱেশ কৰা লোক আৰু ব্যৱসায় সম্প্ৰসাৰণ কৰিব বিচৰা ব্যক্তিসকলৰ বাবে নতুন বিকাশৰ সুযোগ সৃষ্টি হ'ব।

## আজি বিতৰণ হ'ব নিযুত মইনা, নিযুত বাবু আঁচনিৰ

অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক প্ৰদ্যুৎ বৰদলৈকে ধৰি আন কেইবাগৰাকী বিধায়কেও অংশগ্ৰহণ কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক ৮০০ টকাকৈ, স্নাতক ছাত্ৰীসকলক ৰ, ২৫০ টকাকৈ, স্নাতকোত্তৰ আৰু বি.এডৰ ছাত্ৰীসকলক ২, ৫০০ টকাকৈ, লগতে পলিটেকনিকৰ ছাত্ৰীসকলক ৮০০ টকাকৈ প্ৰদান কৰা হ'ব। একেদৰে নিযুত বাবু আঁচনিৰ অধীনত স্নাতক ছাত্ৰসকলক ১, ০০০ টকাকৈ আৰু স্নাতকোত্তৰ ছাত্ৰসকলক ২, ০০০ টকাকৈ প্ৰদান কৰা হ'ব। এইদৰে প্ৰথম কিস্তিৰ চেক বিতৰণৰ জৰিয়তে আঁচনিৰ হিতাধিকাৰী ছাত্ৰ-ছাত্ৰীসকলক প্ৰথম পৰ্যায়ৰ আৰ্থিক সহায় প্ৰদান কৰা হ'ব।

## ডিব্ৰুগড়ত বিধানসভাৰ দ্বিতীয় চৌহদ পৰিদৰ্শন

প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে অৱগত হয় আৰু নিৰ্মাণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পত সঠিক পৰিকল্পনা, বিভাগীয় সমন্বয় তথা নিৰ্মাণৰ গুণগত মান অক্ষুণ্ণ ৰখাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ নিৰ্দেশ দিয়ে যে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰতে প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিব লাগিব। এই চৌহদত মূল বিধানসভা ভৱন, বিধায়ক আৱাস, ৮০০ আসনৰ প্ৰেক্ষাগৃহকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সা-সুবিধা থাকিব। লগতে মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগক আহ্বান জনায় যে চৌহদৰ স্থাপত্যে গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ মৰ্যাদা প্ৰতিফলিত কৰাৰ লগতে প্ৰগতিশীল অসমৰ আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব লাগে। ইয়াৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই খনিকৰত নিৰ্মীয়মান মাল্টি স্পৰ্টছ কমপ্লেক্স পৰিদৰ্শন কৰে আৰু কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ ক্ৰীড়া আন্তঃগাঁথনিৰ মান অক্ষুণ্ণ ৰাখি নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। ভৱিষ্যৎ প্ৰজন্মৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকশাই তোলাৰ উপযোগীকৈ এই ক্ৰীড়া প্ৰকল্প অত্যাধুনিকভাৱে গঢ়ি তুলিবলৈও তেওঁ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে।

## মৰাণ-মটক জনগোষ্ঠীৰ প্ৰতিনিধিৰ সৈতে

যোৱাৰ সুযোগ পোৱাটো প্ৰয়োজনীয় বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। ডিব্ৰুগড়ত অনুষ্ঠিত এই দুখন বৈঠকত মৰাণ আৰু মটক জনগোষ্ঠীৰ চহকী ঐতিহ্য সংৰক্ষণ, তেওঁলোকৰ আৰ্থ-সামাজিক উন্নতি, শৈক্ষিক অগ্ৰগতি আৰু ৰাজ্যৰ উন্নয়ন যাত্ৰাত অংশগ্ৰহণৰ বাবে অধিক সুযোগ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ছটা মৰাণ সংগঠন আৰু পাঁচটা মটক সংগঠনৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। এই আলোচনাত সম্প্ৰদায়সমূহৰ সামাজিক, শৈক্ষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশ সম্পৰ্কীয় একাধিক বিষয় উত্থাপন হয়। লগতে তেওঁলোকৰ মূল চিন্তা, আকাংক্ষা আৰু দাবীসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত অনুসূচিত জনজাতিৰ মৰ্যাদাৰ দাবী, নিজ নিজ সম্প্ৰদায় পৰিষদৰ নিৰ্বাচন, শৈক্ষিক সুযোগ, চিকিৎসা মহাবিদ্যালয়ৰ আসন, ক্ৰীড়া উন্নয়ন আৰু তেওঁলোকৰ সামগ্ৰিক কল্যাণৰ সৈতে জড়িত অন্যান্য বিষয়সমূহ আলোচনাৰ অন্তৰ্ভুক্ত কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে দুয়োটা সম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে তেওঁলোকৰ আকাংক্ষাসমূহ যথাযথভাৱে বিবেচনা কৰাৰ প্ৰতি দায়বদ্ধ হৈ আছে। তেওঁ সম্প্ৰদায়ৰ প্ৰতিনিধিসকলৰ সৈতে স্থায়ীভাৱে পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু আশ্বাস দিয়ে যে চৰকাৰে মৰাণ আৰু মটক সংগঠনসমূহৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি যাব। অগ্ৰাধিকাৰৰ ভিত্তিত তেওঁলোকৰ উদ্বেগসমূহ সমাধানৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত অৱস্থিত দ্বিতীয় বিধানসভা চৌহদ আৰু খনিকৰ মাল্টি স্প'ৰ্টছ কমপ্লেক্সৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। এই সময়ত তেওঁ কাৰ্যবাহী সংস্থাসমূহক গুণগত মান অক্ষুণ্ণ ৰাখি নিৰ্মাণ কাৰ্য ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। দ্বিতীয় বিধানসভা চৌহদ পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে প্ৰকল্পৰ বিভিন্ন উপাদান সম্পৰ্কে অৱগত হয় আৰু বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ নিৰ্ধাৰিত সময়সীমা ৩০ মাহ যদিও তেওঁ কাৰ্যকৰী দলটোক গুণগত মানৰ লগত আপোচ নকৰাকৈ কাম ত্বৰান্বিত কৰি সময়মতে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই চৌহদত মূল বিধানসভা ভৱন, বিধায়ক হোষ্টেল, ৮০০জন অতিথি বহিব পৰাকৈ প্ৰেক্ষাগৃহ আৰু অন্যান্য অত্যাৱশ্যকীয় সা-সুবিধা থাকিব। আগন্তুক প্ৰগতিশীল অসমৰ আকাংক্ষাক প্ৰতিফলিত কৰাৰ সমান্তৰালকৈ এই চৌহদে গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ উচ্চতা আৰু মৰ্যাদাও প্ৰকাশ কৰাটো নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। ইয়াৰ পিছত মুখ্যমন্ত্ৰী শৰ্মাই খনিকৰ মাল্টি স্প'ৰ্টছ কমপ্লেক্সৰ নিৰ্মাণ কাৰ্যও পৰিদৰ্শন কৰে আৰু ইয়াৰ অগ্ৰগতি পৰ্যালোচনা কৰে। উন্নত মান বজাই ৰাখি নিৰ্মাণ ত্বৰান্বিত কৰাৰ লগতে সময়োপযোগীভাৱে সম্পূৰ্ণ কৰিবলৈ তেওঁ কাৰ্যকৰী সংস্থাটোক নিৰ্দেশ দিয়ে। তেওঁ আঙুলিয়াই দিয়ে যে এই ক্ৰীড়া সুবিধাই অসমৰ বাবে এক স্থায়ী সম্পদ হিচাপে কাম কৰিব লাগে। লগতে ভৱিষ্যত প্ৰজন্মক প্ৰশিক্ষণ, পাৰদৰ্শিতা আৰু উচ্চ পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ সুযোগ প্ৰদান কৰিব লাগে।

## অপপ্ৰচাৰ আৰু ষড়যন্ত্ৰৰ বিৰুদ্ধে ক্ষোভ

গোচৰটোক লৈ বিভিন্ন পক্ষৰ পৰা চলি থকা বুলি অভিযোগ কৰা অপপ্ৰচাৰ আৰু ষড়যন্ত্ৰৰ বিৰুদ্ধেও তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। তেওঁ প্ৰশ্ন কৰিছে, সমগ্ৰ অসমবাসী কিয় 'অসম পৰিয়াল' বা 'জুবিন পৰিয়াল' হ'ব নোৱাৰে ? জুবিন গাৰ্গে প্ৰতিগৰাকী অসমীয়াক নিজৰ বুলি গণ্য কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে জুবিনৰ ন্যায়ৰ যুঁজ কেৱল তেওঁৰ পৰিয়ালৰ দায়িত্ব বুলি ভবা উচিত নহয়। বৰঞ্চ অসমৰ প্ৰতিগৰাকী লোকেই এই পৰিয়ালৰ সদস্য হৈ ন্যায়ৰ দাবীত আগবাঢ়ি আহিব লাগে। গৰিমাৰ মতে, জুবিন পৰিয়ালতকৈ ৰাইজৰ মাজত শিল্পীগৰাকীৰ স্থান অধিক বিস্তৃত আৰু ৰাইজৰ সন্মিলিত শক্তি অধিক প্ৰভাৱশালী। সেয়েহে তেওঁ প্ৰশ্ন কৰে, কেইটামান অসৎ শক্তিৰ বিৰুদ্ধে সমগ্ৰ অসমৰ ঐক্যবদ্ধ শক্তিয়ে জয়লাভ কৰিব নোৱাৰিবনে ? গোচৰটোক লৈ বিভিন্ন পক্ষই বেলেগ বেলেগ ভাষ্য প্ৰচাৰ কৰা বুলি অভিযোগ কৰি গৰিমাই কয় যে পৰিয়ালটোক হতাশ আৰু দুৰ্বল কৰাৰ লগতে জুবিন গাৰ্গৰ ভাবমূৰ্তি কলংকিত কৰাৰ প্ৰয়াস চলিছে। পৰিয়াল, অনুৰাগী, শিল্পীগৰাকীক ভালপোৱা লোক আৰু সংবাদকৰ্মীক অপমান কৰাৰ বিষয়টোতো তেওঁ ক্ষোভ প্ৰকাশ কৰে। পোষ্টটোত গৰিমাই স্পষ্ট কৰি দিয়ে যে তেওঁলোক অপৰাধী নহয় আৰু কোনো অপবাদলৈ তেওঁ ভীতিগ্ৰস্ত নহয়। জুবিন গাৰ্গে তেওঁক দিয়া বিশেষ স্বীকৃতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে নিজৰ পৰিচয় আৰু সত্যৰ বিষয়ে তেওঁ অৱগত। তেওঁ লগতে উল্লেখ কৰে যে তেওঁলোকে কোনো নিৰ্দোষী ব্যক্তিক কষ্ট দিব বিচৰা নাই। অভিজ্ঞ তদন্তকাৰী বিষয়াৰ জৰিয়তে আইনী প্ৰক্ৰিয়া অনুসৰি প্ৰকৃত দোষীৰ শাস্তিহে তেওঁলোকৰ কাম্য। 'ন্যায় আমাৰ প্ৰাপ্য। আমাক ন্যায় লাগিবই' বুলি দৃঢ় স্থিতি প্ৰকাশ কৰি গৰিমাই প্ৰশ্ন কৰে, ন্যায্য বিচাৰ বিচৰাৰ ক্ষেত্ৰত ইমান আপত্তি আৰু ষড়যন্ত্ৰ কিহৰ বাবে ? উল্লেখ্য, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটোক লৈ ন্যায়ৰ দাবী আৰু তদন্তৰ অগ্ৰগতিক কেন্দ্ৰ কৰি ৰাজ্যজুৰি চৰ্চা অব্যাহত আছে। বিশেষকৈ অমৃতপ্ৰভাৰ জামিনৰ পিছত জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত ৰাজ্যবাসী পুনৰ সৰব হৈ উঠিছে।

## কংগ্ৰেছক সকীয়নি দি যোৰহাটত বিজেপিৰ

এই সমদলত হাজাৰ হাজাৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। জিলাখনৰ জ্যেষ্ঠ-কনিষ্ঠ নেতৃত্বৰ লগতে মন্ত্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী সুশান্ত বৰগোহাঁই, ৰামেশ্বৰ তেলী আদিয়েও সমদলত যোগ দিয়ে। জানিব পৰা মতে, সমদলখন যোৰহাট ষ্টেডিয়ামৰ পৰা আৰম্ভ হয়। ইয়াৰ পিছত কৰ্মীসকলে চহৰৰ বিভিন্ন পথেদি আগবাঢ়ি যায়। সেই সময়ত 'ভাৰত মাতা কি জয়', 'বিজেপি জিন্দাবাদ', 'নৰেন্দ্ৰ মোদী জিন্দাবাদ', 'হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ', 'ৰাহুল গান্ধী গ'বেক', 'কংগ্ৰেছ গ'বেক' আদি শ্ল'গানত পথৰ পৰিৱেশ মুখৰিত হৈ পৰে। পথ প্ৰদক্ষিণৰ অন্তত সমদল পুনৰ ষ্টেডিয়ামত উপস্থিত হয়। সমদলত অংশ লৈ মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে কিছু লোকে দেশখন দুৰ্বল কৰাৰ ষঞ্জযন্ত্ৰ ৰচিছে। তেওঁ মন্তব্য কৰে, দিল্লীত নাটকৰ জৰিয়তে ভাৰতীয় শাসন ব্যৱস্থা আৰু ন্যায় ব্যৱস্থাক ভয় খুৱাবলৈ যি চেষ্টা চলিছে, তাক প্ৰতিৰোধ কৰা হ'ব। তেওঁ লগতে কয় যে অসম তথা ভাৰতৰ জনতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আছে। তেওঁ দাবী দোহাৰে যে এছআইআৰ অতি প্ৰয়োজনীয়, আৰু বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিবই লাগিব। আনহাতে, মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে কয় যে কংগ্ৰেছকে ধৰি অপশক্তিবিলাকে ভাৰতক দুৰ্বল কৰাৰ লগতে গণতন্ত্ৰকো দুৰ্বল কৰাৰ চেষ্টা চলাইছে। সেই চেষ্টাৰ বিৰুদ্ধে তেওঁলোক দৃঢ়তাৰে থিয় দিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতক বিশ্বশক্তি হিচাপে নেতৃত্ব দি আছে, সেয়ে ঘৰুৱা শত্ৰুৱে আজি বিৰোধিতা কৰিছে। বিজেপিৰ কৰ্মীসকলে মোদীৰ শক্তিশালী নেতৃত্বৰ সমৰ্থনত সমদলত নামিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ পুনৰ দাবী কৰে, এছআইআৰ লাগিবই আৰু বিদেশীৰ নাম কৰ্তন হ'ব লাগিব। ইপিনে, এই সমদলৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে যে অসমবাসী সদায় দেশৰ কল্যাণৰ পক্ষত থাকে। বিজেপি সূত্ৰৰ মতে,জন জাগৰণ সমদলত জনতাৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে দলটোৰ প্ৰতি ৰাইজৰ আস্থা প্ৰকাশ কৰিছে। দলীয় নেতৃত্বই দাবী কৰে, দেশৰ স্থিতিশীলতা বিনষ্ট কৰাৰ বিৰোধী শিবিৰৰ ষড়যন্ত্ৰ কেতিয়াও সফল নহ'ব।

## অখিল গগৈৰ প্ৰতিবাদক

কৰা হোৱা নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে হোৱা এক গোপন বুজাবুজিৰ বাবেহে অখিল গগৈয়ে এই প্ৰতিবাদৰ নাটক ৰচনা কৰিছে। তেওঁ ক্ষোভেৰে প্ৰশ্ন কৰে যে ৰাজ্যখনত তেওঁৰ জনপ্ৰিয়তা আৰু চৰ্চা অখিল গগৈতকৈ বহুত বেছি, তেন্তে সংবাদ মাধ্যমে অখিল গগৈৰ প্ৰতিবাদক ইমান গুৰুত্ব কিয় দিছে? উল্লেখ্য, উজনি অসমৰ সহস্ৰাধিক বানপীড়িত পৰিয়ালক ক্ষতিপূৰণ আৰু এককালীন সাহায্য প্ৰদানৰ দাবীত বিধায়ক অখিল গগৈয়ে বিগত কেইবাদিনো ধৰি ধাৰাবাহিক সত্যাগ্ৰহ কাৰ্যসূচী চলাই আহিছে। চৰকাৰৰ উদাসীনতাৰ বিৰুদ্ধে তেওঁ আমৰণ অনশনৰ হুংকাৰো দিছিল। ঠিক তেনে সময়তে নীলমণি সেনডেকাৰ এই তীক্ষ্ণ আৰু বিস্ফোৰক মন্তব্যে ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চৰকাৰ বিৰোধী আন্দোলনক 'ফ্লপ' আৰু 'মেকিং' বুলি অভিহিত কৰা এই মন্তব্যৰ পাছত অখিল গগৈ বা ৰাইজৰ দলৰ তৰফৰ পৰা কেনে প্ৰতিক্ৰিয়া আহে, সেয়া এতিয়া লক্ষণীয় হ'ব।

## মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাৰ অন্তত অখিল

ভংগ কৰিব। মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাৰ পিছত তেওঁ ধৰ্মঘট প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি কাইলৈ পুৱা ৭ বজাত নিৰ্ধাৰিত সত্যাগ্ৰহ কাৰ্যসূচী আনুষ্ঠানিকভাৱে ভংগ কৰা হ'ব। জানিব পৰা মতে, বিধায়ক অখিল গগৈয়ে চলাই থকা এই ধৰ্মঘটক লৈ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা হয়। এই আলোচনাৰ অন্তত তেওঁ ধৰ্মঘট প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লয়। সেয়ে বৃহস্পতিবাৰে পুৱা ৭ বজাত সত্যাগ্ৰহ ভংগ কৰা হ'ব বুলি জানিব পৰা গৈছে। ইতিমধ্যে উজনি অসমৰ বান সাহায্যক লৈ চৰকাৰৰ সৈতে আলোচনা আগবাঢ়িছে। এই আলোচনা অব্যাহত থকাৰ মাজতে বিধায়ক গগৈয়ে ধৰ্মঘট প্ৰত্যাহাৰৰ সিদ্ধান্ত লোৱাটো উল্লেখযোগ্য বুলি বিবেচনা কৰা হৈছে।

## ধেমাজিত অগপৰ ৪২ সংখ্যক কেন্দ্ৰীয়

অনুসৰি পুৱা ১০.০০ বজাত অগপ কেন্দ্ৰীয় সমিতিৰ সভাপতি অতুল বৰাই পতাকা উত্তোলন কৰে। পুৱা ১০.১৫ বজাত কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই শহীদ তৰ্পণ মুকলি কৰে। পুৱা ১০.৩০ বজাত ৰাজ্যসভা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই সতীৰ্থ সোঁৱৰণ মুকলি কৰে। দিনৰ ১১.৩০ বজাত অগপ কেন্দ্ৰীয় সমিতিৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ সঞ্চালনাত ছয়চ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাখন উদ্বোধন কৰি বৰপেটা লোকসভা সমষ্টিৰ সাংসদ তথা জ্যেষ্ঠ নেতা ফণীভূষণ চৌধুৰীয়ে কয় যে জাতীয়তাবাদ কেৱল এটা শ্ল'গান নহয়; ই অসমৰ আত্মা। অগপৰ ৰাজনীতি জাতিটোক সুৰক্ষিত কৰাৰ ৰাজনীতি। ভৱিষ্যতৰ দিনত জাতিটোক জীয়াই ৰখাৰ সকলো ৰণকৌশল প্ৰস্তুত কৰি সমস্যা এটা এটাকৈ সমাধান কৰি যোৱাৰ উদ্দেশ্যে অগপে মিত্ৰতাৰ মাজেৰে অসমীয়া জাতি তথা অসমীয়া ভাষা-সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ প্ৰয়াস অব্যাহত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। মুকলি সভাত ধেমাজিৰ বিধায়ক তথা শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগুৱে অগপ দল আৰু জাতীয়তাবাদৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাত অগপ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজ্যসভা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই তত্ত্বগধুৰ ভাষণ দি ৮৫৫ গৰাকী শহীদক শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে দলৰ নেতা-কৰ্মীসকলক উৎসাহিত কৰে। মুকলি সভাত অসম চৰকাৰৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক দীপক দাস, বজালী সমষ্টিৰ বিধায়ক ধমেশ্বৰ ৰায়, চিচিবৰগাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈ, অগপ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি অপূৰ্ব ভট্টাচাৰ্য, কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তোলন কোঁৱৰ, প্ৰাক্তন বিধায়ক তথা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পোনাকণ বৰুৱা, ধেমাজি পৌৰসভাৰ সভাপতি দীপৰেখা দাসবাগ্ৰী, উপ-সভাপতি বিপ্লৱ কোঁৱৰ, আদৰণি সমিতিৰ সভাপতি কমল দাস, লক্ষীধৰ শেনচোৱা, জ্যেষ্ঠ অগপ নেতা বিমলেন্দু সিংহ, কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ তোলাৰাম গগৈ আৰু কস্তুৰী চুতীয়া, সাধাৰণ সম্পাদক ক্ৰমে আক্ৰাম হুছেইন, সুনীল ডেকা, ড° তপন দাস, জ্যোতিমণি মৰানকে ধৰি অগপ কেন্দ্ৰীয় সমিতিৰ বহু নেতা উপস্থিত থাকে। সন্ধিয়া ৬.০০ বজাত বন্তি প্ৰজ্জ্বলন অনুষ্ঠিত হয়। ইয়াত অগপ, অমপ, অযুপ ধেমাজি জিলা সমিতি, ধেমাজি, চিচিবৰগাঁও আৰু জোনাই সমষ্টি সমিতিৰ সমূহ কাৰ্যকৰ্তাই সহযোগ কৰে। অগপৰ ৪২ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ এই কাৰ্যসূচীত পাঁচ হাজাৰৰো অধিক নেতা-কৰ্মী উপস্থিত থাকে।

## শিৱসাগৰত ত্ৰিপাক্ষিক বৈঠক বিফল ঃ বানপীড়িতক ২

সেনা অসমে বিভিন্ন পৰ্যায়ত আন্দোলন আৰু আলোচনা চলাই আহিছে। সেই ধাৰাবাহিকতাৰে বুধবাৰে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চুকাফা সভাকক্ষত ত্ৰিপাক্ষিক বৈঠকখন অনুষ্ঠিত হয়। কিন্তু বৈঠকত কোনো স্পষ্ট সমাধান নোলাল। ফলত সংগঠনটোৱে পুনৰ অ'এনজিচিৰ বিৰুদ্ধে তীব্ৰ অসন্তোষ প্ৰকাশ কৰে। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত শৃংখল চলিহাই কয়, "আলোচনা হৈছে, কিন্তু অ'এনজিচিয়ে বানপীড়িতক ৭৫ কোটি টকা দিয়াৰ কথা কৈছে। তাৰ বাবে আলোচনা বিফল হৈছে। এতিয়া পৰৱৰ্তী আলোচনাৰ বাবে সময় বিচৰা হৈছে। আজিৰ বৈঠকত অ'এনজিচিক সকীয়াই দিয়া হৈছে যে আলোচনা বিফল হ'লে অ'এনজিচিৰ কাম-কাজ স্তব্ধ কৰি দিয়া হ'ব। অ'এনজিচিয়ে আমাৰ প্ৰতি সহমৰ্মিতা দেখুওৱা নাই, সেয়ে আমি ক্ষোভিত। যদি তেওঁলোকে সহমৰ্মিতা নেদেখুৱায়, তেন্তে প্ৰতিবাদ অনিবাৰ্য।" তেওঁ লগতে কয়, "অ'এনজিচিয়ে কৈছে যে তেওঁলোকে ১০ হাজাৰ টোপোলা সাহায্য বিতৰণ কৰিছে। কিন্তু বীৰ লাচিত সেনাই আঢ়ৈ লাখ টোপোলা বিতৰণ কৰিছে।" ইপিনে, বৈঠকৰ সন্দৰ্ভত অসন্তুষ্টি প্ৰকাশ কৰি বীৰ লাচিত সেনাৰ নেতা ৰণ্টু পানীফুকনে কয়, "আজিৰ ত্ৰিপাক্ষিক বৈঠকত বানপীড়িত পৰিয়ালৰ প্ৰতিনিধিসকলো উপস্থিত আছিল। আলোচনা বিফল হ'ল বুলি ক'বলৈ মই নাযাওঁ, কিন্তু প্ৰশাসনে আন্তৰিকতাৰে সমাধানসূত্ৰ উলিয়াবলৈ চেষ্টা কৰিছে। মূলত চাৰিটা দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল। কিন্তু আজি বানপীড়িতক চ লাখ টকাকৈ ক্ষতিপূৰণ দিয়াৰ বিষয়টোত আমি লাগিলো। দুঘণ্টীয়া বৈঠকৰ অন্ততো কোনো সমাধানসূত্ৰ বাহিৰ নহ'ল।" জানিব পৰা মতে, বৈঠকত বীৰ লাচিত সেনা অসমৰ কেন্দ্ৰীয় সমিতি আৰু জিলা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আলোচনা চলি থকাৰ সময়ত সহস্ৰাধিক বানপীড়িতই আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত ভিৰ কৰে। বানপীড়িত পৰিয়ালক চ লাখ টকাকৈ সাহায্য প্ৰদানৰ দাবীত এই আলোচনা চলি আছে। অ'এনজিচিয়ে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে ৭৫ কোটি টকাৰ এক সাহায্যৰ প্ৰস্তাৱ আগবঢ়াইছে যদিও বীৰ লাচিত সেনাই তাক নাকচ কৰিছে। এই টকাৰে বানত সৰ্বস্বান্ত হোৱা লোকসকলৰ জীৱন-জীৱিকাৰ পথ মুকলি নহ'ব বুলি সংগঠনটোৱে মত প্ৰকাশ কৰিছে। প্ৰশাসনৰ তথ্য অনুসৰি, কেৱল শিৱসাগৰ জিলাতে ৪৭ হাজাৰ পৰিয়াল বানত ক্ষতিগ্ৰস্ত হৈছে। এই পৰিয়ালসমূহক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে বীৰ লাচিত সেনাই অ'এনজিচিক দাবী জনাই আহিছে। অৱশ্যে পৰৱৰ্তী বৈঠক কেতিয়া অনুষ্ঠিত হয় আৰু তাৰ পিছত কি সিদ্ধান্ত লোৱা হয়, সেয়া লক্ষণীয় হ'ব। উল্লেখ্য, ১৯ জুলাইত অহা মহাপ্ৰলয়ত অসমৰ কেইবালাখ লোক ক্ষতিগ্ৰস্ত হয়। শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাটৰ কিছু অঞ্চল বানৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ১০০ৰো অধিক লোকৰ মৃত্যু হোৱা এই বানৰ পিছত সাহায্য আৰু ক্ষতিপূৰণৰ প্ৰসংগত বিভিন্ন বিতৰ্ক চলি আছে। চৰকাৰে ঘোষণা কৰা ক্ষতিপূৰণ নোপোৱাৰ বাবে এই জিলাসমূহত বানপীড়িতৰ প্ৰতিবাদ অব্যাহত আছে। একেদৰে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়েও বানপীড়িতক উপযুক্ত ক্ষতিপূৰণৰ দাবীত অসম বিধানসভাৰ চৌহদত প্ৰতিবাদ অব্যাহত ৰাখিছে।

## ভাৰতক লৈ ৰাজনীতিকৰণ নকৰিবলৈ

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগে ভাৰতক লৈ ৰাজনীতিকৰণ কৰা উচিত নহয়। ভাৰতৰ প্ৰতিনিধি অনুজ স্বৰূপে কয়, "ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগে ভাৰতক লৈ ৰাজনীতিকৰণ নকৰিব। বৰঞ্চ ভাৰতৰ সাংস্কৃতিক আৰু ঐতিহাসিক সন্মান জনোৱা উচিত। ভাৰতে কোনো ধৰণৰ বৈষম্যমূলক নীতিক আপোচ নকৰে। ভাৰতে সকলোৰে মানৱ অধিকাৰৰ হকে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।" উল্লেখ্য, ৰাষ্ট্ৰসংঘৰ উচ্চায়ুক্তৰ কাৰ্যালয়ে ভাৰতৰ ৰাজধানীত সংঘটিত প্ৰতিবাদ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। সেই মন্তব্যক ভাৰতৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ বুলি অভিহিত কৰি ভাৰতে ইতিমধ্যে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। অধিৱেশনত ভাৰতৰ প্ৰতিনিধিয়ে লগতে কয় যে এক দশকত ২৫ কোটিতকৈও অধিক লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰা হৈছে। দেশখনৰ সামাজিক সুৰক্ষা ব্যৱস্থাই ১০০ কোটিতকৈও অধিক লোকৰ ওচৰত পালেগৈ। ইয়াৰ ভিতৰত ৮০ কোটি নাগৰিকক বিনামূলীয়া খাদ্যশস্য, ৬০ কোটি নাগৰিকক বিনামূলীয়া স্বাস্থ্য বীমা আৰু মহিলাসকলৰ বাবে চ কোটি বেংক একাউণ্ট মুকলি কৰা হৈছে। এই তথ্যই ভাৰতৰ উন্নয়নৰ আৰ্হিক প্ৰতিফলিত কৰে। আনহাতে, বুধবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, "ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ উচ্চায়ুক্তৰ কাৰ্যালয়ে প্ৰকাশ কৰা উদ্বেগ কেতিয়াও গ্ৰহণযোগ্য নহয়। কিয়নো ই ভাৰতৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ সমান। তেওঁলোকৰ দৃষ্টিভংগী অত্যন্ত বাছনিমূলক। কাৰণ বিশ্বৰ অন্যান্য প্ৰান্তত চলি থকা প্ৰতিবাদৰ ওপৰত তেওঁলোকে ৰাজহুৱাভাৱে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।" তেওঁ লগতে কয়, "যদি তেওঁলোকে এই পথেৰেই আগবাঢ়ি থাকে, তেন্তে আয়োগে বিশ্বাস হেৰুৱাই পেলাব। একে সময়তে, ই এক সংগঠন হিচাপে তেওঁলোকৰ গ্ৰহণযোগ্যতা নাথাকিব।"

## আমেৰিকাই নাকচ কৰিলে ৯ ভাৰতীয়

আমেৰিকাৰ লাছ ভেগাছত এই বিশ্ব চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। কিন্তু ভিছা নাকচ হোৱাৰ বাবে তেওঁলোকে সেই মঞ্চত দেশৰ হৈ প্ৰতিনিধিত্ব কৰাৰ সুযোগ নাপালে। মাৰ্কিন দূতাবাসৰ তৰফৰ পৰা ভিছা অস্বীকৃতিৰ ক্ষেত্ৰত যি যুক্তি দিয়া হৈছে, সেয়া অত্যন্ত আচৰিতজনক। দূতাবাসে জনাইছে যে আবেদনকাৰী মল্লযুঁজাৰুসকলৰ বয়স ২০ বছৰতকৈ কম আৰু তেওঁলোকৰ কোনো স্থায়ী চাকৰি বা উপাৰ্জনৰ উৎস নাই। এই কাৰণ দেখুৱায়েই তেওঁলোকৰ ভিছা প্ৰদান কৰিবলৈ কৰ্তৃপক্ষই অস্বীকৃতি জনায়। ইপিনে, মাৰ্কিন কনছুলেটৰ এই কঠোৰ আৰু অনমনীয় মনোভাৱক তীব্ৰ ভাষাৰে গৰিহণা দিছে ভাৰতীয় মল্লযুদ্ধ ফেডাৰেচনৰ সভাপতি সঞ্জয় সিঙে। তেওঁ এই সিদ্ধান্তক লৈ গভীৰ ক্ষোভ প্ৰকাশ কৰে। ফেডাৰেচনৰ তৰফৰ পৰা খেলুৱৈসকলৰ ভিছা নিশ্চিত কৰিবলৈ শেষ মুহূৰ্তলৈকে সম্ভৱপৰ সকলো প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু মাৰ্কিন দূতাবাসৰ পৰা ইয়াৰ কোনো ইতিবাচক সঁহাৰি নোপোৱাত দেশৰ হৈ প্ৰতিনিধিত্ব কৰিবলৈ সাজু হোৱা ৯ গৰাকী খেলুৱৈৰ সপোন ভংগ হয়। প্ৰতিভা আৰু যোগ্যতা থকাৰ পিছতো ক্ৰীড়াক্ষেত্ৰত কূটনৈতিক নিয়মৰ মেৰপেছ আৰু প্ৰশাসনিক জটিলতাই বাধা হৈ থিয় দিয়াৰ ঘটনা নতুন নহয়। কিন্তু অনুৰ্ধ-২৩ বিশ্ব মল্লযুদ্ধ চেম্পিয়নশ্বিপৰ দৰে এক বৃহৎ আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাগ ল'বলৈ সাজু হোৱা উদীয়মান খেলুৱৈসকলক বয়স কম আৰু স্থায়ী চাকৰি নথকাৰ দৰে যুক্তিৰে ভিছা প্ৰদান নকৰাটো আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া জগতৰ বাবে এক আশ্চৰ্যজনক ঘটনা হিচাপে বিবেচিত হৈছে। এই পৰিস্থিতিত ভাৰত চৰকাৰ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বিষয়টো গুৰুত্বসহকাৰে ল'ব বুলি ক্ৰীড়া মহলত আশা প্ৰকাশ কৰা হৈছে। যাতে ভৱিষ্যতে কোনো ভাৰতীয় ক্ৰীড়াবিদে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ পৰা এনেদৰে বঞ্চিত হ'বলগীয়া নহয়।

## ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰতৰ বৰ্ধিত

ভিয়েটনামৰ দৰে চুবুৰীয়া দেশসমূহৰ তীব্ৰ মতানৈক্য আৰু বিবাদ অব্যাহত আছে। এনে এক স্পৰ্শকাতৰ পৰিৱেশৰ মাজতে ভাৰতে 'এছিয়ান' (ASEAN) সদস্যৰাষ্ট্ৰসমূহৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্ক নতুন মাত্ৰালৈ নিয়াৰ বাবে বিশেষ আগ্ৰহ প্ৰকাশ কৰিছে। নতুন দিল্লীয়ে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে সামৰিক প্ৰযুক্তি হস্তান্তৰ, প্ৰতিৰক্ষা সামগ্ৰীৰ যৌথ উৎপাদন আৰু নিৰাপত্তা সহযোগিতা অধিক সম্প্ৰসাৰণ কৰাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতৰ এই প্ৰচেষ্টাই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দেশখনৰ বৰ্ধিত কৌশলগত গুৰুত্ব আৰু শক্তিশালী ভূমিকা স্পষ্টভাৱে প্ৰতিফলিত কৰিছে। দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে আঞ্চলিক অংশীদাৰিত্ব অধিক দৃঢ় কৰি তুলি ভাৰতে অঞ্চলটোত শান্তি, সুস্থিৰতা আৰু সুৰক্ষিত সামুদ্ৰিক শৃঙ্খলা বৰ্তাই ৰখাৰ দিশত নিজৰ স্থিতি পুনৰ সাব্যস্ত কৰিছে।

# লখিমপুৰত 'অসমৰ জলবায়ু পৰিৱৰ্তন' বিষয়ক কৰ্মশালা

## 'দুৰ্যোগৰ সৈতে সহ-অৱস্থান কৰিব লাগিব'

**অসম বাৰ্তা, লীলাবাৰী, ১৪ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ জিলা পৰিষদ সভা কক্ষত বুধবাৰে অসমৰ জলবায়ু বিষয়ক কৰ্মশালা অনুষ্ঠিত হৈ যায়। ধেমাজি আৰু লখিমপুৰ জিলাৰ Inter-Agency Group (IAG)-ৰ সদস্য, বিভিন্ন সামাজিক সংগঠন (CBO)ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত IAG আৰু CBO-ৰ মাজত সমন্বয় বৃদ্ধি কৰা, অসমৰ পৰিৱৰ্তিত জলবায়ু আৰু দুৰ্যোগৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু দুৰ্যোগৰ সময়ত সামাজিকভাৱে প্ৰস্তুতি আৰু সহনশীল কৰি তোলাই মূল উদ্দেশ্য। লখিমপুৰ জিলা IAG-ৰ আহ্বায়ক উইলফ্ৰেড টপ্পই আদৰণি ভাষণ ৰাখি কয়, দুৰ্যোগ ব্যৱস্থাপনা, সামাজিক উন্নয়ন আৰু মানুহক সহায়ৰ ক্ষেত্ৰত বিভিন্ন NGO, CBO আৰু অন্যান্য সংগঠনৰ মাজত সমন্বয়ৰে আলোচনা কাৰ্যকৰী কৰাই IAGৰ লক্ষ্য। কৰ্মশালাখনিত দুৰ্যোগৰ পূৰ্বে সতৰ্কীকৰণ, দুৰ্যোগৰ প্ৰস্তুতি, নদী খহনীয়া, জীৱিকাৰ বৈচিত্ৰ্যকৰণ, মহিলা সবলীকৰণ আৰু সামাজিকৰ সহনশীলতা বৃদ্ধিৰ দৰে বিষয়সমূহ বিশেষভাৱে গুৰুত্ব লাভ কৰে। কৰ্মশালাত আলোচক হিচাপে অংশগ্ৰহণ কৰা বিশিষ্ট সমাজকৰ্মী লুইত গোস্বামীয়ে অসমৰ পৰিৱৰ্তিত জলবায়ু পৰিস্থিতি সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে। তেওঁ জলবায়ু পৰিৱৰ্তনৰ ফলত বতৰ, কৃষি, জীৱিকা আৰু দৈনন্দিন জীৱনত পৰা প্ৰভাৱৰ সন্দৰ্ভত উল্লেখ কৰাৰ সমান্তৰালকৈ বানপানীকে ধৰি বিভিন্ন জলবায়ু সম্পৰ্কীয় দুৰ্যোগৰ পৰিৱৰ্তিত ৰূপৰেখা দাঙি ধৰে। আন এগৰাকী বক্তা ধৰণী পায়েঙে বানপানী, নদী খহনীয়া, স্থানচ্যুতি আৰু জীৱিকা তথা আন্তঃগাঁথনিৰ ক্ষতিৰ বিষয়ে আলোচনা কৰে। তেখেতে কয়, আমি মিছিং জনজাতিৰ পৰা যথেষ্ট শিকিবলগীয়া আছে। তেখেতসকলে দুৰ্যোগৰ সৈতে সহ-অৱস্থান কৰিব জানে। তেওঁ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা, দুৰ্যোগৰ পূৰ্বে প্ৰস্তুতি, বান-সহনশীল আন্তঃগাঁথনি আৰু বিকল্প জীৱিকাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। কৰ্মশালাটিত মনোজ তাঁতীয়ে মহিলা উদ্যমী আৰু জীৱিকাৰ সুযোগৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ লখিমপুৰ জিলাৰ ছয়টা উন্নয়ন খণ্ডত চলি থকা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে অৱগত কৰি কয়, লখিমপুৰ আৰু ধেমাজীত মহিলাসকলক খাদ্য প্ৰস্তুতকৰণ, হস্ততাঁত আৰু অন্যান্য দক্ষতাৰ লগতে কৃষি, Farmer Producer Companies (FPCs) আৰু সৰিয়হ খেতিৰ যথেষ্ট সম্ভাৱনা আছে। লখিমপুৰ জিলা প্ৰশাসনৰ দুৰ্যোগ প্ৰাধিকাৰী বিষয়া প্ৰাণকৃষ্ণ গগৈয়ে দুৰ্যোগৰ পূৰ্বে ল'বলগীয়া প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰি সম্ভাব্য বিপদ আগতীয়াকৈ চিনাক্ত কৰি সঠিক পৰিকল্পনা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। ধেমাজি জিলা IAG-ৰ সভাপতি ৰাজেন শইকীয়াই সামাজিক সহনশীলতা আৰু জলবায়ু সহনশীল পদ্ধতিৰ বিষয়ে আলোচনা কৰি জলবায়ু পৰিৱৰ্তন আৰু দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ চৰকাৰী বিভাগ, IAG, NGO, CBO আৰু সাধাৰণ ৰাইজৰ মাজত সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। ভৱিষ্যতে জলবায়ু পৰিৱৰ্তন আৰু দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়। কৰ্মশালাখনৰ জৰিয়তে ধেমাজি আৰু লখিমপুৰ জিলাৰ বিভিন্ন সংগঠন আৰু অংশীদাৰৰ মাজত সমন্বয় বৃদ্ধি কৰাৰ লগতে জলবায়ু পৰিৱৰ্তন আৰু দুৰ্যোগৰ সৈতে মোকাবিলা কৰাত পূৰ্ব প্ৰস্তুতি, নিৰাপদ আৰু সহনশীল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছে।

# শিৱসাগৰ জিলাত কৱচ কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভণি

## জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা পৰ্যায়ৰ সমন্বয় বৈঠক সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৪ অক্টোবৰ ঃ** শিশুৰ সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰাৰ লগতে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আজি শিৱসাগৰ জিলাত 'কৱচ' (KAWACH) কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই উপলক্ষে শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা শিশু সুৰক্ষা বিষয়া কাৰ্যালয়ৰ উদ্যোগত আৰু 'কৱচ' কাৰ্যসূচীৰ অধীনত এখন জিলা পৰ্যায়ৰ শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয়। শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত তথা জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ অধ্যক্ষ মৃদুল য়াদৱৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকখনত শিশুৰ সুৰক্ষা আৰু কল্যাণৰ সৈতে জড়িত বিভিন্ন চৰকাৰী বিভাগ তথা সংশ্লিষ্ট অংশীদাৰসকলৰ মাজত সমন্বয় অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। শিৱসাগৰ জিলা প্ৰশাসনৰ তত্বাৱধানত জিলা শিশু সুৰক্ষা গোট (District Child Protection Unit-DCPU), নৰ্থ ইষ্ট চেণ্টাৰ ফৰ ইকুইটি একচন অন ইণ্টিগ্ৰেটেড ডেভেলপমেণ্ট (North East Centre for Equity Action on Integrated Development- NEAID) আৰু ব্ৰিটিছ এছিয়ান ট্ৰাষ্টৰ (British Asian Trust)ৰ যৌথ সহযোগিতাত ৰূপায়ণ কৰা 'কৱচ' কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে শিশুৰ সুৰক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰা আৰু শিশুৰ কল্যাণৰ ক্ষেত্ৰত কৰ্মৰত বিভিন্ন বিভাগৰ মাজত ফলপ্ৰসূ সমন্বয় স্থাপন কৰা। এই কাৰ্যসূচীৰ জৰিয়তে বাল্যবিবাহ, শিশু শ্ৰমিক নিয়োগ, বিদ্যালয় ত্যাগ, শিশুৰ ওপৰত নিৰ্যাতন, শোষণ আৰু শিশু সৰবৰাহৰ দৰে গুৰুত্বপূৰ্ণ সমস্যাসমূহ মোকাবিলা কৰাৰ লগতে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰাত গুৰুত্ব প্ৰদান কৰা হয়। বৈঠকত শিশুৰ সুৰক্ষা আৰু কল্যাণৰ সৈতে জড়িত বিভিন্ন সমস্যা চিনাক্তকৰণ, সংশ্লিষ্ট বিভাগসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধি, বিভাগীয় দায়িত্বৰ ফলপ্ৰসূ ৰূপায়ণ আৰু জিলা তথা খণ্ড পৰ্যায়ত শিশুৰ সুৰক্ষাৰ বাবে সমন্বিত পদক্ষেপ গ্ৰহণৰ বিষয়ে আলোচনা কৰা হয়। লগতে বৈঠকত শিশুৰ বিৰুদ্ধে সংঘটিত হ'ব পৰা বিভিন্ন অপৰাধমূলক ঘটনা আৰু নিৰ্যাতন প্ৰতিৰোধ, বিপদাপন্ন শিশুক চিনাক্তকৰণ, প্ৰয়োজনীয় সহায়-সহযোগিতা প্ৰদান আৰু চৰকাৰী আঁচনি তথা সেৱাসমূহৰ সুবিধা উপযুক্ত হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ সক্ৰিয় ভূমিকা নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকত নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, অতিৰিক্ত জিলা আয়ুক্ত (সমাজ কল্যাণ) গৌৰীপ্ৰিয়া দেউৰী, জিলা শিশু সুৰক্ষা বিষয়া ড° বিকাশ ৰঞ্জন কোঁৱৰ, উপ-আৰক্ষী অধীক্ষক অংশুমান ভি. গগৈ, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুন্ধতী বড়া হাজৰিকা, ভাৰপ্ৰাপ্ত সমাজ কল্যাণ বিষয়া প্ৰীতিশা কলিতা, আৰপিএফ (RPF)-ৰ প্ৰতিনিধি, NEAID-ৰ ৰাজ্যিক প্ৰধান (State Lead) নৱনীতা গোস্বামী আৰু NEAID-ৰ সহকাৰী ৰাজ্যিক প্ৰধান (Assistant State Lead) জয়দীপ ফুকন, প্ৰমুখ্যে বিভিন্ন সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। 'কৱচ' কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভৰ জৰিয়তে শিৱসাগৰ জিলাত শিশুৰ সুৰক্ষা আৰু কল্যাণৰ ক্ষেত্ৰত এক সুসংহত আৰু সমন্বিত ব্যৱস্থা গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। ইয়াৰ জৰিয়তে শিশুৰ বাবে সুৰক্ষিত আৰু সহায়ক পৰিৱেশ নিশ্চিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসন, সংশ্লিষ্ট চৰকাৰী বিভাগ, স্বেচ্ছাসেৱী সংগঠন আৰু অন্যান্য অংশীদাৰসকলৰ মাজত সমন্বয় আৰু সহযোগিতা অধিক সুদৃঢ় কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

# তিনিচুকীয়া জিলাৰ প্ৰতিখন দুৰ্গা পূজা সমিতিক অসমীয়া ভাষা ব্যৱহাৰৰ আহ্বান বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৪ অক্টোবৰ ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিয়ে তিনিচুকীয়া জিলাৰ প্ৰতিখন দুৰ্গা পূজা সমিতিক পূজাস্থলীৰ বেনাৰ, ছাইনবৰ্ড, পোষ্টাৰ, শুভেচ্ছা বাৰ্তা, মঞ্চৰ নামফলক, প্ৰচাৰ-পত্ৰিকা আৰু অন্যান্য ৰাজহুৱা প্ৰচাৰ সামগ্ৰীসমূহত অসমীয়া ভাষাৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। তিনিচুকীয়া জিলাৰ প্ৰতিখন দুৰ্গা পূজা সমিতিয়ে এই আহবানক ইতিবাচকভাৱে গ্ৰহণ কৰি দুৰ্গোৎসৱত অসমীয়া ভাষা ব্যৱহাৰক বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে মঞ্চই। এই সন্দৰ্ভত মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি মানসজ্যোতি বৰুৱা, কাৰ্যকৰী সভাপতি গৌতম বৰুৱা আৰু যুটীয়া সচিব প্ৰধান জিগেন্দ্ৰ মৰাণৰ স্বাক্ষৰিত এক বিবৃতিত উল্লেখ কৰা মতে, দুৰ্গোৎসৱ আমাৰ সমাজ জীৱনৰ এক গুৰুত্বপূৰ্ণ আৰু ঐতিহ্যপূৰ্ণ উৎসৱ। দুৰ্গোৎসৱৰ আনন্দই সকলোৰে মাজত একতাৰ মনোভাৱ গঢ়ি তোলে। এই উৎসৱে ধৰ্মীয় বিশ্বাসৰ লগতে সামাজিক সম্প্ৰীতি, ভাতৃত্ববোধ আৰু সাংস্কৃতিক ঐক্যৰ বাৰ্তা কঢ়িয়াই আনে। এই পৱিত্ৰ উৎসৱৰ প্ৰাকক্ষণত নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি দায়িত্ববোধ প্ৰকাশ কৰাটোও আমাৰ সকলোৰে কৰ্তব্য। আনহাতে অসমীয়া ভাষা আমাৰ পৰিচয়, আমাৰ গৌৰৱ আৰু আমাৰ স্বাভিমান। ভাষাৰ সৈতে আমাৰ ইতিহাস, ঐতিহ্য, সাহিত্য আৰু সংস্কৃতি গভীৰভাৱে জড়িত হৈ আছে। সেয়েহে ৰাজহুৱা অনুষ্ঠান আৰু উৎসৱ-পাৰ্বণসমূহত অসমীয়া ভাষাৰ সঠিক আৰু মৰ্যাদাপূৰ্ণ ব্যৱহাৰে ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। লগতে নতুন প্ৰজন্মৰ মাজতো নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি সন্মান আৰু আগ্ৰহ বৃদ্ধি কৰিব। মঞ্চই লগতে উল্লেখ কৰা অনুসৰি, এই আহ্বান আন কোনো ভাষাৰ বিৰোধিতা নহয়। বৰং সকলো ভাষাৰ প্ৰতি সন্মান অটুট ৰাখি নিজৰ ভাষাক উপযুক্ত মৰ্যাদা প্ৰদান কৰাৰ এক আন্তৰিক প্ৰয়াস। এই শাৰদীয় দুৰ্গোৎসৱত উৎসৱৰ আনন্দৰ লগতে নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ গৌৰৱো উদযাপন কৰি অসমীয়া ভাষাৰ মৰ্যাদা ৰক্ষা আৰু ইয়াৰ প্ৰচাৰ-প্ৰসাৰত সকলোকে একেলগে আগবাঢ়ি আহিবলৈও মঞ্চই আহবান জনায়।

# নগাঁৱত সেৱা সংকল্প অভিযানৰ অধীনত ৬টা স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত

**অসম বাৰ্তা, নগাঁও, ১৪ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অধীনত আজি নগাঁও জিলাৰ বিভিন্ন উন্নয়ন খণ্ড আৰু পৌৰসভা এলেকাত মুঠছটা স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। জিলাখনৰ ভেলেউগুৰি নাট্যচৰা, জুৰীয়া উন্নয়ন খণ্ড, কলিয়াবৰ উন্নয়ন খণ্ড, ৰেংবেং ফুটবল ফিল্ড, নিজ ধিং উন্নয়ন খণ্ড আৰু ৰহা পৌৰসভাৰ কনভেনচন চেণ্টাৰত এই শিবিৰসমূহৰ আয়োজন কৰা হয়। শিবিৰসমূহত স্বাস্থ্য বিভাগৰ উদ্যোগত জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ, দিব্যাংগ পঞ্জীয়ন আৰু চিকিৎসা ব'ৰ্ড, আয়ুষ্মান ভাৰত কাৰ্ড আৰু আভা (ABHA) পঞ্জীয়নৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰি বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা প্ৰদান, অসংক্ৰামক ৰোগৰ পৰীক্ষা, চকুৰ পৰীক্ষা, বিনামূলীয়া ৰক্ত পৰীক্ষা আৰু ঔষধ বিতৰণ কৰা হয়। লগতে আয়ুষ চিকিৎসা, যোগাসন আৰু স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শ প্ৰদান কৰা হয়। আনহাতে, ভ্ৰাম্যমাণ চিকিৎসা দল আৰু সঞ্জীৱনী-৪ৰ জৰিয়তেও ৰাইজক চিকিৎসা সেৱা আগবঢ়োৱা হয়। জৰুৰীকালীন চিকিৎসা সেৱাৰ বাবে মৃত্যুঞ্জয় ১০৮ এম্বুলেন্সৰ ব্যৱস্থাও ৰখা হয়। ইফালে, অহা ১৫ অক্টোবৰত সেৱা সংকল্প অভিযানৰ অধীনত নগাঁও জিলাৰ বগৰীগুৰি, ধিং, খাগৰীজন, পশ্চিম কলিয়াবৰ, পাখিমৰীয়া, ৰহা, শিঙিমাৰী আৰু গৰাজান উন্নয়ন খণ্ডৰ লগতে কামপুৰ, নগাঁও আৰু ধিং পৌৰসভা এলেকাত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হ'ব। সেয়েহে, নগাঁও জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা সংশ্লিষ্ট উন্নয়ন খণ্ড আৰু পৌৰসভা এলেকাৰ ৰাইজক এই শিবিৰসমূহত অংশগ্ৰহণ কৰি উপলব্ধ চিকিৎসা সেৱা আৰু বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# দুধনৈত জিলাভিত্তিক অস্মিতা উশ্বু লীগ ২০২৬ৰ সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ১৪ অক্টোবৰ ঃ** মহিলা খেলুৱৈসকলক উৎসাহিত কৰাৰ লক্ষ্যৰে আৰু ক্ৰীড়াৰ জৰিয়তে নাৰী সবলীকৰণৰ উদ্দেশ্যে গোৱালপাৰা জিলাত অনুষ্ঠিত হৈছে এক বিশেষ ক্ৰীড়া প্ৰতিযোগিতা। 'খেলো ইণ্ডিয়া' উদ্যোগৰ অধীনত আজি অনুষ্ঠিত হৈছে জিলাভিত্তিক 'অস্মিতা উশ্বু লীগ ২০২৬'। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয় তথা ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ (SAI)-ৰ সহযোগত গোৱালপাৰা জিলাৰ দুধনৈৰ জনমন্দিৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হৈছে 'অস্মিতা উছু লীগ ২০২৬'। "খেল ছে হী হায় পহচান" খেলৰ জৰিয়তেই পৰিচয় মূলমন্ত্ৰৰে আয়োজিত এই প্ৰতিযোগিতাৰ জৰিয়তে স্থানীয় যুৱতী আৰু মহিলা ক্ৰীড়াবিদসকলৰ প্ৰতিভা বিকাশৰ এক সুন্দৰ মঞ্চ গঢ়ি তোলা হৈছে। উছু এছ'চিয়েচনৰ তত্বাৱধানত আয়োজিত এই প্ৰতিযোগিতাত ছাই এছটিচি কোকৰাঝাৰ অসমৰ প্ৰশিক্ষাৰ্থী তথা জৰ্জিয়া ইউৰোপ বাটুমি আন্তৰাষ্ট্ৰীয় উশ্বু প্ৰতিযোগিতাত সোণ আৰু ৰূপৰ পদক প্ৰাপ্ত লগে কেবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ উশ্বু প্ৰতিযোগিতাত সোণ ৰূপ ব্ৰঞ্জৰ পদকেৰে দেশলৈ সুনাম কঢ়িয়াই অনা খেলুৱৈ ডেইজী ৰাভাৰ লগতে বহু প্ৰতিভাৱান খেলুৱৈয়ে অংশগ্ৰহণ কৰি নিজৰ কৌশল প্ৰদৰ্শন কৰে। এই প্ৰতিযোগিতাত খেলুৱৈ সকলে জুনিঅৰ, চাব-জুনিঅৰ আৰু চিনিয়ৰ গ্ৰুপত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। আজিৰ খেলত যিসকলে সোণ আৰু ৰূপৰ মেডেল লাভ কৰিছে তেওঁলোকে পৰৱৰ্তী পৰ্যায়ত জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। গোৱালপাৰা জিলা উশ্বু এছোচিয়েচনৰ সভিপতি মনিষা ৰাভা আৰু দুধনৈ মহাবিদ্যালয়ৰ প্ৰবক্তা বন্দীতা বৰবৰাই প্ৰতিযোগিতাৰ বঁটা বিতৰণি অনুষ্ঠানত উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে। গ্ৰামাঞ্চলৰ প্ৰতিভাক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ এনে পদক্ষেপে অঞ্চলটোৰ উদীয়মান মহিলা ক্ৰীড়াবিদসকলক নিশ্চিতভাৱে এক নতুন দিশ আৰু আত্মবিশ্বাস প্ৰদান কৰিব।

# প্ৰস্তুতিমূলক ব্যৱস্থাপনা সন্দৰ্ভত বৈঠক অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৪ অক্টোবৰ ঃ** অসম চৰকাৰে ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্তকৰণ আৰু উৎকৰ্ষ সাধনৰ বাবে ৰাজ্যজুৰি 'খেল মহাৰণ-৩.০' আয়োজন কৰিবলৈ যো-জা কৰিছে। সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো সমাগত ৭ নৱেম্বৰৰ পৰা আয়োজিত হ'বলগীয়া খেল মহাৰণ-৩.০ৰ সফল আয়োজনৰ বাবে গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা আৰু প্ৰস্তুতিমূলক ব্যৱস্থাপনা সন্দৰ্ভত আলোচনা কৰাৰ অৰ্থে আজি জিলা আয়ুক্ত মৃদুল য়াদৱৰ অধ্যক্ষতাত জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে খেল মহাৰণৰ তৃতীয় সংস্কৰণটি সুচাৰুৰূপে আৰু সফলভাৱে আয়োজন কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলোৰে সহযোগিতা আহ্বান কৰাৰ লগতে প্ৰতিযোগিতা আয়োজনৰ সুবিধাৰ্থে চলিত মাহৰ ভিতৰতে খেলপথাৰসমূহৰ লগতে প্ৰয়োজনীয় আন্তগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত অৱগত কৰা হয় যে, উৎসাহজনক ভাৱে বৰ্তমানলৈ জিলাখনত খেলমহাৰণ-৩.০ -ত অংশগ্ৰহণৰ বাবে ১.৫০ লাখতকৈও অধিক পঞ্জীয়নভুক্তি পৰিলক্ষিত হৈছে। আগ্ৰহী খেলুৱৈসকলৰ পঞ্জীয়নৰ বাবে www.khelmaharan.com/khel ৱেবছাইটত সুবিধা উপলব্ধ থাকিব। বিভিন্ন ক্ৰীড়া শিতানত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাসমূহ গাঁও পঞ্চায়ত আৰু নগৰীয়া স্থানীয় নিকায় পৰ্যায়ত ৭ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ; বিধানসভা সমষ্টি পৰ্যায়ত ১ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈ; জিলা পৰ্যায়ত ২৬ ডিচেম্বৰৰ পৰা ২ জানুৱাৰী, ২০২৭ তাৰিখলৈ; মাণ্ডলিক পৰ্যায়ত কেৱল সাঁতোৰৰ শিতানৰ বাবে ২৮ জানুৱাৰীৰ পৰা ১ জানুৱাৰী, ২০২৭ তাৰিখলৈ আৰু ৰাজ্যিক পৰ্যায়ত ৪ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰী, ২০২৭ তাৰিখলৈ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, খেল মহাৰণ ৩.০ৰ লগত সংগতি ৰাখি এইবাৰ ১২, ১৪ আৰু ১৬ বছৰ বয়সৰ অনুৰ্দ্ধৰ খেলুৱৈসকলৰ বাবে "শিশু ক্ৰীড়া সমাৰোহ" অনুষ্ঠিত কৰা হ'ব। সমাগত খেল মহাৰণ-৩.০ত বিভিন্ন বয়সৰ শ্ৰেণীৰ বাবে এথলেটিকছ (১০০ মিটাৰ, ২০০ মিটাৰ, ৪০০ মিটাৰ আৰু দীঘল জঁপ), ফুটবল, ভলিবল, একুৱাথলন, সাঁতোৰ, যোগাসন, বক্সিং আৰু দবা খেল অন্তৰ্ভুক্ত কৰা হৈছে। এই প্ৰতিযোগিতা গাঁও পঞ্চায়ত তথা নগৰীয়া স্থানীয় নিকায় পৰ্যায়ৰ পৰা আৰম্ভ কৰি জিলা, মাণ্ডলিক আৰু ৰাজ্যিক পৰ্যায়লৈকে অনুষ্ঠিত হ'ব। অনুষ্ঠানত নাজিৰা আৰু ডিমৌৰ সম-জিলা আয়ুক্তদ্বয় প্ৰতিভা মেশ্ৰাম আৰু লুকুমণি বড়া, অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰী, উপ-আৰক্ষী অধীক্ষক (মুখ্য কাৰ্যালয়) সুৰজিৎ চৌধুৰী, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুন্ধতী বৰা হাজৰিকা, বিদ্যালয়সমূহৰ পৰিদৰ্শক সমীৰণ বৰা, জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়, আৰু খণ্ড উন্নয়ন বিষয়াসকলৰ লগতে বিধায়কসকলৰ প্ৰতিনিধিবৰ্গ, স্থানীয় ক্ৰীড়া সংগঠনসমূহৰ প্ৰতিনিধি আৰু সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

চলিত বৰ্ষৰ সাংবাদিক পেঞ্চনৰ কাম-কাজ শীঘ্ৰে আৰম্ভ কৰাৰ দাবী

# জনসংযোগ বিভাগৰ সঞ্চালকক অসম বাৰ্তাজীৱী সংঘৰ স্মাৰক পত্ৰ

## আবেদনকাৰী সাংবাদিকক জনসংযোগ বিভাগৰ পৰিচয় পত্ৰ প্ৰদানৰো দাবী

**অসম বাৰ্তা, মঙলদৈ, ১৪ অক্টোবৰ ঃ** বিগত বৰ্ষৰ লেখিয়াকৈ ২০২৭ বৰ্ষৰ পহিলা জানুৱাৰীত সাংবাদিক পেঞ্চন ঘোষণা কৰাটো নিশ্চিত কৰিবলৈ শাৰদীয় দুৰ্গোৎসৱৰ পূৰ্বে বিজ্ঞাপন প্ৰকাশৰ জৰিয়তে পেঞ্চনৰ আবেদন সংগ্ৰহ আৰু বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ চৰকাৰক দাবী জনাইছে অসম বাৰ্তাজীৱী সংঘই। আজি এই দাবী জনাই দিছপুৰত জনসংযোগ বিভাগৰ সঞ্চালকক সাক্ষাৎ কৰি সংঘৰ এটি সঁজাতি দলে এখন স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰখনত ৰাজ্যৰ কৰ্মৰত সাংবাদিকক জনসংযোগ বিভাগৰ জৰিয়তে পৰিচয় পত্ৰ প্ৰদান প্ৰক্ৰিয়া দীৰ্ঘদিন ধৰি বন্ধ কৰি ৰখাত অসম বাৰ্তাজীৱী সংঘই গভীৰ উদ্বেগ প্ৰকাশ কৰি যিসকল সাংবাদিকৰ পুলিছ ভেৰিফিকেচন সম্পূৰ্ণ হৈছে তেওঁলোকক বিভাগীয় নিয়মৰ ভিত্তিত শীঘ্ৰে জনসংযোগ বিভাগৰ পৰিচয় পত্ৰ প্ৰদানৰ লগতে বাকী থকা প্ৰকৃত সাংবাদিকৰ ক্ষেত্ৰতো একেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্মাৰক পত্ৰখনত বিভাগটোৰ সঞ্চালকক দাবী জনায়। আনহাতে জাৰ্ণেলিষ্ট মেডিকেল ওৱেলফেয়াৰ স্কীমৰ অধীনত চিকিৎসাৰ বাবে আৰ্থিক সাহায্য বিচাৰি সাংবাদিকসকলে দীৰ্ঘদিন ধৰি অপেক্ষা কৰিব লগা হোৱা বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰি উক্ত সমিতিৰ বৈঠক প্ৰতি মাহে নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ লগতে আবেদনকাৰী সাংবাদিকক দিয়া চিকিৎসা সাহায্যৰ ধনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ জনসংযোগ বিভাগৰ সঞ্চালকক স্মাৰক পত্ৰখনত দাবী জনায় অসম বাৰ্তাজীৱী সংঘই। ৰাজ্যখনৰ কৰ্মৰত সাংবাদিকসকলৰ বাবে প্ৰস্তাৱিত স্বাস্থ্য বীমা আঁচনিখন শীঘ্ৰে কাৰ্যকৰী কৰিবলৈও স্মাৰক পত্ৰযোগে সংঘই জনসংযোগ বিভাগৰ সঞ্চালকক দাবী জনায়। অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মাৰ নেতৃত্বত যোৱা বাৰ্তাজীৱী সংঘৰ সঁজাতি দলটোৰ সৈতে সংঘৰ দাবী সন্দৰ্ভত সৌহাৰ্দ্যপূৰ্ণ আলোচনা কৰি জনসংযোগ বিভাগৰ সঞ্চালক মানবেন্দ্ৰ দেৱ ৰয়ে চলিত বৰ্ষৰ সাংবাদিক পেঞ্চনৰ বাবে শীঘ্ৰে বিজ্ঞাপন প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে। সঞ্চালকগৰাকীয়ে অসম বাৰ্তাজীৱী সংঘৰ দাবীৰ প্ৰতি সঁহাৰি জনাই জাৰ্ণেলিষ্ট মেডিকেল ওৱেলফেয়াৰ ব'ৰ্ডৰ বৈঠক প্ৰতি মাহে নিয়মীয়াকৈ অনুষ্ঠিত কৰিবলৈও বিভাগীয় বিষয়াক নিৰ্দেশ দিয়াৰ লগতে চিকিৎসা সাহায্য বিচাৰি আবেদন জনোৱা সাংবাদিকক শীঘ্ৰে সাহায্যৰ ধন মোকলাই দিয়াৰো আশ্বাস দিয়ে। সঞ্চালকগৰাকীয়ে প্ৰেছ এক্ৰিডিয়েচন কমিটিৰ বৈঠক অনুষ্ঠিত কৰি বিভাগীয় নিয়মানুসৰি আবেদনকাৰী সাংবাদিকক জনসংযোগ বিভাগৰ পৰিচয় পত্ৰ প্ৰদানৰো আশ্বাস দিয়ে। জনসংযোগ বিভাগৰ সঞ্চালকক স্মাৰক পত্ৰ প্ৰদান কৰা অসম বাৰ্তাজীৱী সংঘৰ সঁজাতি দলটোত সংঘৰ উপ-সভাপতি ভাস্কৰ শৰ্মা, সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মা, সহকাৰী সাধাৰণ সম্পাদক সোণাধৰ ডেকা, কোষাধ্যক্ষ নৱনীতা কলিতা, কাৰ্যালয় সম্পাদক আদিত্য চন্দ্ৰ বৰ্মন, সাংগঠনিক সম্পাদক কিশোৰ জ্যোতি শৰ্মা, প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মনৰ লগতে ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰদীপ কুমাৰ বৰ্মন উপস্থিত থাকে। উক্ত স্মাৰক পত্ৰ জনসংযোগ বিভাগৰ সঞ্চালকৰ জৰিয়তে বিভাগটোৰ আয়ুক্ত সচিবলৈও প্ৰেৰণ কৰা হয়। ইপিনে আলোচনাকালত ৰাজ্যৰ সাংবাদিক সকলৰ সমস্যা সমূহ সমাধানৰ বাবে জনসংযোগ বিভাগৰ সঞ্চালক গৰাকীয়ে আগ্ৰহ প্ৰকাশ কৰা বাবে সঞ্চালক গৰাকীক ধন্যবাদ জনাইছে অসম বাৰ্তাজীৱী সংঘই।

# ব্ৰিকছ সন্মিলনত বাংলাদেশে অংশগ্ৰহণ

এই কাৰ্যক 'অপৰিপক্ক' বুলি অভিহিত কৰি মন্তব্য কৰে যে ইয়াৰ ফলত বাংলাদেশৰ ৰাষ্ট্ৰীয় স্বাৰ্থ ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া এক সাক্ষাৎকাৰত শ্বেখ হাছিনাই কয় যে তাৎক্ষণিক ৰাজনৈতিক লাভৰ কথা চিন্তা কৰি বৈদেশিক নীতি নিৰ্ধাৰণ কৰিলে এখন দেশৰ দীৰ্ঘম্যাদী ক্ষতি হ'ব পাৰে। তেওঁৰ মতে, আন্তঃৰাষ্ট্ৰীয় মঞ্চত দেশখনৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ পৰিৱৰ্তে চৰকাৰে নিজেই সেই সুযোগ হেৰুৱাইছে। ব্ৰিকছৰ দৰে গুৰুত্বপূৰ্ণ মঞ্চত বাংলাদেশে অংশগ্ৰহণ কৰিলে বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হ'লহেঁতেন বুলিও তেওঁ মন্তব্য কৰে। হাছিনাই কয়, যদি তেওঁৰ উপস্থিতিৰ বাবেই তাৰিক ৰহমানে ভাৰতলৈ আহি সন্মিলনত অংশ লোৱাৰ পৰা বিৰত থাকে, তেন্তে সেয়া অত্যন্ত দুৰ্ভাগ্যজনক। তেওঁৰ মতে, কোনো এজন ব্যক্তিৰ সৈতে থকা ৰাজনৈতিক মতভেদ বা ব্যক্তিগত অস্বস্তিৰ বাবে দুখন দেশৰ সম্পৰ্ক আৰু ৰাষ্ট্ৰীয় স্বাৰ্থক আওকাণ কৰিব নোৱাৰি। তেওঁ স্পষ্ট কৰি কয়, "বাংলাদেশে ব্ৰিকছত অংশগ্ৰহণ নকৰাটো অতি হতাশাজনক। মোৰ দৃষ্টিত এয়া এক অপৰিপক্ক সিদ্ধান্ত, যাৰ ফলত দেশৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ কোনো লাভ নহ'ল।" তেওঁ লগতে উল্লেখ কৰে যে ব্ৰিকছ কেৱল এখন আন্তঃৰাষ্ট্ৰীয় বৈঠক নহয়। বিশ্বৰ উদীয়মান অৰ্থনীতিসমূহৰ এই মঞ্চই সদস্য আৰু অংশীদাৰ দেশসমূহৰ বাবে বাণিজ্য, বিনিয়োগ আৰু উন্নয়নৰ নতুন সুযোগ সৃষ্টি কৰে। এনে মঞ্চত উপস্থিত থাকিলে বাংলাদেশে নিজৰ অৰ্থনীতিৰ বিকাশৰ বাবে নতুন অভিজ্ঞতা আৰু সহযোগিতা লাভ কৰিব পাৰিলেহেঁতেন বুলি তেওঁ মত প্ৰকাশ কৰে। সাক্ষাৎকাৰত শ্বেখ হাছিনাই অতীতৰ এটা ঘটনাৰ উল্লেখ কৰি তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ নকৰাৰ সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰে। তেওঁৰ মতে, ১৯৭৯ চনত বাংলাদেশৰ তদানীন্তন ৰাষ্ট্ৰপতি জিয়াউৰ ৰহমানে নতুন দিল্লী ভ্ৰমণ কৰাৰ সময়ত তেওঁ ভাৰততে বাস কৰি আছিল। তথাপি হাছিনাৰ উপস্থিতিয়ে সেই ভ্ৰমণত কোনো বাধাৰ সৃষ্টি কৰা নাছিল। ১৯৭৫ চনৰ ৰপ্ত আগষ্টত শ্বেখ মুজিবুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক হত্যা কৰা ঘটনা, লগতে সেই বছৰৰ, নৱেম্বৰত ঢাকা কেন্দ্ৰীয় কাৰাগাৰত চাৰিগৰাকী ৰাষ্ট্ৰীয় নেতাক হত্যা কৰা ঘটনাৰ কথাও তেওঁ উল্লেখ কৰে। এই ঘটনাসমূহৰ পিছত জিয়াউৰ ৰহমানে অসাংবিধানিকভাৱে ক্ষমতালৈ আহিছিল বুলি হাছিনাই অভিযোগ কৰে। হাছিনাই কয় যে জিয়াউৰ ৰহমানে ১৯৭৯ চনত দিল্লী আৰু ১৯৮০ চনত লণ্ডন ভ্ৰমণ কৰাৰ সময়ত তেওঁ নিজেও সেই চহৰসমূহত আছিল। সেই সময়ত তেওঁৰ উপস্থিতিয়ে জিয়াউৰ ৰহমানৰ ভ্ৰমণত বাধা দিয়া নাছিল। এই উদাহৰণ দাঙি ধৰি হাছিনাই প্ৰশ্ন কৰে, "মই আজি দিল্লীত থকাৰ বাবে জিয়াউৰ ৰহমানৰ পুত্ৰ তাৰিক ৰহমানে ভাৰতলৈ আহিবলৈ কিয় সংকোচ কৰিছে? ইয়াৰ প্ৰকৃত কাৰণ কি?" শ্বেখ হাছিনাৰ মতে, বাংলাদেশৰ বৈদেশিক নীতি পৰিপক্ক, সন্তুলিত আৰু আত্মবিশ্বাসী হোৱা উচিত। ভাৰত বাংলাদেশৰ ঘনিষ্ঠ চুবুৰীয়া আৰু ঐতিহাসিক সহযোগী। সেয়ে ব্যক্তিগত বা ৰাজনৈতিক কাৰণত ভাৰতৰ সৈতে সম্পৰ্কৰ গুৰুত্ব উপেক্ষা কৰা উচিত নহয় বুলি তেওঁ মত প্ৰকাশ কৰে।

# মৰিগাঁৱৰ ৩৮ সংখ্যক জিলা দিৱস উদ্‌যাপনৰ অংশ হিচাপে সামাজিক কু-প্ৰথাৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ পদক্ষেপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ অক্টোবৰ ঃ** মৰিগাঁও চহৰত আজি ৩৮ সংখ্যক জিলা দিৱস উদযাপনৰ অংশ হিচাপে জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়, মৰিগাঁৱৰ উদ্যোগত দুটা বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে এখন দেৱালত চিত্ৰাংকন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সমাজৰ জ্বলন্ত সমস্যাসমূহৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাই এই কাৰ্যসূচীসমূহৰ মূল উদ্দেশ্য। নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ ৰোধ কৰাৰ লগতে বাল্যবিবাহ, বহুবিবাহ আৰু মানৱ সৰবৰাহৰ দৰে সামাজিক কু-প্ৰথাসমূহৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ ওপৰত বাটৰ নাটকেইখনত গুৰুত্ব আৰোপ কৰা হয়। সৃষ্টিশীল জনসজাগতা কাৰ্যসূচীৰ জৰিয়তে এখন সুৰক্ষিত, সমতাপূৰ্ণ আৰু অন্তৰ্ভুক্তিমূলক সমাজ গঢ়াৰ বাবে সামাজিক দায়বদ্ধতা বৃদ্ধি আৰু সামূহিক প্ৰচেষ্টাক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হয়। এই কাৰ্যসূচীত নগাঁও লোকসভা সমষ্টিৰ সাংসদ দেৱাশিস শৰ্মা, মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু মৰিগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নিশান্ত সৌৰভৰ লগতে জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন